Reference
Not for Issue
A. L. A. Library

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. II

**NO. 4**

The 15th March, 1986

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## 1986

(Budget Session)

Volume—II

No. 4

Dated, the 15th March, 1986

Contents Pages


| | | |
|---|---|---|
| 1. | Questions ...... ...... | ...... 1—16 |
| 2. | Calling Attention Notice ...... | ...... 17 |
| 3. | General Discussion of the Budget | ...... 18—48 |
| 4. | Adjournment ...... ...... | ...... 48 |

Library

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Saturday the 15th March, 1986 with the Hon'ble Speaker in the Chair, 14 (fourteen) Ministers, 7 (Seven) Ministers of State and 75 (Seventy-five) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

বিঃ গোলাঘাটৰ পৰিবহন আস্থান ভৱন।

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে ঃ

*১৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট পৰিবহন আস্থান ভৱনটো পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে কিবা বিবেচনা কৰিছেনে ?

(খ) ভৱনটোৰ বাবে কিমান টকা ধাৰ্য্য কৰিছে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৩। (ক) কৰা নাই। কিন্তু চোতাল খনৰ উন্নতি কল্পে চলিত বছৰত ৭৩,৮৬০.০০ টকা খৰচ কৰাৰ বাবে ধন ধাৰ্য্য কৰি কাম কৰিবলৈ ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ গগৈ ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, কেৱল গোলাঘাটতেই নহয় অসমৰ প্ৰায় বিলাক আস্থান ভৱনৰ ঠাই বিলাকত পানী হয়। আনকি গুৱাহাটীৰ মাছখোৱাতো পানী উঠে। এই বিলাকৰ বাবে বিবেচনা কৰি নতুন কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, মই এই বিষয়ে চিন্তা কৰি আছো। মই নিজেই প্ৰায় বিলাক আস্থান ভৱন ভ্ৰমণ কৰিছো। এই আস্থান বিলাক ৰাস্তাৰ তলত হোৱা কাৰণেই এই আস্থান বিলাকত পানী হয়। এই বিষয়ে আমি চিন্তা কৰি আছো। কি কৰিব পাৰি নাজানো। যিমান খিনি কৰিব পৰা যায় তাৰ বাবে মন কৰিম।

শ্ৰীচামন আলি :– অধ্যক্ষ মহোদয়, অসমত বৰ্ত্তমান কিমান আস্থান নিজাকৈ আছে আৰু কিমান আস্থান ভাৰা বাস ভৱনত চলি আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

Mr. SPEAKER—That is a separate question.

শ্ৰীদেবেশ্বৰ বৰা :– অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিছাৰিছো যে, গোলাঘাট জিলাৰ এই আস্থান ভৱনটো নতুনকৈ সজাৰ কিবা ব্যৱস্থা বা আচনি গ্ৰহণ কৰিছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, এই আস্থান ঘৰটো ৪৯ হাজাৰ টকা খৰছ কৰি মেৰামতি কৰা হৈছে। গতিকেই এতিয়া নতুন ব্যৱস্থাৰ কথা চিন্তা কৰা নাই।

শ্ৰীদেবেশ্বৰ বৰা :– অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, ভৱিষ্যতে এই বিষয়ে চিন্তা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, সকলো বিলাক নিৰ্ভৰ কৰিব টকা পইচাৰ ওপৰত টকা পইচা হলে যত্ন কৰিম।

শ্ৰীকিৰণ গগৈ :– অধ্যক্ষ মহোদয়, মৰানত যিটো পৰিবহন আস্থান আছে সেইটো বহুত দিনৰ পৰা পানীত ডুবি আছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিব নেকি ?

মাননীয় অধ্যক্ষ :– এইটো এটা সুকীয়া প্ৰশ্ন হব।

শ্ৰীআমিনল ইছলাম :– মানকাছাৰত এটা আস্থান ভৱন হোৱাৰ কাৰণে বহুত দিন আগৰে পৰা যোগা যোগ কৰি থকা হৈছে। এইটো নিৰ্ম্মাণ কৰাৰ কাৰণে – —

Mr. SPEAKER:—That should be a separate question. Now question No 14.

Re: Police Out Post in Char Areas of Darrang.

Shri ABDUL JABBAR asked :

*14. Will the Minister Home be pleased to state—

(a) Whether there is any police Out Post established in the Char Areas of Darrang District ?

(b) If not, is there any possiblity in the near future to establish any Police out post in the Char Areas of the said District ?

(c) Where the present River police head quarter of Darrang District is situated?

(d) Will the Government establish its headquarter at Mongaldoi?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৪। (ক) নাই।

(খ) এই বিষয়টো আৰক্ষী সঞ্চালক প্ৰধানে বিবেচনা কৰি আছে।

(গ) সমগ্ৰ নৌ আৰক্ষী বাহিনীৰ মুখ্য কাৰ্য্যালয়টো গুৱাহাটীত অৱস্থিত।

(ঘ) জিলা পৰ্য্যায়ত নৌ আৰক্ষী বাহিনীৰ মুখ্য কাৰ্য্যালয় পতাৰ প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই।

Shri ABDUL JABBAR:—Mr. Speaker Sir, where a complaint has to be lodged by a person in case of cognizable offence in char area?

(as no reply coming from Minister, Home)

Mr. SPEAKER:—What is your question?

Shri ABDUL JABBAR:—Sir, my question is where a person of the char area will have to lodge a complaint in case of any cognizable offence committed there?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, অভিযোগ থাকিলে ওচৰৰ পুলিচ থানাত অভিযোগ কৰিব।

Shri ABDUL JABBAR:—Sir, the answer by the Hon'ble Home Minister is not clear. Since the River Police District has not been established in Darrang as stated by Hon'ble Home Minister in his reply, if there is any complaint to be lodged, where the complainant will have to lodge it? In absence of any police station, it will be difficult on the part of a person to lodge complaint.

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, তেখেতে জানিব বিচাৰিছে দৰঙত পুলিচ ষ্টেচন আছেনে নাই? দৰঙত পুলিচ ষ্টেচন আছে।

Shri ABDUL JABBAR:—Sir, if there is a River Police Station, where it is situated?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, দৰঙত নৌ আৰক্ষী থানা বিশ্বনাথ চাৰিআলি আৰু তেজপুৰত আছে।

Shri ABDUL JABBAR:—Sir, my last question is this. Is it possible on the part of a person of Mirakari Char which is situated near Guwahati, to lodge a complaint at Biswanath Charali or at Mongaldoi as mentioned by the Hon'ble Home Minister ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই অসুবিধা সম্পৰ্কে আমি বিবেচনা কৰিম।

Shri ZOII NATH SARMA:—On a point of information Sir.

Mr. SPEAKER:—No., you are not to reply.

Shri CHARAN NARZARY:—Sir, this question actually does not relate to char areas alone. I want to put a very specific question to the Hon'ble Home Minister. Will the Government make a thorough assessment of all the sensitive and vulnerable areas in the State and put up police out posts in all these places ?

শ্ৰীভৃগু কুমাৰ ফুকল (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো, এটা সুকীয়া প্ৰশ্ন। তথাপি মই কওঁ যে পুলিচ আউট পোষ্ট বিলাক জনসংখ্যা আৰু যিবিলাক অঞ্চলত ক্ৰাইম বেচি হয়, তাৰ ওপৰি টকা পইচাৰ ওপৰত নিৰ্ভৰ কৰি স্হাপন কৰা হয়।

Shri ABDUL MUHIB MAZUMDAR:—Mr. Speaker, Sir, before the Minister could reply one of the member of the Treasury Bench wanted to say something. Will you kindly ask him what he has to say ?

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য জয়নাথ শৰ্ম্মা।

শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, কিবামতি চৰৰ ওচৰত ঢলপুৰ পুলিচ আউটপোষ্ট আছে। গতিকে সেই অঞ্চলত আউটপোষ্ট নাই বুলি সদনত বিপথে পৰিচালিত কৰিব বিচাৰিছে।

Shri GOLOK RAJBANSHI:— ৰিভাৰ পুলিচ ষ্টেচন আৰু চিভিল পুলিচ ষ্টেচন দুয়োটা বেলেগ ইয়াৰ মাৰ্কড কৰা হৈছে নেকি ? Whether this includes any civil police station or these are under River Police Station ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— এনে প্ৰশ্নৰ কাৰণে সুকীয়াকৈ প্ৰশ্ন কৰিলে ভাল হয়।

Shri GOLOK RAJBANSHI:—ইতিমধ্যে চৰ এৰিয়া বুলিকিত Whether it is included in any civil police station ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) :— প্ৰশ্নটোত সমগ্ৰ অসমৰ চৰ এৰিয়াৰ কথা তোলা হোৱা নাছিল, কেৱল দৰং জিলাৰ চৰ এৰিয়াৰ কথাহে সোধা হৈছিল। গতিকে তেনে প্ৰশ্নৰ কাৰণে বেলেগে নোটিচ লাগিব। দৰং জিলাৰ নদী আৰক্ষী বাহিনী শোণিতপুৰৰ জিলাৰ অন্তৰ্গত।

Re: Land acquired under Fixation of Ceiling on Land Holdings Act.

Shri PABIN CHANDRA DEKA asked :

*15. Will the Minister, Revenue be pleased to state—

(a) How many bighas of land have been acquired in Assam till December, 1985 under the Assam fixation of Ceiling on Land Holdings Act, 1972 ?

(b) Whether the lands so acquired have been distributed among the landless families ?

(District-wise figure map be shown)

Shri THANESWAR BORO (Minister, Revenue) replied :

15. (a)—17, 77, 951 bighas.

(b)—11,99,535 bighas have been distributed to 3,32,076 families including 386 institutions.
A statement showing the District–wise figure is laid on the Table of the House.

Shri ARDHENDU KUMAR DEY :—Mr. Speaker, Sir, whether the Minister-in-charge will state whether the pattas have been given to all the landless persons ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— এই ধৰণৰ উদ্বৃত্ত মাটিৰ বিতৰণ ইয়াৰ আগৰ চৰকাৰে কৰিছিল আৰু তাৰে কিছু সংখ্যকৰ মাজত পটন আদিও দিয়া হৈছিল।

Shri ARDHENDU KUMAR DEY:—Then when the other persons will be given ?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ মন্ত্ৰী) ঃ— পটন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদেৱেশ্বৰ বৰা ঃ— চিলিং উদ্বৃত্ত মাটিৰ চাহ বাগান এলেকা বিলাকত বেদখলৰ কোনো ধৰণৰ খেলিমেলিৰ কথা মন্ত্ৰী মহোদয়ে জানেনে আৰু যদি জানে তেনেহলে তেনে বেদখলৰ খেলি-মেলি আতৰাবলৈ কি ধৰণৰ ব্যৱস্থা লৈছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— চিলিং উদ্বৃত্ত মাটি চাহ বাগান এলেকাত যিবোৰ আছিল তাত বেদখল হৈ আছে সেইটো উচ্ছেদ কৰিবৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপদ্ম নাথ কৈৰী ঃ— বাগিচা এলেকাত চিলিং উদ্বৃত্ত মাটি বেদখলৰ কাৰণে ৰবঙাবাৰী বাগিচা এলেকাত উত্তেজনাৰ সৃষ্টি হৈছে সম্পৰ্কে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— সকলো বিলাক বিষয় অনুসন্ধান কৰি উচিত তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে। তেনে তথ্যপাতি পোৱাৰ লগে লগে বেআইনী ভাবে দখল কৰা খিনিৰ ওপৰত ব্যৱস্থা লব পৰা হব। ইতিমধ্যে এই ধৰণৰ বেদখলৰ কাৰণে বহুত কেচ চলি আছে, হাই কোৰ্টতো কেচ চলি আছে, নিষ্পত্তি হোৱা নাই। তেনে ধৰণৰ কোনো নিৰ্দিষ্ট কথা দাঙি ধৰিলে তথ্য পাতি সহ বিচাৰ কৰিব পৰা যাব।

শ্ৰীদেবেশ্বৰ বৰা :— চাহ বাগান বিলাকত যি চিলিং উদ্বৃত্ত মাটি আছে সেই বিলাক বেদখল বন্ধ কৰিবলৈ কিবা ব্যৱস্থা লব নেকি জানিব বিচাৰিছো।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— সেই বিষয়ে অনুসন্ধান কৰা হব আৰু সেইমতে ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— গুৱাহাটী চহৰত আগৰ চৰকাৰে বহুতো চিলিং উদ্বৃত্ত মাটি বেআইনী ভাবে পট্টন দিয়া কথা জানিব পাৰিছো। সেইটো ৰাজহমন্ত্ৰী মহোদয়ে তদন্ত কৰি চাই বিহিত ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— হয়, সেইটোও অনুসন্ধান কৰা হব।

শ্ৰীপদ্ম নাথ কৈৰী :— বৰঙাবাৰী আৰু ওচৰৰ কাষৰ কেইবাটাও অভিযোগ বিশ্বনাথ চাৰিআলি এচ-ডি-অ অফিচত দিয়া হৈছে। সেইমতে কাগজ পত্ৰবোৰ অনুসন্ধান কৰি চাবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

শ্ৰীময়িদুল ইচলাম :—অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে প্ৰশ্ন সোধাৰ সময়ত আপোনালৈ সম্বোধন কৰাটো নিয়ম যদিও আমি এইটো দেখিবলৈ পাইছো যে মাননীয় সদস্য দুই এজনে অধ্যক্ষ মহোদয়ক সম্বোধন নকৰাকৈ প্ৰশ্ন উত্থাপন কৰি আছে এইটো কেনে ধৰণৰ হৈছে ?

Shri ABDUL MUHIB MAZUMDAR :—Mr. Speaker Sir, the Minister-in-charge of Revenue in answer to question (a) and (b) has replied that the land acquired measured about 72 lakhs and the land distributed among the landless families is around 11 lakhs. May I know from the Hon'ble Minister when do the Government propose to distribute the balance of the land ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহমন্ত্ৰী) :— এইটো অনুসন্ধান পিচতেই ব্যৱস্থা লোৱা হব।

শ্ৰীআব্দুল মুহিব মজুমদাৰ :— মোৰ প্ৰশ্নটো আছিল বাকী থকা মাটি খিনি কেতিয়া বিতৰণ কৰা হব আৰু অনুসন্ধান শেষ কৰিবৰ কাৰণে কিমান দিন লাগিব ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— অতি সোনকালে অনুসন্ধান হব আৰু বেদখলকাৰীৰ ওপৰত ব্যৱস্থা কৰা হব। আমি নতুনকৈ দায়িত্ব লৈছো মাথোন কামৰ সময়ত চিলিং আইনৰ আধাৰত আৰু বহুত সমস্যা আহিব সেইবিলাক কেতিয়া সমাধান কৰিব পৰা যায় খৰতকীয়াকৈ চাব লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মা :— যিখিনি চিলিং উদ্বৃত্তি মাটি বেদখলকাৰীৰ পৰা পাব পৰা হয় সেই মাটিখিনি মাটিহীন লোকৰ মাজত বিতৰণ নকৰি ৰাজহুৱা স্বাৰ্থত ব্যৱহাৰ কৰাৰ কাৰণে আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— তেনেকুৱা মাটিও অনুসন্ধানৰ পিচত ব্যৱস্থা লোৱা হব। ৰাজহুৱা স্বাৰ্থতো তেনে মাটি দিয়া হয়।

শ্ৰীআব্দুল মুহিম মজুমদাৰ :— অনুসন্ধানৰ কাম অতি সোনকালে মানে মে মাহৰ ভিতৰতে কৰিব পৰা হব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— সেইটো ঠিক তাৰিখ নহব। কিন্তু এইটো কব পাৰো যে যিমান সোনকালে পৰা হয় এইটো কৰা হব।

(Starred Question No. 16 was not put and replied to as the Hon'able Questioner was absent.)

বি : চি, আৰ, পি, এফ ৰ বাবে খৰচ।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

* ১৭। মাননীয় গৃহমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

১৯৮৩ চনৰ পৰা বৰ্ত্তমানলৈ (১০-১-৮৬ লৈ) চি, আৰ, পি, এফ, আৰু অন্যান্য অৰ্দ্ধ সামৰিক বাহিনী ৰখাৰ বাবে অসম চৰকাৰে কিমান টকা খৰচ কৰিলে ?

(১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ চন হিচাবে ব্যয়ৰ পৰিমাণ জনাব)।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৭। ১৯৮৩ চনৰ (বিত্তীয় বছৰ ১৯৮২-৮৩) পৰা ১০-১-৮৬ লৈ চি, আৰ, পি, এফ, আৰু অন্যান্য অৰ্দ্ধ সামৰিক বাহিনী ৰখাৰ বাবে অসম চৰকাৰে কৰা ব্যয় হল :— ১৩,৩৩,৩৮,৬৯০·৯০ পঃ। এই সময় ছোৱাৰ কাৰণে আৰু প্ৰায় ৪৩,৭৬,০০,০০০·০০ পঃ আৱশ্যক হব বুলি হিচাব কৰা হৈছে। বিত্তীয় বছৰ হিচাপে খৰচ হোৱা ধনৰ হিচাপ এনে ধৰণৰ :—

১৯৮২-৮৩ — ৯৭,৬৯,৫০৭·৬৪ পঃ
১৯৮৩-৮৪ — ৫,৬৬,৭০,৩৩৮.৭২ পঃ
১৯৮৪-৮৫ — ৪০৬,৯৮,৮৪৪·৫৪ পঃ
১৯৮৫-৮৬ — ২,৬২,০০,০০০·০০ পঃ
মুঠ = ১৩,৩৩,৩৮,৬৯০·৯০ পঃ

শ্ৰীজয়নাথ শৰ্মা :— কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সলনি আমাৰ অসমীয়া থলুৱা নিবনুৱা যুৱকৰ দ্বাৰা অসমতে এটা আৰক্ষী বাহিনী সৃষ্টি কৰাৰ কথা মন্ত্ৰী মহোদয়ে চিন্তা কৰিবনে ?

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) :— সেই বিষয়টো এতিয়াই কব নোৱাৰি। আলোচনা সাপেক্ষে পিচত জনাব পৰা হব।

শ্ৰীগোলোক ৰাজবংশী :— এই কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ কাৰণে যে খৰচ দেখুৱা হ'ল এইটো কিমানটা কোম্পানীৰ কাৰণে আৰু এতিয়া কিমানটা বাহিনী ঘূৰাই পঠিওৱা হ'ল মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

(ভইচ : সেইটো বেলেগ কথা। সেইটো আপোনালোকে জানিব)
I do not want that the Hon'ble Members should raise their voice like this.

মই সুধিব বিচাৰিছো ওলোটাই দিয়া কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী ৰাখিবৰ কাৰণে ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) :— তেনে সিদ্ধান্ত চৰকাৰে এতিয়াও লোৱা নাই।

শ্ৰীগোলোক ৰাজবংশী :— কিমানটা কোম্পানী সংৰক্ষিত বাহিনী এতিয়া আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীয়ে বেলেগ প্ৰশ্নৰ কাৰণে নোটিচ দিলে উত্তৰ দিব পৰা হব।

শ্ৰীগোলোক ৰাজবংশী :— ইয়াত যিহেতু খৰচৰ কথা আছে গতিকে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ কোম্পানীৰ সংখ্যাটোও ইয়াতে পাব পৰা হব বুলিয়েই জানিব বিচাৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— ইয়াত খৰচৰ বিষয়হে প্ৰশ্ন সোধা হৈছিল, কিমানটা কোম্পানী তাৰ হিচাব সোধা হোৱা নাই। গতিকে ইয়াৰ কাৰণে সুকীয়াকৈ প্ৰশ্ন উত্থাপন কৰিলে উত্তৰ দিব পৰা হব।

শ্ৰীআব্দুল মুহিব মজুমদাৰ :— ১৯৮৬-৮৭ চনৰ কাৰণে এই শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— সেই সম্পৰ্কত তথ্যপাতি বৰ্ত্তমান হাতত নাই, পিচত দিব পৰা হব।

শ্ৰীআব্দুল মুহিব মজুমদাৰ :— বাজেট দাখিল কৰোতে বাজেটৰ ভিতৰত পুলিচ শিতানত টকা কিমান ধৰা হৈছে জানিব পাৰোনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— এই মুহূৰ্ত্তত সেইটো তথ্য উত্তৰ দিব পৰাকৈ হাতত নাই। সংগ্ৰহ কৰি পিচত জনাম।

Shri GOLOK RAJBONGSHI—Whether any provision has been made in the budget for maintaining CRPF ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— বাজেটত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ কাৰণে টকা নাই।

শ্ৰীগুণীন হাজৰিকা :— কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী থকা স্কুল আদি বহু ৰাজহুৱা ঘৰৰ যথেষ্ট ক্ষতিসাধন কৰি গৈছে সেইবোৰৰ ক্ষতিপূৰণ দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— সেই সম্পৰ্কে প্ৰয়োজনীয় নিৰ্দ্দিষ্ট তথ্যপাতি পালে বিবেচনা কৰা হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— মঙ্গলদৈ মহকুমাত বহুত আছে, বিহিত ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— অনুসন্ধান কৰি বিবেচনা কৰা হব।

## Re: Improvement of Primary Education.

Shri SHEIKH ABDUL HAMID asked :

*18. Will the Minister, Education be pleased to state—

(a) The Steps the Government has proposed to take to improve the Primary Education in the State ?

(b) The number of Schools in the State which are run by a single teacher?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৮। (ক) প্ৰাথমিক শিক্ষা উন্নয়নৰ বাবে তলত দিয়া ব্যৱস্থাৱলী চৰকাৰে গ্ৰহণ কৰিছে।

১। চলিত বছৰত ৭ম শ্ৰেণীলৈকে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ পাঠ্যপুথি আৰু পোছাক দিয়াৰ ব্যৱস্থা কৰা হৈছে।

২। বিদ্যালয় নোহোৱা স্থানত নতুনকৈ বিদ্যালয় স্থাপন কৰা প্ৰস্তাৱ লোৱা হৈছে। প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত ২ খন স্কুলৰ মাজৰ ব্যৱধান ১.৫ কিঃ মিঃ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ ক্ষেত্ৰত ৩ কিঃ মিঃ ধৰা হৈছে।

৩। এজনীয়া শিক্ষক থকা প্ৰাথমিক বিদ্যালয় সমূহ ২ জনীয়া শিক্ষকলৈ ৰূপান্তৰীত কৰা হব।

৪। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাবৰ্দ্ধিত হলে স্কুলত অতিৰিক্ত শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৫। নতুনকৈ অনা অনুষ্ঠানিক (নন ফৰমেল) শিক্ষাৰ নিমিত্তে কেন্দ্ৰ খোলাৰ ব্যৱস্থা লোৱা হৈছে।

৫। নতুনকৈ অনা অনুষ্ঠানিক (নন ফৰমেল) শিক্ষাৰ নিমিত্তে কেন্দ্ৰ খোলাৰ ব্যৱস্থা লোৱা হৈছে।

| বছৰ ঃ | স্কুলৰ সংখ্যা | টকাৰ পৰিমাণ |
|---|---|---|
| ১৯৮৫—৮৬ | ৭৬৬ | টকা ৩.৪৫ কোটি |
| ১৯৮৬—৮৭ | ১৭৯২ | টকা ৮.০৬ কোটি |

একোখন স্কুল ঘৰৰ বাবে ৪৫,০০০.০০ টকা ধৰা হৈছে।

৭। শিক্ষক নিয়োগৰ ক্ষেত্ৰত নতুনকৈ নীতি নিৰ্দ্ধাৰণ কৰা হৈছে।

৮। শিক্ষক সকলক আৱশ্যকীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা দিয়া হৈছে।

(খ) এজনীয়া শিক্ষক থকা মুঠ বিদ্যালয়ৰ সংখ্যা ৩৯৯৮ খন।

শ্ৰীশ্বেখ আব্দুল হামিদ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে আমাৰ ৰাজ্যৰ প্ৰাথমিক স্কুল সমূহ নিয়াৰিকৈ চলাৰ কাৰণে আমাৰ চৰকাৰে পৰিদৰ্শন কৰাৰ ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন তুলিছে তাৰ উত্তৰ স্বৰূপে মই কব খোজো যে আমাৰ বিভিন্ন স্কুল পৰিদৰ্শন কৰিবৰ কাৰণে বিভিন্ন পৰ্যায়ৰ বিষয়া আছে। আৰু এই বিষয়া বা পৰিদৰ্শক সকলে তেওঁলোকৰ কাম কৰি আছে। অলপতে শিক্ষা বিভাগৰ বিষয়া সকলক লৈ এই বিষয়ে আলোচনা কৰা হৈছিল আৰু তেওঁলোকে যাতে নিয়মিত ভাবে বিভিন্ন স্কুল সমূহ পৰিদৰ্শন কৰাৰ ব্যৱস্থা লয় তাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। ইয়াৰোপৰি সেই সভাখনত স্কুলৰ বিভিন্ন সমস্যাৰ বিষয়েও আলোচনা কৰা হৈছিল আৰু এই সমস্যাবোৰ দূৰীকৰণৰ কাৰণেও ব্যৱস্থা লবলৈ বিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে তোলা প্ৰশ্নটোৰ সন্দৰ্ভত ইতিমধ্যে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীদুৰ্গা দাস বড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা এই খিনিতে প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ সমস্যা এটা জানিব খুজিছো। আমাৰ ৰাজ্যত বহুতো প্ৰাইমাৰী স্কুল আছে যিবোৰত বহুতো শিক্ষকে অবৈতনিক ভাবে কাম কৰি আছে, এতিয়া আমাৰ চৰকাৰে এই শিক্ষক সকলক নিয়মিত ভাবে মকৰল কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে কাৰ্য্য ভাৰ লোৱাৰ পিচত শিক্ষাৰ ক্ষেত্ৰত বহুতো বেমেজালিৰ সম্মুখীন হৈছে। বহুতো খেলিমেলি আমাৰ দৃষ্টিগোচৰ হৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন তুলিছে- প্ৰাথমিক স্কুলৰ অবৈতনিক শিক্ষকৰ ক্ষেত্ৰত, এইটো এই কাৰণে হবলৈ পালে যে যেতিয়া এখন প্ৰাথমিক স্কুল স্থাপন কৰা হয় তেতিয়া দুজন বা তাতোধিক শিক্ষকে অবৈতনিক ভাবে কাম কৰি থাকে। কিন্তু যেতিয়া স্কুলবোৰ চৰকাৰী কৰণ কৰা হল তেতিয়া কেৱল এজন শিক্ষককহে লোৱা হল। বাকী সকল অবৈতনিক ভাবেই থাকি গল। আমাৰ পূৰ্বৰ চৰকাৰে যেতিয়া স্কুলত নতুন শিক্ষক নিযুক্তি দিলে তেতিয়াও এই শিক্ষক সকলৰ কথা বিবেচনা কৰা নহল। এতিয়া আমি বহুতো শিক্ষকৰ পৰা আবেদন নিবেদন পাইছো যি সকলৰ চাকৰিৰ বয়সো ইতিমধ্যে পাৰ হৈ গল। অথচ তেওঁলোকে আশা কৰি আছিল যে ইমান দিন চাকৰি কৰিছে যেতিয়া তেওঁলোকৰ চাকৰিতো সেই স্কুলতে নিয়মিয়া বা চৰকাৰী হব। এতিয়া আমি নতুন শিক্ষক নিয়োগ কৰাৰ ক্ষেত্ৰত এই সকল শিক্ষকৰ কথাটো মানবীয় দিশতে বিবেচনা কৰি চাব লাগিব সুস্থিৰ্ ভাবে।

শ্ৰীদুৰ্গা দাস বড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ লগত সামঞ্জস্য থকা এটা প্ৰশ্ন কৰিব খুজিছো। আমাৰ ৰাজ্যত এতিয়াও বহুতো বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে এইবোৰ বিদ্যালয় চৰকাৰীকৰণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰ্ত্তাৰ উত্তৰত এই বিলাক কথা জনাইছো। আমি প্ৰয়োজন অনুসৰি স্কুল কৰিব লাগিব কাৰণ আমাৰ সকলো ৰাইজে অনুভৱ কৰিছে যে, আমাৰ প্ৰাইমেৰী শিক্ষাৰ ব্যাপক ভাৱে প্ৰয়োজন। চৰকাৰৰ আৰ্থিক সামৰ্থ্যৰ মাজেদি আমি যিবিলাকি কাম কৰিম বুলি ভাবিছো সেইবিলাক প্ৰস্তাৱত ইতিমধ্যে উল্লেখ কৰিছো।

শ্ৰীবলোভদ্ৰ তামুলী ঃ— অধক্ষ্য মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, অবৈতনিক শিক্ষকৰ ক্ষেত্ৰত যোৱা মন্ত্ৰী সভাৰ চৰকাৰৰ দিনত কিছুমান লৰাৰ পৰা পইচা লৈ চাকৰি দিব নোৱাৰাৰ ফলত শেষত বিভিন্ন স্কুলত ৮।১০ মাহৰ বাবে কাম কৰিবলৈ দিছিল। সেইবিলাক শিক্ষকৰ অৱস্থা এতিয়া কি হব ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এনে ধৰণৰ বিসঙ্গতি বহুতো দেখিবলৈ পাইছো। এই প্ৰশ্নৰ লগত একেবাৰে সঙ্গতি নাই যদিও কেইটামান কথা আঙুলিয়াই দিব বিচাৰিছো। স্কুল বিলাকত স্কুল মাতৃৰ বাবে এটা পদ আছে। যোৱা বিধান সভাতো এই প্ৰশ্ন আহিছিল। সকলো স্কুলতে স্কুল মাতৃ নিয়োগ কৰিব লাগে বুলি আগৰ চৰকাৰে বে-চৰকাৰী ভাবে কিছুমান মানুহক নিযুক্তি দিছিল। আৰু তেওঁলোকক ভৱিষ্যতে এই পদ বিলাক স্থায়ীকৰণ কৰা হব বুলি কৈছিল। কিছুমান স্কুলৰ এই মাতৃ সকলে লৰা-ছোৱালীকো শিক্ষা দান কৰিছে। এনে ধৰণৰ বহুতো আবেদন পত্ৰ আমি এতিয়াও পাই আছো। এইবিলাক কথাৰ প্ৰতি গুৰুত্ব দিয়া হব। নিয়োগৰ ক্ষেত্ৰত চৰকাৰে যোগ্য ব্যক্তিয়ে যাতে শিক্ষা দান কৰিব পাৰে তাৰ ওপৰত অধিক গুৰুত্ব দিয়া হব আৰু চাব লাগিব যাতে ব্যক্তিজনৰ শিক্ষাদানৰ মনোবৃত্তি আৰু অৰ্হতা সম্পন্ন হয়। আমাৰ নতুন চৰকাৰে এইবিলাকৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি নিয়োগৰ ব্যৱস্থা কৰিব।

শ্ৰীজয়নাথ শৰ্মা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এজনীয়া শিক্ষকৰ ঠাইত দুজন শিক্ষক দিয়াৰ কথা কৈছে। মোৰ প্ৰশ্ন হৈছে যে, ৪ টা শ্ৰেণী থকা স্কুলত দুজন

শিক্ষকে কেনেকৈ পাঠ দান কৰিব আৰু ইয়াৰ দ্বাৰা শিক্ষাৰ মানদণ্ড উন্নত হবনে? শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে অসমৰ গাওঁ অঞ্চলত থকা বিদ্যালয় বিলাকত ৪ টা শ্ৰেণীৰ মাজত কেৰা দিয়াৰ ব্যৱস্থা কৰিবনে? গতিকে মন্ত্ৰী মহোদয়ে এটা বাক্যৰ দ্বাৰা উত্তৰ দিলে সুখী হম।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, প্ৰায়বিলাক সমস্যাৰ ভিতৰতে শিক্ষাৰ সমস্যাটো এটা জটিল সমস্যা হৈ পৰিছে। তাৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ সমস্যা অন্যতম। এটা বাক্যত এই বিশাল সমস্যাটোৰ উত্তৰ দিয়া সম্ভৱ নহয়। এটা বাক্যত উত্তৰ দিব পৰা হলে নিশ্চয় এই প্ৰশ্নটো নাহিলহেঁতেন। আমাৰ ২৫,৯৭০ খন প্ৰাইমেৰী স্কুল আছে। আমাৰ সকলো সদস্যই এই বিদ্যালয় বিলাকৰ সমস্যা বিলাক জানে। এই ২৫,৯৭০ খন স্কুলৰ বাবে অধিক শিক্ষক নিয়োগ কৰা প্ৰয়োজনৰ কথাটো আমি অস্বীকাৰ কৰা নাই। বিদ্যালয়ত বেৰ নথকা কথাটো যোৱা বিধান সভাতো আলোচনা হৈছে। এতিয়া নতুন চৰকাৰে এই প্ৰাইমেৰী বিদ্যালয়ৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। ইয়াৰ বাহিৰেও ব্লেক বৰ্ডৰ কথাও আছে।

শ্ৰীজয়নাথ শৰ্মা:— ব্লেক বৰ্ডৰ কথা কোৱা নাই। মই বেৰৰ কথাহে কৈছো। বেৰা দিব পাৰিবনে নাই।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, এটা বাক্যতে ইমান এটা ডাঙৰ সমস্যাৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। আমি বেৰা দিম আৰু বিদ্যালয় গৃহ বিলাকো আকৰ্ষণীয় কৰি সাজিবলৈ চিন্তা কৰিছো। আৰু ইয়াৰ বাবে ৩ কোটি ৪৫ লাখ টকা লৈছো। সকলো বিলাক একে দিনাই কৰাটো সম্ভৱ নহয়। পৰ্য্যায় ক্ৰমে কৰা হব।

ইয়াৰোপৰি প্ৰাথমিক শিক্ষা উন্নয়নৰ বাবে আমাৰ চৰকাৰে নানা ব্যৱস্থা গ্ৰহণ কৰিছে। ৭ম পঞ্চবাৰ্ষিক পৰিকল্পনা কালত ১৯৮৫—৯০ চনৰ ভিতৰত ছাত্ৰ ভৰ্ত্তি বিষয়ত তলত দিয়া মতে লক্ষ্য বান্ধি লোৱা হৈছে। প্ৰাথমিক স্কুলত বালক ১২২৫ জন, বালিকা ১০৭২ গৰাকী মুঠ ২২৯৭ জন প্ৰথম শ্ৰেণীৰ পৰা ৭ ম মান শ্ৰেণীলৈ, মধ্য ইংৰাজী বিদ্যালয়ত ৫ ম মান শ্ৰেণীৰ পৰা ৭ ম মান শ্ৰেণীলৈ বালক ৬১০, বালিকা ৪২২ মুঠ ১০৩২ জন মুঠ ৩৩২৯ জন। প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ বাবে পৰিকল্পনা ব্যয় তলত দিয়া মতে কৰা হল। ১৯৮৫-৮৬ চনত ১৫·২৩ কোটি টকা, ১৯৮৬—৮৭ চনত ৩০.৪০ কোটি টকা। অনুসূচীত জাতি আৰু জনজাতি কল্যানৰ বাবে তলত দিয়া পৰিমাণৰ টকা ধৰা হৈছে। ১৯৮৫—৮৬ চনত ৩.৪০ কোটি টকা (টি, এচ, পি), ০·৪০ কোটি টকা (এচ, চি), আৰু ১৯৮৬—৮৭ চনত ৬·২৫ কোটি টকা (টি, এচ, পি), ০.৬৯ কোটি টকা (এচ, চি) আৰু ১৯৯০ চনৰ ভিতৰত প্ৰাথমিক শিক্ষা প্ৰসাৰণৰ লক্ষ্য বান্ধি লৈ তলত দিয়া কাৰ্য্য ব্যৱস্থা বিলাক প্ৰস্তাৱ কৰা হৈছে।

১। স্কুল নথকা অঞ্চলত নতুনকৈ ২০০ খন প্ৰাইমেৰী বিদ্যালয় খোলা হব।

২ ৭০০ খন এজনীয়া শিক্ষকৰ বিদ্যালয় ২ জন শিক্ষক নিয়োগৰ ব্যৱস্থা লোৱা হব।

৩। অতিৰিক্ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চম্ভালিবলৈ ৩৫০ টা নতুন শিক্ষকৰ পদ সৃষ্টি কৰা হব।

৪। ২০০ টা শিক্ষকৰ পদ ভাষিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ বাবে কৰা হব।

৫। ৭০০০ টা অনা আনুষ্ঠানিক শিক্ষা কেন্দ্ৰ ৮—১০ বছৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খোলা হব।

৬। ৫০০ খন নতুন মধ্য ইংৰাজী বিদ্যালয় খোলা হব আৰু মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী শিক্ষক নিয়োগ কৰা হব।

এইধৰনেই আমি পৰিকল্পনা কৰি লৈছো আশাকৰো মাননীয় সদস্য গৰাকী সন্তুষ্ট হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰ পোৱা নাই। মই সুধিছিলো যে চাৰিটা শ্ৰেণী থকা ভেনচাৰ স্কুলবোৰ দুজনীয়া শিক্ষকে কেনেকৈ চলাব? চাৰিজন শিক্ষক দিব নেকি?

শ্ৰীবৃন্দাবন গোস্বমী (মন্ত্ৰী) :— আমাৰ উদ্দেশ্যও আছিল সেইটোৱেই। ৪ টা শ্ৰেণী এজন বা দুজনে চলোৱাটো সম্ভৱ নহয়। ৪ জন নালাগে ৫ জন ৬ জন দিয়াটো আমাৰ আপত্তি নাই, কিন্তু সীমিত অৰ্থৰ মাজেৰেহে চৰকাৰে পৰিকল্পিত ভাৱ আগবাঢ়িব পাৰিব, গতিকে এতিয়াই কিমানকৈ শিক্ষক দিয়া হব সেইটো কোৱা টান।

Mr. SPEAKER :—Now Mr. Charan Narzary will ask.

Shri CHARAN NARZARY :—Mr. Speaker, Sir, suddenly I came across some news item somewhere in some local newspapers that all the venture L. P. schools in the State would be taken over by the Government. Now from the reply of the Hon'ble Education Minister it appears that the Government have no such decision to take over all the venture L. P. school. Now my pointed question is whether the Government have maintained a record of all the venture L. P. schools, and if so, what is the total number of the venture schools in the whole State. May I know ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চৰকাৰৰ হাতত থকা প্ৰস্তাৱ মতে মই আগেয়ে উল্লেখ কৰিছো যে বহুত ঠাইত 'ভেন্সাৰ' স্কুল বিলাক উদ্দেশ্য বিহিন ভাবে প্ৰতিস্হিত হৈছে। কিন্তু নীতি মতে এখন প্ৰাইমাৰী স্কুলৰ পৰা আন এখন স্কুলৰ দুৰত্ব ১·৫ কিলো মিটাৰ আৰু এখন মাধ্যমিক স্কুলৰ পৰা আন এখন স্কুলৰ দুৰত্ব ৩ কিঃ মিঃ হব লাগে। এতিয়ালৈকে যি বিলাক 'ভেন্সাৰ' স্কুল গঠিত হৈছে সেই বিলাকৰ বিষয়ে নানা ধৰণৰ অভিযোগ আহিছে। এই স্কুল বিলাক আমি নীতি অনুসৰি পৰ্য্যায় ক্ৰমেহে প্ৰাদেশীকৰণ কৰিম।

Shri CHARAN NARZARY :—Mr. Speaker, Sir, I am not satisfied with the reply given by the Hon'ble Education Minister. If the establishment of a L. P. School depends on the distance, them I am sorry, Sir, because this should not be and cannot be a criterion for establishing a L. P. School as we have our villages and innumerable children are there in every village and every village needs L. P. Schools. What should be done in such a case if the people get one L. P. school only on the basis of distance criterion ? Whether this aspect in establishing L. P. School will be considered by the Government ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে সেইয়া আমিও ভাবিছো। সৰু সৰু লৰা-ছোৱালী বিলাকে যাতে বেছিদুৰ খোজকাঢ়ি যাব লগা নহয় সেই কথা সন্মুখত ৰাখিহে আমি কাম হাতত লৈছো। 'ভেন্সাৰ' স্কুলৰ সম্পৰ্কত নিজৰ কোনো পৰিসংখ্যা নাই। সেইকাৰণে আমি নীতি অনুসৰিহে চৰকাৰীকৰণ কৰিম আৰু মাননীয় সদস্য জনৰ পৰামৰ্শ বিবেচনা কৰিম।

Re : Police Out Post at Phillobari.

Shri DILESWAR TANTI asked :

*19. Will the Minister, Home be pleased to state—

(a) Whether the Government has any proposal or proposals to establish Police Out Post at Phillobari and Tangagaon under the Doomdooma P. S. in the District of Dibrugarh ?

(b) If so, when the Government proposes to start these in the said localities ?

(c) Whether the Government is examining to start a police Out Post also at Digulturrung in view of the increasing criminal activities in the area in recent years ?

Shri BHRIGU KUMAR PHUKAN (Minister, Home) replied :

19. (a)—No.

(b)—Does not arise.

(c)—No.

Shri DILESWAR TANTI :—Mr. Speaker, Sir, will the Hon'ble Minister kindly state as to what are the criteria that are required to fulfil for creation of police out post and whether these localities which I have mentioned would be taken up by the Government this time ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, পুলিচ থানা সাধাৰণতে স্থাপন কৰা হয় নিৰ্দিষ্ট জনসংখ্যাৰ ওপৰত ভিত্তি কৰিহে আৰু অপৰাধৰ সংখ্যা অধ্যয়ন কৰি বিশেষ ঠাইৰ পৰা দূৰত্ব অনুসৰি যোগাযোগৰ ব্যৱস্থা লোৱাৰ কাৰণে আৰু ৰাইজৰ দাবি অনুসৰি পুলিচ থানাবোৰ স্থাপন কৰা হয়।

Re : Crop Insurance.

Shri PABIN CHANDRA DEKA asked :

*20. Will the Minister, Agriculture be pleased to state—

(a) Whether the Government has proposed to introduce a Crop Insurance Scheme in Assam?

(b) If so, when it will be implemented?

(c) Whether the agricultural fields, homesteads and animal assets of the flood affected areas will be included in the proposed Crop Insurance Scheme?

Shri NILAMONI DAS (Minister, Agriculture) replied:

20. (a)—Yes.

(b)—1986-87.

(c)—No.

Mr. SPEAKER :—Next question. Q. No. 20.

Shri PABIN CH. DEKA :—Mr. Speaker, Sir, may I know from the Hon'ble Agriculture Minister what is the main objective of the Crop Insurance Scheme?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) :– মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনক মই জনাব বিছাৰিছো যে শস্য বীমাৰ যিখন আচঁনি এই আচঁনিখনৰ জৰিয়তে সাধাৰণতে বেংক সমূহে কৃষি ক্ষেত্ৰৰ ঋণ দিবলৈ বহু ক্ষেত্ৰত অসুবিধা ভোগ কৰে। এই কাৰণে এটা বিক্ৰ আহি পৰে, অৰ্থাৎ নানান প্ৰাকৃতিক কাৰণত শস্য নষ্ট হব পাৰে। শস্য বীমা আচঁনিৰ জৰিয়তে যি ঋণ দিয়া হয় তাৰ ওপৰত বীমা কৰিবলৈ যাওতে এনে কিছুমান অসুবিধা আহি পৰে।

Shri PABIN CH. DEKA :—Mr. Speaker, Sir, if it is so then why agricultural fields, homesteads and annimal assets of the flood affected areas which is very necessary will not be included in the crop insurance scheme? May I, request the Hon'ble Minister through you whether the Government will consider to improve this?

Shri NILAMONI DAS, (Minister).—Hon'ble Speaker, Sir, this scheme is only for crop insurance. There is another scheme known as stock insurance scheme and under the stock insurance scheme there is no scheme functioning as

এই শস্য বীমা আচঁনি খন চৰকাৰৰ তৰফৰ পৰা বানপ্ৰীড়িত অঞ্চলত সম্প্ৰসাৰণ কৰিবলৈ বিচৰা হৈছে আৰু সেয়ে কিছু সময় লাগিব। কাৰণ ইয়াৰ কাৰণে যি খিনি টকাৰ প্ৰয়োজন হব সেইখিনি অসম চৰকাৰে দিব লাগিব।

শ্ৰীপ্ৰবীন ডেকা ঃ— আঁচনিখন ফলপ্ৰসূ হবলৈ কিমান সময় লাগিব মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীনিলমণি দাস (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন ভাৰতবৰ্ষত প্ৰবৰ্ত্তন কৰাৰ এক বছৰ হৈছে আৰু এক বছৰ পাচতেই অসমত প্ৰবৰ্ত্তন কৰিবলৈ যোগাযোগ কৰা হৈছে। বোধকৰো এই সময়ছোৱা দিঘলীয়া হোৱা নাই। এই আচঁনিখন ফলপ্ৰসূৰ ব্যৱস্থা কৰিবলৈ বেচি সময় নালাগিব।

শেখ আব্দুল হামিদ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে এই শস্য পাম আৰ্চনিখন আচলতে পীড়িত বা য'ত শস্য নষ্ট হয় তাৰ কাৰণে কৰা হৈছে। কিন্তু যি বিলাক অঞ্চলত শস্য হোৱা নাই তাৰ কাৰণে কৰাৰ কাৰণ কি ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো বুজাবলৈ অলপ দিঘলীয়া সময় লাগিব। সন্মানিত সদস্যজনে মোৰ লগত আলোচনা কৰিলে মই বুজাই দিম।

Shri ABDUL MUHIB MAJUMDAR ;—Sir, may I know from the Hon'ble Minister, Agriculture whether the premiums of the insurance are to be given by the Government or by the cultivator and if it is to be paid by the cultivators then what are the provisions in America ?

Shri NILAMONI DAS (Minister):—Sir, for your information I would like to inform that I was not an Insurance Agent in U.S.A.

বি ঃ এ এ এচ ইউ আৰু এ এ জি এচ পি ৰ সমৰ্থকৰ বিৰুদ্ধে গোচৰ।

শ্ৰীজয় নাথ শৰ্মাই সুধিছে ঃ

*২১। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

এ এ এচ ইউ আৰু এ এ জি এচ পি ৰ সমৰ্থক সকলৰ বিৰুদ্ধে ৰুজু কৰা কিমান গোচৰ অসম চুক্তি মতে উঠাই লোৱা হৈছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১। অসম আন্দোলন সংক্ৰান্তত ১৩২১ টা গোচৰ উঠাই লোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, আৰু কিছুমান গোচৰ উঠাই লোৱা হোৱা নাই বুলি ছাত্ৰ সন্থা আৰু গণ পৰিষদে অভিযোগ তুলি আছে। গতিকে সেই বিলাক উঠাই লোৱাৰ সোনকালে ব্যৱস্থা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পাচৰ পৰা জিলা দণ্ডাধীশ সকলৈ এই গোচৰ বিলাক নিষ্পত্তি কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ— আমাৰ লগতে বহি থকা এজন মাননীয় সদস্য অভিজিৎ শৰ্মাৰ বিৰুদ্ধে মিছাকৈয়ে পাৰ্থ সাৰথি বোলা এজন মানুহক হত্যা কৰাৰ অপৰাধত জড়িত কৰিছে। এই গোচৰটোৰ পৰা মাননীয় সদস্য গৰাকীক মুক্তি দিয়াৰ কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— এই সম্পৰ্কত মই অনুসন্ধান কৰিব লাগিব।

শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় সদস্য দুৰ্গা দাস বড়োৰ বিৰুদ্ধেও নাৰী ধৰ্ষনৰ অপৰাধত মিছা গোচৰ আছে। সেই গোচৰ উঠাই লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— এই বিষয়ে চাই পিচত জনাব পাৰিম।

শ্ৰীপবিন চন্দ্ৰ ডেকা ঃ— গৃহমন্ত্ৰী ডাঙৰীয়াই অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পাচত গোচৰ বিলাক জিলা দণ্ডাধীশক নিষ্পত্তি কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে বুলি কৈছে। মই জানিব পাৰোনে কোন কোন তাৰিখে নিৰ্দ্দেশ দিয়া হৈছে ? কিয়নো সেই নিৰ্দ্দেশ এতিয়ালৈকে সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰা হোৱা নাই। গতিকে এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— এই বিষয়ে চাই পাচত জনাব পাৰিম।

শ্ৰীদুৰ্গাদাস বড়োঃ— অধ্যক্ষ মহোদয়, ইতিমধ্যে নেলীত ৫০০ত কৈও অধিক স্থানীয় জনজাতীয় লোকৰ বিৰুদ্ধে সেই একে ধৰণৰেই গোচৰ চলি আছে আৰু কোৰ্টত ৰায় হব এই মাহৰ ভিতৰতেই। কোৰ্টে ৰায়ৰ দিনও দিছে। কেইদিনমান আগতে তেওঁলোকে গৃহমন্ত্ৰীক জনাইছিল আৰু গৃহমন্ত্ৰীয়ে সচিবলৈ প্ৰেৰণ কৰিছিল।

Mr. SPEAKER—This matter is Subjudice and its cannot be raised.

শ্ৰীআব্দুল মুহিব মজুমদাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপিত কৰিছিল সেই সম্পৰ্কত আমাৰ ইয়াত কিমানজন সম্মানিত সদস্যৰ বিৰুদ্ধে এনেকুৱা গোচৰ আছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— এই বিষয়ে বিতং তথ্য-পাতি মোৰ হাতত নাই। এই বিষয়ে পাচত মই জনাব পাৰিম।

(Starred question No. 16 was not put and answared to as the questioner was absent.)

## UNSTARRED

## QUESTIONS AND ANSWERS

(To which replies were laid on the table of each Members)

**বিঃ কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য।**

শ্ৰীদিলীপ শইকীয়াই সুধিছে ঃ

১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২৭ ফেব্ৰুৱাৰীৰ দি চেন্টিনেল কাকতত প্ৰকাশিত দিমান্দ ফৰ ৰিমোভেল অফ ভাইচ চেনচেলৰ শীৰ্ষক বাতৰিত দাবী কৰাৰ দৰে এই জন ভাইচ চেনচেলৰক প্ৰত্যাহাৰ কৰাৰ কথা কিবা বিবেচনা কৰিছেনে ?

(খ) যদি কৰিছে তেতিয়াহলে কিমান দিনৰ ভিতৰত এইজন ভাইচ চেনচেলৰক আসাম এগ্ৰিকাল-চাৰেল ইউনিভাৰ্চিটিৰ পৰা প্ৰত্যাহাৰ কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীনীলমণি দাস (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১। (ক) সাম্প্ৰতিক অসম কৃষি বিশ্ববিদ্যালয়ৰ বিধিত উপাচাৰ্য্যক নিযুক্তি দিয়াৰ বাহিৰে আতৰোৱাৰ কোনো উপাধি সন্নিবিষ্ট হৈ থকা দেখা নাই।

(খ) ওপৰোক্ত 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্নৰ উত্তৰ দিয়া বৰ্ত্তমান পৰিস্থিতি সাপেক্ষে যুগুত হোৱা নাই।

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— এই প্ৰশ্নৰ উত্তৰ আমি আজিহে পাইছো। এইটো আগদিনা বিতৰণ কৰা নহয় নেকি ?

মাননীয় অধ্যক্ষ :— বিতৰণ কৰা হয়, আপুনি পোৱা নাই নেকি ?

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— নাই পোৱা।

মাননীয় অধ্যক্ষ :— এই বিষয়ে চোৱা হব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— এই ক্ষেত্ৰত মই জানিব বিচাৰিছো যে চেন্টিনেল বাতৰি কাকতত কৃষি বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্যৰ বিৰুদ্ধে বহুতো অভিযোগ ওলাইছিল, এই ক্ষেত্ৰত চৰকাৰে কিবা বিহিত ব্যৱস্থা লবনে ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) :— সাম্প্ৰতিক অসম কৃষি বিশ্ব বিদ্যালয়ৰ বিধিত উপাচাৰ্য্যক নিযুক্তি দিয়াৰ বাহিৰে আতৰোৱাৰ কোনো উপবিধি সন্নিবিষ্ট হৈ থকা দেখা নাই।

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— উপবিধিখন সংশোধন কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীনীলমনি দাস (মন্ত্ৰী) :— এই সম্পৰ্কে চিন্তা চৰ্চা কৰি থকা হৈছে।

Mr. speaker:– Now item No. 2, Shri Ganesh Kutum.

শ্ৰীগুনেশ কুটুম ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ৩ মাৰ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "চোৰাং সামগ্ৰী উদ্ধাৰ ঃ ব্যৱসায়ীৰ পলায়ণ" শীৰ্ষক বাৰ্তাবিটোৰ প্ৰতি গৃহ মন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিব খুজিছো যে এই অঞ্চলত বহুত বছৰ আগৰ পৰাই এনে ধৰণৰ সমাজ বিৰোধী কাৰ্য্যকলাপ চলি আছে। বিশেষকৈ বঙাপাবা অঞ্চলত এনে সমাজ বিৰোধী কাৰ্য্যকলাপ দৈনন্দিন ভাবে চলি থকা বুলি কলেও মিছা নহয় আৰু তাত এই চৰকাৰ ক্ষমতালৈ অহাৰ আগতে অধিক ভাবে চোৰাং কাৰবাৰ বিলাকৰ এজেণ্ট একোটা লীলাভূমি হৈ পৰিছিল। সচেতন গণ পৰিষদৰ কৰ্মী সকলে তত্‌পৰতাৰে এই চোৰাং সামগ্ৰী বিলাক সম্পৰ্কত স্থানীয় আৰক্ষী বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছে। কিন্তু তেওঁ- লোকে এই বিষয়ে কোনো ব্যৱস্থা নলৈছিল। বাৰ্তাৰ কাকতত দেখা যায় শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষক জনে জিলা দণ্ডাধীশৰ লগত গৈ চোৰাং সামগ্ৰী উদ্ধাৰ কৰিছিল, যাৰ মূল্য হব ৫ লাখতকৈও অধিক। কিন্তু অতি আচৰিত কথা যে এই ব্যৱসায়ীজনক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হোৱা নাই। পুলিচে তাত হাত মিলাইছে নেকি? এই অঞ্চলত অকল চোৰাং সামগ্ৰীয়েই নহয় বিভিন্ন সমাজ বিৰোধী কাৰ্য্য- কলাপৰ পৰা আদি কৰি তাত অন্যান্য অপকৰ্ম বিলাক চলি আছে। মই গৃহ মন্ত্ৰী মহোদয়ক এই অঞ্চলত এটা নিকা পৰিবেশ গঢ়ি তুলিবলৈ বিহিত ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনাইছো। এই বাৰ্তাবিটোৰ সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা লৈছে এই বিষয়ে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ পদ্ধতি আৰু কাৰ্য্যক্ৰমণিকা পৰিচালনা বিধিৰ ৫৪ ধাৰামতে মাননীয় সদস্য শ্ৰীগণেশ কুটুম ডাঙৰীয়াই ৩।৩।৮৬ তাৰিখৰ দৈনিক কাকতত প্ৰকাশিত "চোৰাং সামগ্ৰী উদ্ধাৰ ব্যৱসায়ীৰ পলায়ণ" শীৰ্ষক বাৰ্তাবিটোৰ প্ৰতি দৃষ্টি আকৰ্ষক প্ৰস্তাৱৰ উত্তৰত সদনৰ জ্ঞাতাৰ্থে মই জনাব খোজো যে উক্ত বাৰ্তাবত শোণিতপুৰ জিলাৰ বঙাপাবা নিবাসী শ্ৰীশম্ভু প্ৰসাদ বাৰ্মা নামৰ ব্যৱসায়ীজনৰ পলায়ণ আৰু তেওঁৰ পৰা চোৰাং মাল উদ্ধাৰৰ বিষয়ে কোৱা হৈছে।

ঘটনাটোৰ সংক্ষিপ্ত বিৱৰণ এনেধৰণৰ— বঙাপাবা আৰক্ষীয়ে যোৱা ১৮।২।৮৬ তাৰিখে বঙাপাবা নাহৰণিৰ শ্ৰীবিৰাজ শইকীয়াৰ পৰা খবৰ পালে যে বঙা পাবাৰ শ্ৰীশম্ভু প্ৰসাদ বাৰ্মাৰ দোকান আৰু গুদামত কিছু চোৰাং মাল লুকাই থোৱা আছে। সেই দিনাই আৰক্ষীয়ে তেজপুৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ পৰা খানা তালাচ পৰোৱানা লৈ শ্ৰীশম্ভু প্ৰসাদ বাৰ্মৰ গুদাম আৰু গোহালি ঘৰ খানা তালাচ কৰে। ১৮।২।৮৬ তাৰিখৰ পৰা এই তালাচী ২০।২।৮৬ তাৰিখলৈ চলে। উক্ত তালাচীত কিছুমান সন্দেহজনক চোৰাং সামগ্ৰী আৰক্ষীয়ে উদ্ধাৰ কৰে। তাৰ ভিতৰত তলত উল্লেখিত সামগ্ৰীবোৰ আৰক্ষীয়ে জব্দ কৰে—

১। লোহাৰ ৰড ২।ভল্টেজ ষ্টেবিলাইজাৰ ৩। ট্ৰেন্সফৰমাৰ (সৰু) ৪। অয়ল চাৰ্কিট ব্ৰেকাৰ ৫। চকেট (সৰু আৰু ডাঙৰ) ৬। ৰং ৭। এলোমিনিয়াম টাৱ ৮। জি, আই, পাইপ ৯। এয়াৰ কুলাৰ ১০। লোহাৰ জাল ১১। তীন পাট (১২ খন) ১২। ইলেক্ট্ৰিক মটৰ ১৩। পেট্ৰোল ২৯০ লিটাৰ ১৪। ডিজেল ৬০ লিটাৰ ১৫। মবিল অয়ল (২১০ লিটাৰ)।

এই সংক্ৰান্তত বঙাপাবা আৰক্ষী থানাৰ উপ-পৰিদৰ্শক শ্ৰীপি, কে, ৰয়ে দাখিল কৰা আপত্তি দৰ্খাস্তৰ ওপৰত অত্যাৱশ্যকীয় সামগ্ৰী আইনৰ ৭ ধাৰা মতে বঙাপাবা আৰক্ষী থানাত ৫৬/৮৬ নং গোচৰ পঞ্জভুক্ত কৰা হয়, যোৱা ২০।২।৮৬ তাৰিখে এই সংক্ৰান্তত শম্ভুনাথ নাৰায়াৰ নামৰ শ্ৰীশম্ভু প্ৰসাদ বাৰ্মাৰ মুনিবক পুলিচে আটক কৰি ২১।২।৮৬ তাৰিখে তেজপুৰ আদালতলৈ প্ৰেৰণ কৰে।

শ্ৰীদেৱী প্ৰসাদ বাৰ্মাৰ পুত্ৰ শ্ৰীশম্ভু প্ৰসাস বাৰ্মাক যোৱা ৩।৩।৮৬ তাৰিখে আটক কৰে আৰু তেজপুৰ জিলাৰ ন্যায়াধীশৰ আদেশক্ৰমে উক্ত দেৱী প্ৰসাদ বাৰ্মাক জামিনত মুক্তি দিয়া হয়। শ্ৰীশম্ভু প্ৰসাদ বাৰ্মাই যোৱা ২০।২।৮৬ তাৰিখৰ পৰা ফেৰাৰ হৈ আছিল কাৰণে আৰক্ষীয়ে আগতে তেওঁক আটক কৰিব পৰা নাছিল।

গোচৰটো বৰ্ত্তমান আৰক্ষী বিভাগৰ তত্বাধীন হৈ আছে।

Mr. SPEAKER :—Now, General discussion on Budget. I request Hon'ble Member, Shri Charan Narzary to continue his speech as it was not completed yesterday.

Shri CHARAN NARZARY :—Mr. Speaker Sir, yesterday I said that the Hon'able Chief Minister and his colleagues should immediately sit with the leaders of the Bodo Sahitya Sabha to sort out the serious issues so that any confrontation in near future can be avoided. I do not want to elaborate the issues here. But I want to speak something about the employment of the Scheduled Tribes. There is a profound sense of deprivation, injustice and illtreatment in the minds of the tribals. The experience show that there is no protection at all for the tribal officers and other employe s. Whenever the question of any tribal officer or employee comes up, I find that they are being deprived of their due on flimsy grounds. It is very often said that tribal officers are not expert, inefficient for their promotion. I do not want to elaborate the number of tribal officers whose numbers are very small and we have seen that quite a good number of them are very very efficient tribal officers. And they are never put into executive jobs, and many of them, as a result, are rotting in some useless Departments. So, I hope, the Hon'ble Chief Minister will look into this aspect of the problem. The other day, my hon'ble friend Shri Abdul Muhib Mazumdar, said about one thing in that some unseen forces are at work to disintegrate the State and the process of disintegration of the State has to stop. Right, but then the demand for some administrative units is borne out of the accumulation of grievances, serious grievances, so to say. So far as we are concerned, the demand for Udayachal is there and the word 'Udayachal' is very very shocking to many people, even to many honourable members of this August House. We are concerned on this, because, you are not able to solve the problems of the Plains tribals. The Plains tribals are the aboriginal people, the Bodos are there, the Michings, Kacharies, the Lalungs, the Rabhas, the Mikirs, the Dimachas are there so on and so forth. As these are aboriginal ethnic groups, they want to survive because of their distinct identities. They have their distinct language, culture, customs and a way of life that is best in them. But when they find that it is very difficult to flourish with the distinctive identity, naturally the resentment comes.

So, this is how such demand comes up. Ths concept of Udayachal is the cry today being made by the Bodos only, but in near future it will be appreciated by all. If the State of Assam is further disintegrated, I personally do not find anything wrong in it, because so many tiny States are there in India, like Goa, Daman, Pandicherry etc. What is necessary is that the larger Assamese section should realise it. I don't want to elaborate all these points. Sir, the only remedy is to find out solution of the burning problems of the tribals they have their burning problems like problems of landlessness, the problem of encroachers in the forests, the problem of their education, the problem of their employment in various services of the Government, the problem of their promotion the problem of implementation of the amended provision of Chapter 10 of Assam Land Revenue Manual. These are some of the burning problems of the people which it Government can take bold steps can be solved. Secondly peace, harmony and amity can prevail in the society, in the State if this section of the community is happy. It is not a matter to be laughed at or it is not a matter to be undermined. These are serious matters and they should be looked into in right perspective. Remedy lies only on solution of the problems and I hope the new Government being a regional party in the State will be able to chalk out or evolve a concrete formula to solve all these problems to ensure security of life and property of the people in general and plains tribals in particular. I do not want to prolong my speech here. My people have become rather more restive and this should be borne in mind so that the problems can be sorted out through mutual discussion, negotiations. As I raised in the last session also a demand for Udayachal which of course does not relate to the Government of Assam, it relates to Central Government is the only solution to the problems of tribals. I do not think, the State Government can give any other alternative to this. Wiih these few words, I conclude. I thank you very much for giving me this opportunity. Probably my time is over by now.

শ্ৰীময়িদুল ইছলাম বৰা :— মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মই আপোনাৰ জৰিয়তে আমাৰ অসম গণ পৰিষদৰ নতুন মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। ধন্যবাদ জনাইছো এই কাৰণেই যে তেখেতে এই সদনত যিখন ঘাটি বাজেট দাখিল কৰিছে তথাপিও তাৰ জৰিয়তে এই দলৰ চৰকাৰে এখন সুস্থ সবল আৰু নিকা চৰকাৰ প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰিছে। এই চৰকাৰে জনসাধাৰণৰ কল্যান

আৰু উন্নয়ন মূলক আঁচনি সমূহ ৰূপায়ন কৰিবলৈ স্থিৰ কৰিছে যাৰ কাৰণে অসমৰ সকলো ৰাইজৰে সমানে উন্নতি সাধন কৰিব পৰা হয়। বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীমুহিৰ মজুমদাৰ ডাঙৰীয়াই এই বাজেট খনক কোনো ধৰণৰ কৰ-কাটল নলগোৱা বাজেট কাৰণে এই চৰকাৰৰ কোনো নতুন উন্নয়ন মূলক আঁচনি নাই বুলি অভিযোগ কৰিছে। কিন্তু আমি ভাবো যে কোনো নতুন কৰ-কাটল ৰাইজৰ ওপৰত জাপি দিয়া হোৱা নাই যদিও এই বাজেট খনে অসমৰ সকলো দিশতে উন্নয়ন সাধন কৰিব পাৰিব।

অধ্যক্ষ মহোদয়, অসমৰ শতকৰা আশীভাগ লোক কৃষিজীৱী। কৃষিৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিবোৰ আঁচনি হাতত লৈছে সেইটো সচাকৈয়ে অতি প্ৰসংসনীয় হৈছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে চাউলৰ উৎপাদন বঢ়োৱাৰ কাৰণে এটা বিশেষ চাউল উৎপাদন গোট স্থাপন কৰা হব আৰু কৃষকক প্ৰমানিত বীজ যোগান ধৰিবৰ কাৰণে এটা বীজ প্ৰমানিত কৰণ আঁচনিও হাতত লোৱা হব। এই দুয়োটা আঁচনি যদি আমি ঠিকমতে ৰূপায়ন কৰিব পাৰো তেনেহলে অসমৰ অৰ্থনৈতিক অৱস্থা আগতকৈ বহুত উন্নত হব। এইখিনিতে মই চৰকাৰক এটা কথাৰ প্ৰতি দৃষ্টি গোচৰ কৰো যে আমাৰ যিটো কৃষি বিভাগ সেই বিভাগটো আগতকৈ অধিক কাৰ্য্যক্ষম কৰি তুলিব লাগে। এই বিভাগৰ অধীনত যি দুটা— 'অসম চীড কৰ্পোৰেশ্যন আৰু অসম এগ্ৰো ইন্দাষ্ট্ৰিজ ডেভেলেপমেণ্ট কৰ্পোৰেশ্যন' আছে সেই দুয়োটা পুনৰ গঠন কৰিব লাগে। এইটো কৰিলে এই বিভাগৰ কামবোৰ সম্পাদন কৰাত অধিক সুবিধা হব আৰু তাৰ পৰা ৰাইজ উপকৃত হব। ইয়াৰ বাহিৰেও আমাৰ আঁচনি সমূহ ৰূপায়ন কৰাত ৰাজ্যিক পৰ্য্যায়ত কাৰ্য্যসূচী হাতত নলৈ জিলা আৰু অসম এগ্ৰোইন্দাষ্ট্ৰিজ ডেভেলপমেণ্ট কৰ্পোৰেশ্যন ৰাজিক পৰ্য্যায় কাৰ্য্যসূচী হাতত নলৈ জিলা আৰু মহকুমা ভিত্তিতহে কাৰ্য্যসূচীবোৰ হাতত লব লাগে। জিলা মহকুমা ভিত্তিত কাৰ্য্যসূচী ললেহে আমি দুখীয়া ৰাইজৰ কাষ চাপি যাব পাৰিম আৰু তেতিয়াহে চৰকাৰৰ আঁচনিবোৰৰ পৰা ৰাইজ উপকৃত হব পাৰিব।

অধ্যক্ষ মহোদয় আমাৰ ৰাজ্যখন জনজাতি, অনুসূচিত জাতিকে আদি কৰি বিভিন্ন গোষ্ঠী আৰু ভাষা ভাষীৰ লোক বসবাস কৰি আছে। সেই কাৰণে এই আটাইবোৰ মানুহৰে উন্নতি সাধন কৰিব পৰাকৈ আমি আঁচনি প্ৰস্তুত কৰিব লাগে। মাননীয় সদস্য শ্ৰীচৰণ নাৰ্জাৰি দেৱে এই জনজাতি আৰু অনুসূচীত জাতীৰ বিষয়ে ইতিমধ্যে বহলাই কৈছে।

তেখেতে জনজাতিৰ উন্নয়ণৰ কথাৰ লগত অৱশ্য আৰু এটা কথা কৈছে যে চৰকাৰে জনজাতীয় বিষয়াসকলৰ উন্নতিৰ অৰ্থে বা প্ৰমোচনৰ ক্ষেত্ৰত সদায় দিপ্ৰাইভ কৰি আহিছে। এই ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰ দায়ী নহয়। অসম গণ পৰিষদ চৰকাৰে আগতে ঘোষণা কৰিছে যে জাতি ধৰ্ম নিৰ্বিশেষে এখন সুন্দৰ অসম তৈয়াৰ কৰিবলৈ অসম গণ পৰিষদ চৰকাৰ দৃঢ় সংকল্প। গতিকে অসমৰ সৰ্বাঙ্গীন উন্নয়ণৰ হকে সকলো শ্ৰেণীৰ মানুহৰ শান্তি, সংহতি আৰু বিকাশৰ বাবে আমাৰ চৰকাৰে সদায় প্ৰচেষ্টা হাতত লব। তাৰ পিচত প্ৰাকৃতিক দুৰ্য্যোগৰ কথা কৈছে। এই প্ৰাকৃতিক দুৰ্য্যোগৰ সাহায্যৰ বাবে ভালেমান টকা ব্যয় কৰিব লগা হয়। অসমৰ নিচিনা এখন দুখীয়া ৰাজ্যত প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে খৰচ কৰিব লগা হোৱাটো এটা গধূৰ বোজা। প্ৰাকৃতিক দুৰ্য্যোগত অসমত প্ৰতি বছৰে লাখ লাখ মানুহ গৃহহীন হৈ পৰে আৰু প্ৰচুৰ খাদ্য নষ্ট হয়। এতেকে মই ভাবো আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক গোটেইখিনি খৰচ বহন নকৰিলেও অন্তত ৯০ শতাংশ খৰচ বহন কৰিবলৈ মান্তি কৰাব লাগে। আশা ৰাখিছো মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ত বহলভাবে আলোচনা কৰিব।

আমাৰ উদ্যোগৰ ক্ষেত্ৰত বাজেটত উল্লেখ কৰিছে যে— "কুৰিদফা আঁচনিৰ অধীনত ১৯৮৫-৮৬ চনত ১১০০ টা ক্ষুদ্ৰ উদ্যোগ গোট পতাৰ লক্ষ্য বান্ধি লোৱা হৈছিল। এই লক্ষ্য চেৰাই যাব পৰা হব বুলি অশা কৰা হৈছে। 'ই অতি প্ৰশংসনীয়। লগতে ১৯৮৬-৮৭ চনৰ বাবে ৭৫০০ জনৰ ওপৰঞ্চি নিয়োগৰ বাট মোকলাব পৰাকৈ ১২০০ টা ক্ষুদ্ৰ গোট স্থাপনৰ লক্ষ্য লোৱা হৈছে।' 'ই অতি প্ৰসংশনীয় হৈছে।

বিজুলী যোগানৰ ক্ষেত্ৰত "১৯৮৫-৮৬ চনত ৰাজ্যখনত বিজুলী যোগানৰ সামগ্ৰীক পৰিস্থিতি বৰ সন্তোষজনক হোৱা নাই।" গণ পৰিষদ চৰকাৰ অহাৰ পিছত বিজুলী যোগান কিছু সন্তোষজনক

অৱস্হালৈ আহিছে। মূখ্যমন্ত্ৰীয়ে ইয়াত উল্লেখ কৰিছে যে ১৯৮৫-৮৬ চনত ৰাজ্যখনত বিজুলী যোগান পৰিস্হিতি সন্তোষজনক হোৱা নাছিল— যাৰ বাবে সময়ে সময়ে জৰুৰী সেৱা ব্যাহত হৈছিল। যেনে চিকিৎসাৰ ক্ষেত্ৰত বেমাৰীৰ বাবে অসুবিধা হৈছিল, যেনে বাতৰি কাকত ওলোৱাত বাধা পৰিছিল। গতিকে বিজুলী যোগানৰ অৱস্হা ১৯৮৫-৮৬ চনত উন্নত নাছিল। কিন্তু এতিয়া আমাৰ চৰকাৰে বিজুলী যোগান পৰিস্হিতি যাতে সন্তোষজনক হয় তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্হা হাতত লৈছে। ইতিমধ্যে আজি বাতৰি কাকতত প্ৰকাশ হৈছে যে ২২০ কে ভি চাৰ্কিট টাৱাৰ বহুওৱাৰ ব্যৱস্হা কৰিছে অসম বিদ্যুৎ পৰিষদৰ তৰফৰ পৰা। আমাৰ পদক্ষেপ অতি প্ৰশংসনীয়।

শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে 'প্ৰাথমিক পৰ্য্যায়ৰ স্কুলসমূহত ছয় বছৰৰ পৰা তেৰ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পাঠ্যপুথি আৰু স্কুলীয়া ইউনিফৰ্ম্ম যতনাই দিবলৈ চৰকাৰে প্ৰস্তাৱ কৰিছে।' ইতিমধ্যে খেলা-ধূলাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট ব্যৱস্হা কৰিছে। খেলা-ধূলাৰ বিকাশ আৰু সংগীত, নাট, নৃত্য আৰু চাৰুকলাৰ ক্ষেত্ৰত উৎকৰ্ষ বঢ়াবৰ বাবেও চৰকাৰ আগ্ৰহী। ৰাজ্যখনৰ ১০০ খন উচ্চ বিদ্যালয়ত টেবুল টেনিচ খেলাৰ সুবিধা দিবলৈ প্ৰস্তাৱ অসম গণ পৰিষদ চৰকাৰে কৰিছে। লগতে আমাৰ বাজেট বক্তৃতাৰ ১৩ নং দফাত সন্নিবিষ্ট কেইটামান আচঁনিৰ বিষয়ে জানি সুখী হৈছো। গঞা দুখীয়া ৰাইজৰ অৱস্হা উন্নত কৰিবলৈ সংহত গ্ৰাম্য বিকাশ আঁচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনিৰ, গঞা মাটিহীনৰ নিয়োগৰ নিয়োগ নিশ্চিতকৰণ আচঁনি, জৈৱ গেচ বিকাশৰ প্ৰকল্প আৰু কৃষি উৎপাদন বঢ়াবৰ বাবে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক সাহাৰ্য দিয়াৰ প্ৰকল্প। এই আঁচনিসমূহ সৰ্বভাৰতীয় আঁচনি আৰু কৰ্বি দফীয়া আঁচনিৰ ভিতৰত। অৱশ্য এই আচঁনিসমূহক কৃষি দফীয়া আচঁনি বুলি কোৱা হোৱা নাই। এই আচঁনি সমূহ কৃষিদফীয়া আচঁনিৰ অন্তৰ্গত বুলি বিবেচনা কৰো। দুই এগৰাকী সদস্যই ইয়াত কৃষি দকুীয়া আঁচনিৰ কথা নাই বুলি কোৱাটো দুৰ্ভাগ্যজনক। এই খিনিতে মই এটা কথা উনুকিয়াব বিচাৰিছো য়ে ১৯৮৬-৮৭ চনৰ বছৰটোৰ বাবে মুঠ পাচ শ কোটি টকা ধাৰ্য্য কৰা হৈছে। তাৰ ভিতৰত ৪৬৫ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু বাকী ৩৫ কোটি টকা পাৰ্বত্য অঞ্চলৰ উন্নয়নৰ কাৰণে ধাৰ্য্য কৰিছে। এই পৰিমাণ ১৯৮৫-৮৬ চনতকৈ ২২ শতাংশ বেছি। এইটো অতি প্ৰশংসনীয় বুলি মই ভাবো। এই টকা পৰিকল্পিত ভাবে সকলো ৰাইজৰ উন্নতিৰ হকে সময়মতে খৰচ কৰি ৰাইজৰ কল্যাণ সাধন কৰিব।

বনবিভাগৰ সম্পৰ্কত কোৱা হৈছে যে পূৰ্বৰ চৰকাৰে যি ধৰণে গছ কাটি সাং কৰিলে আমাৰ চৰকাৰে তাক বন্ধ কৰিব। বন বিভাগৰ দুনীৰ্তিৰ সম্পৰ্কত বিভিন্ন কাকতত ওলাইছে। যোৱা কালি এই সদনত প্ৰশ্ন হৈছে আৰু আপোনালোকে নিশ্চয় গম পাইছে যে বন বিভাগত এনেকুৱা এটা অৱস্হা কৰি দিলে যে পূৰ্বৰ চৰকাৰে বিষয়াৰ লগত লগ লাগি গোটেই বন নোহোৱা কৰিলে। গছ বুৱাৰ নামত কোটি কোটি টকা আত্মসাৎ কৰিলে। ই অতি দুভাৰ্গ্যজনক যে প্ৰাকৃতিক সম্পদ শেষ হৈ যাব আৰু যিটো এটা ডাঙৰ অপৰাধ বুলি ভাবো। অসম এনেকুৱা এখন দেশ যলৈ বিভিন্ন ঠাইৰ পৰা, ৰাজ্যৰ পৰা, বিদেশৰ পৰা মানুহ আহে চিনেমাৰ চুটিং লবৰ কাৰণে। আজি এইখন দেশৰ জংঘল শেষ কৰি দিছে, ই অতি দুখ লগা কথা। বন বিভাগক সজীৱ কৰি তুলিবলৈ, বন বিভাগৰ পৰা দুনীৰ্তি গোচাৰৰ কাৰণে ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে ব্যৱস্হা গ্ৰহণ কৰিছে। ইয়াৰ লগতে চুক্তি ৰূপায়ণৰ কথা কৈছে। এইটো আজি আমাৰ চৰকাৰৰ প্ৰথম প্ৰয়াস। এই চুক্তি সম্পন্ন কৰিবলৈ যাওঁতে দুই এক মাননীয় সদস্যই কৈছে যে কিছু লোকৰ শংকা বোধ কৰিছে। বিশেষকৈ মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই কৈছে। মই তেখেতক কৰ বিচাৰিছো যে চুক্তি সম্পন্ন কৰিবলৈ যাওঁতে চৰকাৰে কোনো জাতি ধৰ্ম্মৰ কথা চিন্তা কৰিবলৈ নাযায় আৰু আমাৰ চৰকাৰে তেনে কোনো ব্যৱস্হা হাতত নলয়। তেনে ধৰণৰ কিবা কথা থাকিলে চৰকাৰে বিবেচনা কৰিব।

আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা ডাঙৰ কথা কৈছে বাজেটৰ শেষৰ ফালে যে এতিয়ালৈকে পাই অহা সহযোগিতাৰ বাবে চৰকাৰে সকলোলৈকে কৃতজ্ঞতা যাচিছে। সেই সহযোগিতাৰেই অনুপ্ৰাণিত হৈ আমাৰ সন্মুখত থকা মহান দায়িত্বক সফল কৰি তোলাত সহায়ৰ হাত আগবঢ়াবৰ বাবে এই পৱিত্ৰ ভূমিৰ

প্ৰতিজন বাসিন্দাকে মই গোহাৰি জনাইছো। এই কথাটো আমি অতি আন্তৰিকতাৰে আৰু সহানুভূতিৰে সৈতে সকলোৰে লব লাগিব, যিহেতু আমি সোণৰ অসম গঢ়িবলৈ আজি প্ৰতিশ্ৰুতিবদ্ধ। আৰু এটা কথা আমাৰ বিৰোধী পক্ষত থকা সদস্য সকলেও এই ক্ষেত্ৰত আমাক সহায় কৰিব লাগিব। এই ক্ষেত্ৰত অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমূলক কাম-কাজ, মই এই খিনিতে এটা উদাহৰণ দিব খুজিছো যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিটো মন্ত্ৰী দপ্তৰৰ লগত একোখনকৈ পৰামৰ্শদাতা কমিটী থাকে। এই কমিটী বিলাকত নিৰ্বাচিত সকলো ৰাজনৈতিক দলৰ পৰা সদস্য লোৱা হয়। এই কমিটীসমূহৰ পৰা সুবিধা এয়ে যে চৰকাৰে সময়ে সময়ে লোৱা বিভিন্ন উন্নয়নমূলক কাম বিলাকৰ বিষয়ে আলোচনা কৰি সকলোৰে মতামত শুনে আৰু পৰামৰ্শ আদিও বিনময় কৰিব পাৰে। গণতান্ত্ৰিক পদ্ধতিত এই মতামত বিনিময়ৰ সুবিধা অতি প্ৰশংসনীয়। মই ভাবো আমাৰ চৰকাৰেও এনে কিছুমান কমিটী গঠন কৰাৰ চিন্তা কৰিব আৰু আগ ভাগ লব। মই আৰু বিশেষ নকওঁ মাত্ৰ বৰ্ত্তমান সঘনে উল্লেখ কৰি থকা আইন শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে এটা কথা উল্লেখ কৰিব খুজিছোঁ। এই ক্ষেত্ৰত আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীওচমানি ডাঙৰীয়াই আমাৰ চৰকাৰক দোষাৰোপ কৰি কৈছে যে এতিয়া আইন শৃংখলাৰ পৰিস্থিতি অতি বেয়া। লগতে আৰু দুই এজন সদস্যইও এই কথা কৈছে। এইখিনিতে মই কব বিচাৰিছোঁ যে আইন শৃখলাৰ সামগ্ৰীক পৰিস্থিতি অ'ত ত'ত ঘটা দুই এটা ঘটনাৰ পৰাই নিৰ্ণয় কৰিব নালাগে। সৰু সুৰা দুই এটা ঘটনা নোহোৱা নহয়, এনেবোৰ ঘটনা অতি দুৰ্ভাগ্যজনক। এইটো আমিও কও। কিন্তু মাননীয় সদস্য শ্ৰীওচমানি ডাঙৰীয়াই আমাৰ চৰকাৰক দোষাৰোপ কৰি প্ৰায় সাৱধান বাণী শুনুৱাৰ দৰে কথা কৈছে, এইটোত আমি দুখ পাইছো। মই তেখেতক অনুৰোধ কৰিছো যাতে আইন শৃংখলাকে ধৰি সকলোধৰণৰ উন্নয়ন মূলক কামত তেখেতসকলে যেন আমাক সহায় সহযোগিতা কৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও এই আহবান ৰাখিছে। যোৱা তিনি বছৰে অসমত যি ঘটনা ঘটিল যি নৃশংস হত্যাকান্ড হল সিয়ে অসমৰ ইতিহাসত কলঙ্কিত অধ্যায়ৰ ৰচনা কৰিলে।

সদৌ শেষত মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এখন সুন্দৰ আৰু নিকা বাজেট এই পবিত্ৰ সদনত দাঙি ধৰাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগুনীন হাজৰিকা :— অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা জানিব বিচাৰিছো যে আমাৰ সদনৰ বিৰোধী পক্ষৰ দলপতি আৰু সচেতকক ইয়াত ৰাখি থৈ বাকী সকলে 'ওৱাক আউট' কৰিছে নেকি ?

Mr. CHAIRMAN:—It is immetarial. It does not matter.

শ্ৰীদুৰ্গাদাস বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১৯৮৬-৮৭ চনৰ যি খন বাজেট সেই খন আমাৰ বাজেট অধিবেশনৰ প্ৰথম দিনটোতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পাঠকৰি দিছে। এই বাজেটখন এখন সকলো দিশ সামৰি লোৱা বাজেট হৈছে। এই কথাটো ইতিমধ্যেই সদনত বহুকেইজন চৰকাৰী পক্ষৰ সদস্যৰ লগতে বিৰোধী পক্ষৰ সদস্যই আওপকীয়াকৈ হলেও স্বীকাৰ কৰি লৈছে। ময়ো এজন চৰকাৰী পক্ষৰ সদস্য হিচাপে বাজেটখনক সকলোদিশ সামৰি লোৱা বাজেট বুলি বিবেচনা কৰিছো। বাজেট বক্তৃতাৰ ২ নং এটা লাইন দিয়া আছে যে এখন সুস্থিৰ আৰু নিকা লগতে সুদৃঢ় চৰকাৰ গঢ়ি তোলা হব। লগতে এই চৰকাৰে জাতি, ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোৰে হকে কাম কৰিব। এই লাইনটো কোৱাৰ পিচতো বাজেটত থাকি যোৱা বিষয় খিনিৰ কথা চিন্তা কৰিব লগীয়া নাই কাৰণ এই লাইনটোতে সকলোখিনি বাকী থকা কথা সন্নিবিষ্ট হৈ গৈছে। বাজেটখন এতিয়া সমালোচনাৰ বাবে সদনত এৰি দিয়া হৈছে। মই এই সমালোচনাত ভাগ লৈ দুই এটা কথা কব খুজিছো, অৱশ্যে বাজেটত থকা গোটেইবোৰ দিশ সামৰি লব খোজা নাই। সকলো দিশৰ ওপৰত কবলৈ গলে আমাৰ চৰকাৰী পক্ষৰ বাবে থকা গোটেইখিনি সময় কৈয়ো শেষ কৰিব নোৱাৰিম।

তথাপিতো মই প্ৰথমতে উদ্যোগৰ ওপৰতে দুই এষাৰ কব খুজিছো। অহা বছৰৰ কাৰণে যি উদ্যোগ নীতি গ্ৰহণ কৰিব বিচৰা হৈছে, এই নীতি ফলপ্ৰসূ হোৱাৰ ওপৰতে উদ্যোগ নীতি গ্ৰহণ কৰাৰ কৃতকাৰ্য্যতাৰ প্ৰতিফলন হব। এই ক্ষেত্ৰত অৱশ্যে ইতিমধ্যে দুমাহৰ ভিতৰতে বন্ধ হৈ থকা মৰাগাট

কলটো পুনৰ মুকলি কৰি দি ১৯৮৬ চনৰ ১ জানুৱাৰীত, উদ্যোগৰ ক্ষেত্ৰত এক উল্লেখযোগ্য দিশ বুলি পৰিগনিত হৈছে। স্বাধীনতাৰ ৩৮ বছৰৰ পিচতো ভাৰত চৰকাৰৰ লগে লগে বিগত অসম চৰকাৰেও গঢ়ি উঠা উদ্যোগ বোৰক পয়ালগা অৱস্হাত পৰিণত কৰিলে। অসমত এই পয়ালগা উদ্যোগনীতিক প্ৰথমতেই ঠন ধৰি তোলাবলৈ আমাৰ উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে যি প্ৰচেষ্টা হাতত লৈছে তাক নশলাগি নোৱাৰিলো। অৱশ্যে তাত বাকী বৈ যোৱা খিনিৰ বিষয়ত মই আমাৰ উদ্যোগ মন্ত্ৰীক এটা পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ অসমত যিবোৰ উদ্যোগ গঢ়ি উঠিছে সেই বোৰত কিছুমান টেকনিকেল বিষয়ৰ চাকৰি আছে। এই চাকৰি বিলাকত থলুৱা প্ৰাৰ্থী নিয়োগ কৰা হোৱা নাই। ইয়াৰ কাৰণ হল আমাৰ তেনে উপযুক্ত প্ৰাৰ্থী নাই। মই উদ্যোগ মন্ত্ৰী মহোদয়ক এইখিনিতে কৈ থব বিচাৰিছো যে আমাৰ যিবিলাক উদ্যোগ গঢ়ি উঠে সেই বিলাক গঢ়াৰ আগতে সেই উদ্যোগত যি কেইটা টেকনিকেল পোষ্ট থাকে সেই কিটাৰ কাৰণে আগতেই থলুৱা প্ৰাৰ্থীক ট্ৰেইনিং দি অনাৰ ব্যৱস্হা কৰে যেন। আমাৰ নিবনুৱা সমস্যাক আগত ৰাখি যি উদ্যোগ নীতি গ্ৰহণ কৰিছে সেইটো অতি প্ৰশংসনীয় হৈছে।

দ্বিতীয়তে মই শিক্ষা বিভাগৰ ক্ষেত্ৰত দুষাৰ কব বিচাৰিছো। অৱশ্যে শিক্ষা মন্ত্ৰী এতিয়া সদনত নাই, তথাপিও কৈছো যে আমাৰ এনে কিছু স্কুল আছে যত ওপৰত চাল নাই, বহিবলৈ বেঞ্চ নাই এনে ক্ষেত্ৰত সাজ-পাৰৰ কথাটো অলপ মোৰে' বিসঙ্গতি যেন লাগিছে। এই কথা দুই এজন বিৰোধী পক্ষৰ সদস্যও কৈ গৈছে। একেটা কোঠাতে ৪—৫ টাকৈ শ্ৰেণী কৰিব লগীয়া হৈছে আৰু সেই হিচাপত স্কুল বোৰত প্ৰায়ে শিক্ষক নাথাকে। গতিকে এইবোৰ পূৰণ কৰাৰ কথাহে আগতে বিবেচনা কৰিব লাগিছিল।

বন বিভাগৰ কথাও অলপ আগতে কোৱা হৈছে, এই বিভাগটোও বৰ্ত্তমান মুখ্যমন্ত্ৰী মহোদয়ৰ হাততে আছে। এই বিষয়ে মই দুটামান কথা কবলৈ ওলাইছো। অৱশ্যে গোটেইবোৰ দিশ সামৰি গোটেইবোৰ কথা কবলৈ বিচৰা নাই কাৰণ তেতিয়া হলে সময় বহুতো লাগিব। বন সংৰক্ষনৰ প্ৰথম ব্যৱস্হা হিচাপে চৰকাৰে এতিয়ালৈ তাত কাঠ কাটিবলৈ অনুমতি দিয়া নাই। এইটো বিগত চৰকাৰৰ মানুহৰ কাৰণে অলপ বেয়া কথা হৈছে আৰু দেশ গঢ়িবলৈ লোৱা মানুহৰ কাৰণে ভাল কথা হৈছে। মই এটা কথা কব খুজিছো যে যি বিলাকত এটা এটা 'ৰেঞ্জ' আছে তাত এজন ৰেঞ্জাৰ থাকে। তেওঁৰ তলত কেবাজনো বিট অফিচাৰ বা ফৰেষ্টাৰ থাকে। এই ফৰেষ্টাৰ বা অফিচাৰ সকলৰ হাতত মই উদাহৰণেৰে সৈতে কব পাৰো যে তেওঁলোকে নিজে জংঘল কাটি বিচাৰি উলিয়াই লোৱা লাঠিদালৰ বাহিৰে আত্মৰক্ষাৰ বাবে একো অস্ত্ৰই নাথাকে। সেই বাবে মই মন্ত্ৰী মহোদয়ক এই পৰামৰ্শ দিব খুজিছো যে অন্ততঃ ন্যূনতম আত্মৰক্ষাৰ উপায় হিচাপে তেওঁলোকক অন্ততঃ বন্দুক বাৰুদ আদি দিয়াৰ ব্যৱস্হা কৰে যেন।

মাননীয় চেয়াৰমেন মহোদয়, ফৰেষ্টৰ গছবিলাক কাটি লৈ যায়। এই বিষয়ে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু বিভাগীয় চি, চি, এফ, ক ব্যৱস্হা হাতত লবলৈ অনুৰোধ কৰিছো। নিয়োগৰ ক্ষেত্ৰত অলপ আগতে মাননীয় সদস্য এগৰাকীয়ে বৰ জোৰেৰে কৈ গৈছে। তেখেত বৰ্ত্তমান অধ্যক্ষ মহোদয়ৰ আসনতে বহি আছে। মাননীয় সদস্য গৰাকীয়ে জনজাতি সকলৰ নিয়োগৰ ক্ষেত্ৰত উচিত কথাকে কৈছে। কিন্তু নিয়োগৰ ক্ষেত্ৰত অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ ক্ষেত্ৰত অসমত যিবিলাক অফিচ আছে তাত ৰেক লগ আছে। সেই ৰেক লগখিনি যাতে পূৰণ কৰা হয়। নিয়োগৰ ক্ষেত্ৰত ব্যৱস্হা ললে ভাল হয়। আজি নিয়োগৰ ক্ষেত্ৰত গোটেই ভাৰততে সমস্যা হৈ পৰিছে। যিমান চাকৰি ওলায় তাৰ তুলনাত অশিক্ষিত, অৰ্দ্ধশিক্ষিত, নিবনুৱা বেছি ওলায়। এই ক্ষেত্ৰত বাজেটখনত এটা প্ৰচেষ্টাৰ বাবে এক বলিষ্ঠ পদক্ষেপ লৈছে। তাৰ কাৰণে বিৰোধী পক্ষৰ সদস্য সকলে এই বাজেটৰ বিভিন্ন শিতানৰ লগতে নিয়োগৰ শিতানটোও সমৰ্থন কৰিব বুলি আশা ৰাখিছো। ইয়াৰ আগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি বিৰ্তক চলিছিল তেতিয়া এটা উত্তৰ দিয়া হৈছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ পাচত যেতিয়া ভাৰতবৰ্ষ স্বাধীন হৈছিল তেতিয়া পঞ্চ বাৰ্ষিক পৰিকল্পনাত বৃহৎ উদ্যোগ বিলাক প্ৰাধান্য দিয়া হল। আমাৰ অসমতো উদ্যোগৰ উন্নতিৰ কাৰণে চেষ্টা কৰা হৈছে। নিয়োগৰ ক্ষেত্ৰত কিছুমান বৈষম্যই দেখা দিছে। উদ্যোগৰ ক্ষেত্ৰত বৈষম্য বিলাক আতৰোৱাৰ চেষ্টা কৰিবলৈ লোৱাৰ কাৰণে ধন্যবাদ জনাইছো। প্ৰাকৃতিক দুযোগৰ ক্ষেত্ৰত সাহায্য দিয়া হয়। অৱশ্যে বৰ্ত্তমানৰ চৰকাৰ অহাৰ পৰা তেনেকুৱা

ডাঙৰ প্ৰাকৃতিক দুৰ্যোগ আহি পৰা নাই। এই যি সাহায্য দিয়া হয় এই পৰিকল্পনাত দুখঃজনক ভাবে সাহায্য একেবাৰে কম। সাহায্য পোৱা বহুত লাখ টকা বিনষ্ট হয়। এখন গাওঁত মিনিমাম সাহায্য দিয়া হয়। যি সাহায্য পোৱা হয় সেইটো ৰাইজৰ কাৰণে নগন্য। অৱশ্যে আগতে যি নিৰ্দ্ধাৰণ কৰা হৈছিল তেতিয়া বস্তু বাহানিৰ দাম কম আছিল। সাহায্যৰ বাবে দিয়া বস্তুৰ পৰিমাণৰ হিচাপটো বেছি কৰিবলৈ চেষ্টা কৰিব লাগে। প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে অৱশ্যে কোনেও দোষী নহয়। চৰকাৰেও নহয়, ৰাইজেও নহয়। প্ৰাকৃতিক দুৰ্যোগে প্ৰতি বছৰে আলোড়নৰ সৃষ্টি কৰি আহিছে। ইয়াৰ বাবে ব্ৰহ্মপুত্ৰ নদীয়ে অলপ দায়ী বুলি কব লাগিব। ব্ৰহ্মপুত্ৰ নদী খন্দাৰ কাৰণে বুল দেজাৰ অনা বুলি আমি ছাত্ৰাৱস্থাতে শুনিছিলো। এই বিষয়ে বাৰ্তাৰ কাকততো ওলাইছিল। এতিয়া সেই যন্ত্ৰবোৰ কি কৰিছে কব নোৱাৰো— বিক্ৰীয়ে কৰিছে নে ফিৰাইয়ে দিছে। গতিকে প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ কিছু পৰিমাণে হলেও ব্ৰহ্মপুত্ৰ নদী দায়ী। প্ৰাকৃতিক দুৰ্যোগ বন্ধ কৰিবৰ কাৰণে ব্ৰহ্মপুত্ৰ নদী যাতে খন্দা হয় তাৰ বাবে অনুৰোধ কৰিছো। চৰকাৰী পক্ষৰ পৰা সেই বিভাগৰ লগতে মন্ত্ৰী মহোদয়ে ব্যৱস্হা হাতত লব বুলি মই আশা কৰিছো। নতুন চৰকাৰলৈ মই এইখিনি পৰামৰ্শ আগবঢ়াইছো।

আমাৰ এই বাজেট খনত কেইবাটাও দিশ সামৰা হৈছে। যি কেইটা দিশ ইয়াত চালি জাৰি ধৰা হৈছে, গোটেই সমস্যাবিলাক সামৰি লোৱা হৈছে। ৰাজ্যৰ কৃষি, উদ্যোগ, বিজুলি, শিক্ষা অৰ্থনৈতিক আদি গুৰুত্বপূৰ্ণ দিশ কেইটা বাজেটত ধৰা হৈছে। পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণৰ নিচিনা আন আন গুৰুত্বপূৰ্ণ বিষয়ও এই বাজেটৰ পৰা বাদ দিয়া হোৱা নাই। সেই কাৰণে বিৰোধী পক্ষৰ সকলো সদস্যই এই বাজেটখন সমৰ্থন কৰি এই বাজেটখন কাৰ্য্যকৰী কৰাত সহায় কৰিব বুলি আশা কৰিছো।

তাৰোপৰি ৰাজহুৱা ঋণ ১৯৮৪—৮৫ চনৰ হিচাব ১৯৮৫—৮৬ চনৰ সংঘটিত আনুমানিক হিচাব, ১৯৮৬—৮৭ চনৰ আনুমানিক হিচাব এইবিলাক এই বাজেটৰ পৰা বাদ দিয়া হোৱা নাই আৰু ইয়াক খৰচি মাৰি অহা বছৰত এই বাজেটখন লৈ অসমৰ সকলো জনগোষ্ঠীৰ উন্নতি সাধন কৰিবলৈ বিচৰা হৈছে। সেই কাৰণে বিৰোধী পক্ষই মোৰ বক্তৃতাৰ শেষত এই বাজেটখন কিছু কিছু আপত্তি থকা স্বত্বেও এই বাজেট খন আদৰণী জনাই গ্ৰহণ কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri SANTI RANJAN DAS GUPTA—Mr. Chairman, Sir, my health has gone down because not of any disease but for this budget. I am sorry that my voice has gone down but before I begin I shall request all the Hon'ble Members to be ready with the budget speech.

Mr. CHAIRMAN (Shri CHARAN NARZARY).—Mr. Dasgupta, you may come to the front bench and speak.

Shri SANTI RANJAN DAS GUPTA.—Mr. Chairman, Sir, I had to spend two sleepless nights for this budget. I studied the budget. Many old members, they know that in the budget discussion whenever I stand I speak completely on the financial aspect of the budget and I do not mainly dwell on the budget speech or the political side of it. Therefore, Sir, through you, I request all the Hon'ble Members to be ready with the budget speech, annual financial statement and the budget so that Hon'ble Members can compare what I shall be speaking, that I am correctly speaking and correctly quoting from

the budget speech, from the annual financial statement and from the demand for grants. This is not the budget of Dasgupta alone but this is for all members. With these words, Sir, I begin my speech. Sir, I refer to or draw the attention of the Hon'ble Members to page 12 of the English version of the budget speech and page 8 of the Assamese version of the budget speech. Sir, the budget estimates for 1986-87 now presented assured a total receipt of Rs. 2069-76 crores and total expenditure of Rs. 2140.24 crores. Sir, this is in para 20 in page 12. Again the same thing has been corroborated in the annexure both receipts taking into account revenue receipt and capital receipt and the revenue expenditure and the capital expenditure; these are in conformity with the budget speech, Sir. Sir, then I refer to the annual financial statement. In the total receipt side including both revenue and capital it is 2069.76 crores and in the expenditure side it is Rs.2140.24 crores. Sir, this annual financial statement which is the basic financial statement under the Constitution and under the Rules of Procedure is quite in conformity with the budget speech.

Shri GOLOK RAJBANSI—Sir, there is none to note down the objections.

Shri SANTI RANJAN DAS GUPTA -I gave a notice to the Secretary that I shall be raising these questions and when I stand I stand on financial mattars alone. The annual financial statement is quite in conformity with the budget speech. Now, I shall request you to come to the demands for grants. In the annual financial statement the expenditure required from the Consolidated Fund is Rs.2140.24 crores and in the budget speech also there is corroboration of the same amount of Rs 2140.24 crores. Then Sir, I draw your attention to the demands for grants for the year 1986-87. There are grants from No. 1 to No. 69. Look at the total Sir, that is Rs.1370.38 crores plus Rs. 811 crores and 15 Laks. What is the total ? The total is Rs. 2181 crores 53 lakhs. What is the difference ? The difference is Rs.41 crores 29 lakhs. Sir, about this difference nothing has been said by the Ch'ef Minister of the AGP sarkar. They want to give a clean and efficient government. Where is the efficiency ? Can they say I am not right ? Hon'ble members Chintamani Panigrahi and others in the Parliament said that the most important thing is the financial aspect. Sir, can this House

go on with this budget where there is a sharp difference in the budget-speech, annual financial statement and the budget. What explanation they can give? Sir, I remember in 1962 when I was speaking on the budget; thereafter I was called by the then Chief Minister late Bimala Prasad Chaliha, hon'ble late Amiya Kumar Das and late Siddhinath Sarma, At that time they said my boy his is the only thing where you have properly hitted ond this budget is a monster which can not only eat up the government, it can eat up the entire State of Assam. In the orientation programme held from 11th to 13 February, I attended all the days because I know I have not learnt many things.

I have got many things to learn. Therefore I did not give my mind to any other matter but to see what is the difference, where is the defect, whether the Government officers torpadoed the Government whethe. the officers had deficiencies or whether they took the advantage of the deficiencies of the members of the House. Wheteer the officers had the impression that the members will not deeply penetrate into the budget volumes, whether they are thinking that the members of the House will not care about the annual financial statement or the budget speech and its conformity to demands for grants. Perhaps for this reason they made an excess demand for grants of Rs. 41 crores. The Chief Minister should have been fully and carefully apprised of the annual financial statement and the implications of budget, you have to conform with the different grants. Had this been brought to the notice of the Government, definitely he could have avoided this difference before projecting these things. In showing the budget estimate the Chief Minister has stated the total expenditure to be of Rs 2140 crores and in the annual financial statement also it is stated to be Rs 2140 crores in the demands for 1986.87. But here we have seen an excess of Rs. 41 crores. Therefore a question arises how can there be an excess? If the Government now do not amend these things we shall not be a party to vote for the grants. If you do not amend, how can you withdraw from the Consolidated Fund of the State without the proper procedure of voting on demands in the Assembly. How can you ask for vote on demands, when you have excess amount.? This has not been explained properly. This House can only discuss about the annual financial statement and the budget. How can there be a

gap between the annual financial statement and the budget. From the budget speech it is very difficult to establish the difference. If you want to know the details to establish the fact, you will have to go through all the budgetary statement that has been given. Government should not think that no-body can establish it. when I will be in he Assembly to speak someting properly and itemwise grants, I will have to study it deeply. I have gone through al these details and I have also taken help of my colleague in this regard. Therefore, after being fully satisfied I have come to speak on the budget otherwise I could have participated in the budget discussion on the first day or the second day. But my whole in'ention was to examine the budget again and again to come to a correct conclusion. It is after a very careful study I have come to the conclusion that there is a concealment of 41 crores. Have you got that courage to expose the fact ?

Shri SUREN MEDHI, (Minister, Law) :—You can make a statement. You cannot ask such question and you are only questioning here. You should know that this a general discussion on the budget.

Snri SANTI RANJAN DASGUPTA :—You should not object to it, I am only exposing the facts.

Shri SUREN MEDHI, (Minister,) : Are you discussing grants ?

Mr. SPEAKER : Hon'ble Minister will have to reply on this ? So Hon'ble member may please continue.

Shri SUREN MEDHI, (Minister) : It is not a question hour nor voting on demands, it is a general discussion on the budget.

Shri CHANDRA ARANDHARA : Sir, everybody has right to speak, but he must maintain the decorum of the House.

Mr. SPEAKER : I request the Hon'ble members to maintain the decorum of the House.

Shri SANTI RANJAN DASGUPTA : In the budget and in the annual financial statement money is provided

under Art. 202.203 & 204 and the budget is only to elaborate the annual financial statement. Therefore, when we are discussing the budget speech we are to discuss the annual financial statement also. After careful study of these two, I find there is sharp difference in the annual financial statement, which shows Rs 2140 crores for expenditure during the year, 1986-87, but at the same time the demand for grants from grant No 1 to 69 shows the demand for Rs 2181 crores. So there is difference of Rs 41 crores. So, I urge upon the Chief Minister, if he has committed a mistake, he should amend the demends for grants and a fresh demand should be placed before the House. If it is not a mistake. and the Finance Minister can point out clearly, I shall bow down that I am wrong. But so far the books are concerned. I have already stated, that there is no conformity between the budget speech and the annual financial statement, i. e. the demands for grants are not in conformity with the budget estimate.

Therefore Sir, my submission to you is Sir, that these things should be first explained how there was such a huge difference in the demand for grant for Rs. 41 crores. So Sir, with this submission if I have said anything from myself, if I have quoted anything wrong that these amounts were not in the different books, only then I shall we an apology to the House. But here if I am correct that the demand for grant differ from the annual financial statement from the budget speech which I have got myself confirmed and I have handed you over a copy of such statement then the Finance Minister will have to reconsider his budget propesal that means the year will end with Rs. 38 crores plus minus 41 crores or with a deficit balance of Rs. 79 crores and not Rs. 38 crores. But the difficulty will be how on this demand the Honble Minister will come up when there is a sharp difference. That is my point and that is a constitutional point. If anything does not concur with the Annual Financial Statement that estimate is confused. That is the requirement of the Article of Constitution. The House can assent or refuse. The House has that power. Sir, I shall not take much time. Without sleeping last night my voice has gone down because I wanted to be very very sure. With this submission and without going into any other matter I resume my seat.

Mr. SPEAKER :—Now Hon'ble Member Shri Abhijit Sharma.

শ্ৰীঅভিজিত শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, যিখন বাজেট আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৬—৮৭ চনৰ কাৰণে দাঙি ধৰিছে মই প্ৰথমেই সেই বাজেটলৈ আন্তৰিক অভিনন্দন জনাইছো। বিগত বছৰ কেইটাৰ ভিতৰত এইখন এখন উল্লেখ যোগ্য আৰু বলিষ্ঠ বাজেট বুলি আখ্যা দিব বিছাৰিছো।

এই বাজেটত উল্লেখ থকা বিষয় সমূহৰ ভিতৰত উদ্যোগৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে তাক আমি আদৰণি জনাইছো। বাজহুৱা খণ্ডৰ উদ্যোগৰ বিষয়ে যিখিনি কথা এই বাজেটত উল্লেখ কৰিছে তাৰ দ্বাৰা আমাৰ অসমৰ যুৱক-যুৱতি সকলৰ নিবনুৱা সমস্যা সমাধানত সহায় হব। লগে লগে আমাৰ অসমত যি ধৰণে জনসংখ্যা বৃদ্ধি হৈ আহিছে তাৰ দ্বাৰা পৰিবহনত যথেষ্ট অসুবিধা হোৱা লক্ষ্য কৰা যায়। বিশেষকৈ গুৱাহাটী মহানগৰীত যি ভাবে জনসংখ্যা বাঢ়িছে তাৰ ফলত যাতায়তৰ ক্ষেত্ৰত বহুত অসুবিধা সন্মুখীন হবলগীয়া হৈছে। গতিকে গুৱাহাটী মহানগৰীৰ যাতায়তৰ অসুবিধা দূৰ কৰিবৰ কাৰণে বলিষ্ঠ কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগিব। বিগত বছৰ কেইটাত তেনেকুৱা কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা নহল। ৰেল ক্ৰচিং বিলাকত আমি দেখিবলৈ পাইছো পৰিবহনৰ ক্ষেত্ৰত বহুত অসুবিধা হয়, বহুতো দুৰ্ঘটনা ঘটে আৰু বহুত যানবাহন বা পদযাত্ৰী গোটখাই বা জমা হৈ থাকিবলগীয়া হয়। গতিকে আমি দিল্লী বা বোম্বে মহানগৰীৰ নিচিনাকৈ বাণ্টা ওখ কৰি বা দলং সাজি ট্ৰেফিক জাম্ বন্ধ কৰিব লাগিব। আনহাতে পানীযোগান ব্যৱস্থাটো অসমত সাম্গ্ৰিক ভাবে বৰ অসুবিধাজনক হৈ পৰিছে। খাবৰা তেল যেনেকৈ হাজাৰ হাজাৰ কিলোমিটাৰ পাইপেৰে নি বেলেগ ঠাইত শোধন কৰা হয় ঠিক তেনেকৈ ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰা পাইপেৰে পানী আনি মহানগৰীত পানীযোগান ধৰিব পাৰিলে নিশ্চয় পানী যোগানৰ বহুত অসুবিধা দুৰীকৰণ হব। ইতিমধ্যে আমি দেখিছো যে গাওঁ অঞ্চলত বিদ্যুৎ যোগান ধৰাৰ আচনি লোৱা হৈছে। এই গ্ৰাম্য বৈদ্যুতিকৰণ যাতে এভাৰেজ হাৰত গাওঁ অঞ্চলত সম্প্ৰসাৰণ সোনকালে কৰিব পৰা যায় তাৰ চেষ্টা চৰকাৰে কৰিব বুলি মই এতিয়াই উদ্যোগ মন্ত্ৰীক ইংগিত দি ৰাখিলো। তাৰ পিছত আমাৰ যিবিলাক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে সেইবিলাক এতিয়াও বহুত অসুবিধা পৰিলক্ষিত হয়। সকলো বিলাক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতে এক্সৰে মেচিন ৰখাৰ ব্যৱস্থা কৰিব লাগে আৰু স্বাস্থ্য কেন্দ্ৰ বিলাকত ক্লিনিকেল ফেচিলিটিজ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু তেখেত সকলৰ দিনতে ব্লক বিলাকত ইঞ্জিনিয়াৰ ওভৰচিয়াৰ নহোৱাকৈ বাণ্টা দলং নিৰ্মাণৰ নামত ২ লাখ ৩ লাখ টকাকৈ খৰছ কৰিলে। মই আশা কৰিছো আমাৰ চৰকাৰৰ দিনত যাতে তেনে কৰা নহয় তাৰ চেষ্টা চৰকাৰে কৰিব। স্কুল বিলাকত টকা দিয়া হৈছে সেইবিলাকৰ যাতে অপব্যয় নহয় তাৰ কাৰণে আমাৰ চৰকাৰে সততে চকু দিব।

আমি দেখিছো শিক্ষাকে ধৰি আটাইবিলাক শিতানতে এই বাজেটৰ জৰিয়তে বৰ্ত্তমান আমাৰ চৰকাৰে বলিষ্ঠ পদক্ষেপ লৈছে মই তাৰ কাৰণে চৰকাৰক আদৰণি জনাইছো। ধন্যবাদ।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, নৱ গঠিত বিধান সভাৰ প্ৰথম অধিবেশনত মাননীয় ৰাজ্যপাল মহোদয়ে দিয়া ভাষণত অসমৰ সামাজিক, সাংস্কৃতিক আৰু আৰ্থিক দিশকেই ধৰি বিভিন্ন দিশৰ আমি ইংগিত পাইছো।

আমি ইয়াত, ১৯৮৬—৮৭ চনৰ বাজেট ভাষণৰ ওপৰত সাধাৰণ আলোচনা কৰিছো। কিন্তু আমি যোৱা দুই দিন ধৰি শুনিবলৈ পাইছো যে, বিত্ত বিষয়ৰ আলোচনাৰ পৰা আতৰ হৈ ৰাজনৈতিক দিশত আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

অসম চুক্তিৰ ক্ষেত্ৰত বিশেষকৈ ৰাজনৈতিক দিশত গুৰুত্ব দি কেইবা গৰাকীও বিৰোধী ফালৰ সদস্যই সদনৰ দৃষ্টি ৰাজনৈতিক দিশৰ ফালে টানি নিয়াৰ প্ৰয়াস কৰিছে। আমি ৰাজ্যপালৰ ভাষণত পাইছিলো যে অসম চুক্তি খনৰ ভিত্তিত অসমৰ সকলো প্ৰকাৰৰ অসমৰ অৰ্থনৈতিক উন্নতিৰ কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে। গতিকে ৰাজ্যপালৰ ভাষণত স্পষ্টকৈ ইংগিত দিছে আৰু চুক্তি খনত অৰ্থনৈতিক দিশটোও ইয়াত সামৰি লৈছে আৰু আমি বাজেটত সেই বিষয়ে আলোচনা কৰিছো। আমি

এইটো চাবলগীয়া যে সেই দিশটো বাজেটত প্ৰাককলনত প্ৰতিফলিত হৈছে নে হোৱা নাই ? ৰাজ্যপালৰ ভাষণত অৰ্থনৈতিক উন্নয়ন আৰু পৰিকল্পনাৰ বিষয়ে আলোচনা কৰি কোৱা হৈছে যে, উৎপাদন আৰু উৎপাদিকা শক্তি বৃদ্ধি কৰিব পৰাকৈ চৰকাৰে কাম চলাই থাকি আচনি সমূহ সম্পূৰ্ণ কৰাত জৰুৰী মনোনিবেশ দিয়া হব। গতিকে এইটোত গুৰুত্ব দিয়া হৈছে যে, অকল ভবিষ্যতৰ আচনি সমূহ নহয় ইতিমধ্যে অসম্পূৰ্ণ হৈ থকা আচনি সমূহকো আওকান কৰিব। গতিকে ইয়াত সম্পূৰ্ণ গুৰুত্ব দি সম্পূৰ্ণ কৰাৰ চেষ্টা চলাই যাব। গতিকে সেই দিশৰ প্ৰতি আমি ইয়াত দেখিছো যে বাজেটত গুৰুত্ব আৰোপ কৰি বিভিন্ন ক্ষেত্ৰত প্ৰভূত পৰিমাণৰ ব্যয় ব্যৱস্থা বাজেট খনত কৰা হৈছে। কিন্তু এই খিনিতে এটা কথা আমি এই বাজেট খন অধ্যয়ন কৰি দেখিছো যে শিক্ষা ক্ষেত্ৰত, শিক্ষা এটা গুৰুত্ব পূৰ্ণ বিভাগ। অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত শিক্ষাটো আওকান কৰিব নোৱাৰি। ইয়াত গুৰুত্ব আছে। Proper training Inereased producation is basically due to the result of our resources and this depends mainly on education and.

গতিকে সেই দিশৰ পৰা শিক্ষা ক্ষেত্ৰত আমাৰ নতুন বাজেটত অহা বছৰৰ কাৰণে দুশ যাঠি কোটি ছিসত্তৰ লাখ উনআশী হাজাৰ টকাৰ ব্যৱস্থা কৰা হৈছে। তাৰ বিপৰীতে যোৱা বছৰ আছিল দুশ বাইশ কোটি বিৰাশী লাখ চল্লিশ হাজাৰ টকা মাথোন। গতিকে তাৰ পৰা স্পষ্ট ইঙ্গিত পাইছো যে অৰ্থনৈতিক উন্নয়ণৰ দিশত বিশেষকৈ ইয়াত এটা বলিষ্ঠ পদক্ষেপ লোৱা হৈছে। মানৱ শক্তিৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি শিক্ষাৰ ক্ষেত্ৰত প্ৰভূত পৰিমাণৰ ব্যয় ব্যৱস্থা ৰখা হৈছে। আন এটা হ'ল কৃষি শিতান। ইয়াত ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে ধান উৎপাদন আৰু উৎপাদন শীলতাৰ বিশেষ আচনিত অগ্ৰাধিকাৰ দিয়া হব।

( ভইচঃ আপুনি কিহৰ ওপৰত বক্তৃতা দিছে )

অধ্যক্ষ মহোদয়, মই এইটো কথা এই কাৰণেই উল্লেখ কৰিছো যে আমাৰ নব গঠিত বিধান সভাৰ প্ৰথম অধিবেশনত ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছিল যে চৰকাৰে আৰ্থিক দিশত শিক্ষা আদি বিভিন্ন দিশত উন্নয়ণৰ ইঙ্গিত দিছে। সেই কাৰণে এইটো বিশেষ গুৰুত্ব দিবলগীয়া হৈছে যে যি লক্ষ্য আৰু নীতিৰ ইঙ্গিত ৰাজ্যপালৰ ভাষণত দিয়া হৈছিল সেইটো পৰৱৰ্ত্তী বাজেটত প্ৰতিফলিত হৈছে নে নাই সেয়েহে মই কেৱল উদ্ধৃতিহে দিছো। গতিকে আমাৰ মুখ্য মন্ত্ৰী মহোদয় তথা বিত্তৰ দায়িত্বত থকা মন্ত্ৰী মহোদয়ে যদি বাজেট সম্পৰ্কে যি ভাষণ ৰাখিছে আৰু বিতং বাজেটত যিখিনি দাখিল কৰিছে সেই নীতি ৰাজ্যপালৰ ভাষণতো প্ৰকাশ পাইছিল। সেইটো প্ৰতিফলন কৰাৰহে মই সদনত চেষ্টা চলাব বিচাৰিছো। কৃষিৰ ক্ষেত্ৰত বিকাশৰ দিশত দেখিবলৈ পাইছো যে ৰাস্তা নিৰ্মাণ অতি প্ৰয়োজনীয়। এই কথাটো মন কৰিবলগীয়া কাৰণ ইয়াৰ লগত অৰ্থনৈতিক বিকাশ বিশেষ ভাবে জড়িত। ৰাস্তা দলং আদি নিৰ্মাণৰ বাবে ১৯৮৫-৮৬ চনত ছিয়াশী কোটি পয়সত্তৰ লাখ টকা আছিল ইয়াৰ বিপৰীতে এশ যোল্ল কোটি একত্ৰিশ হাজাৰৰ ব্যৱস্থা অহা বছৰলৈ ৰখা হৈছে। ঠিক সেইদৰে যানবাহন, ট্ৰেন্সপোৰ্টেশ্বন আৰু পৰিবহন ব্যৱস্থাৰ কাৰণে ১৯৮৫—৮৬ চনত দহ কোটি পোন্ধৰ লাখ টকা আছিল আৰু তাৰ বিপৰীতে পোন্ধৰ কোটি ছিয়ান্নবৈ হাজাৰ টকাৰ ব্যৱস্থা ৰখা হৈছে। ঠিক সেইদৰে অৰ্থনৈতিক সামাজিক দিশৰ কাৰণে এগ্ৰিকালচাৰ ইৰিগেশ্বন চইল কনজাৰ্ভেশ্বন কটেজ ইণ্ডাষ্ট্ৰি কমিউনিটি ডেভেলাপমেন্ট এই গোটেই শিতানত এটা প্ৰভূত পৰিমাণৰ ব্যয় ব্যৱস্থা ৰখা হৈছে আৰু ইয়াৰ দ্বাৰা স্পষ্ট ইংগিত দিয়া হৈছে যে অহা বছৰত চৰকাৰে যিটো লক্ষ্য বা উদ্দেশ্যৰ ইংগিত ৰাখিছে সেইটো প্ৰতিফলণ ঘটোৱাৰ কাৰণে অহা বছৰৰ বাজেটত বৰ্দ্ধিত পৰিমাণৰ ব্যৱস্থা ৰাখি ৰাইজৰ আশা আকাংক্ষা পূৰণৰ বাবে প্ৰচেষ্টা ৰখা হৈছে। কিন্তু এই ক্ষেত্ৰত মই বিত্ত মন্ত্ৰী তথা আমাৰ মুখ্য-মন্ত্ৰী মহোদয়ক নতুন বাজেটৰ সমৰ্থন জনাইছো। লগতে এইখিনি কথা কব খুজিছো যে অকল বাজেটত আৰ্থিক পৰিমাণ বেছি থাকিলেই বা খৰচ কৰিলেই ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰা, সেইটো কথা নহয়।

(মধ্যাহ্ন ভোজনৰ কাৰণে আবেলি আঠ্ৰে বজালৈ সদনৰ বিৰতি)

(মধ্যাহ্ন ভোজনৰ পিচত)

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীদীনবন্ধু চৌধুৰীয়ে তেখেতৰ আধৰুৱা বক্তৃতা শেষ কৰিব।

শ্ৰীদীনবন্ধু চৌধুৰী :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰাজ্যৰ অধিকাংশ লোকেই গাঁও অঞ্চলত বাস কৰে আৰু সেই সকলৰ অধিকাংশই অৰ্থনৈতিক ক্ষেত্ৰত দুৰ্বল। সেই সকলৰ উন্নয়নৰ কথা আগত ৰাখি বাজেটত ব্যৱস্থা ৰখা পৰিলক্ষিত হৈছে। জনউন্নয়নৰ দৃষ্টি ৰাখি প্ৰস্তুত কৰা এই বাজেটখন সামান্যকন মাটি হলেও নিশ্চয় উৎসাহজনক বুলিয়েই কব লাগিব। অৱশ্যে আলোচনা কালত বিৰোধী পক্ষৰ পৰা গ্ৰাম্য উন্নয়নৰ শিতানত কুবি দফীয়া কাৰ্য্যসূচী সম্পৰ্কে উল্লেখ নথকা কাৰণে অভিযোগ উত্থাপন হৈছে। কিন্তু প্ৰকৃততে কুবিদফীয়া কাৰ্য্যসূচী সুকীয়াকৈ উল্লেখ কৰাৰ প্ৰয়োজনীয়তাত বিশেষ গুৰুত্ব আছে বুলি ভাবিব নোৱাৰি। এই ক্ষেত্ৰত এজন প্ৰবন্ধ লেখকে তেখেতৰ

Analysis of plan ত কৈছে 20 points are the plan within the plan' and not a plan about the plan'

গতিকে কুবিদফীয়া আৰ্চনিৰ প্ৰকৃতাৰ্থত উল্লেখ নথকাতো কোনো বিতৰ্কৰ বিষয় হব নালাগে। কুবিদফীয়া আৰ্চনিও প্ৰকৃতাৰ্থত আৰ্চনিৰ ভিতৰৰে বস্তু।

গতিকে দেখা যায় কুবিদফীয়া আৰ্চনিৰ সমূহ কাৰ্য্যসূচী সামূহিক আৰ্চনিৰ মাজত সোমাই আছে। তেনে ক্ষেত্ৰত সুকীয়াকৈ কুবিদফীয়া আৰ্চনিৰ উল্লেখ কৰাতো প্ৰয়োজনহীন। প্ৰবন্ধ লেখকে আকৌ এঠাইত কৈছে :

Item highlighting (too much emphasising) on the 20-Point Programme leads to forced multiple loyalty of the executives to the same programme under different titles which results in waste of resources in terms of time, money and effort when lot more is thought about talked about, discussed about and written about either in downward communication, or in upward and sideward commuination in the administration and when expensive medias were used for dissemination of information about the programme.

গতিকে কুবিদফীয়া আৰ্চনিৰ সুকীয়াকৈ উল্লেখ কৰাৰ গুৰুত্ব একো নাই। এনে নিষ্প্ৰয়োজনীয় কামৰ বাবে সমালোচনা কৰা কোনো যুক্তি সঙ্গত নহয় বুলিয়েই মই ভাবো। অধ্যক্ষ মহোদয়, মই আৰু দীঘলীয়া নকৰি মোৰ বাজেট বক্তৃতা সামৰণি মাৰিম বুলিয়েই ভাবিছো। তাৰ আগতে এক উৎসাহ-জনক পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা আৰু অহা বছৰটোৰ কাৰণে সবিশেষ আৰ্চনিৰ চমু আভাস এই বাজেটৰ জৰিয়তে দাঙি ধৰাৰ প্ৰয়াস কৰা কাৰণে মই ভাবো এই বাজেট খন সদনৰ সকলো শ্ৰেণীৰ মাননীয় সদস্যৰে গ্ৰহণ যোগ্য হব আৰু এইখিনি কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ধন্যবাদ।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীছামসিং হান্সে বাজেট বিতৰ্কত ভাগ লব।

বাজেটৰ জৰিয়তে দাঙি ধৰাৰ প্ৰয়াস কৰা কাৰণে মই ভাবো এই বাজেট খন সদনৰ সকলো শ্ৰেণীৰ

শ্রীচামসিং হাঞ্চে ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাব ১৯৮৬-৮৭ চনব কাবণে অসম গণ পবিষদ চবকাবে যি বাজেট ডাঙি ধবিছে আবু এই সন্দৰ্ভত মুখ্য মন্ত্ৰী মহোদয়ে যি বক্তৃতা বাখিছে তাব কাবণে মই ধন্যবাদ জ্ঞাপন কবিছো। মই এই বাজেটখনব বিষয়ে এনেধবণেই কব খোজো যে সামগ্রিকভাবে অসমব অর্থনৈতিক প্রতিচ্ছবি এখন স্পষ্ট ভাবে ডাঙি ধবিছে। এই ক্ষেত্রত মই কব বিচাবো যে আমাব চবকাবে নতুন নেতৃত্ব লোৱাব ভিতবতে বিত্তবিভাগবো দায়িত্বত থকা মুখ্য মন্ত্ৰী মহোদয়ে অসমব সামগ্রিক ভাবে অর্থনৈতিক অবস্থাব ওপবত পূৰ্ব্ব অভিজ্ঞতা থকা পবিপক্ক জ্ঞানব পবিচয় দিব পাবিছে। প্রকৃতার্থত ইয়াব পিচত আবু কবলৈ নায়েই। মাননীয় সদস্য শ্রীচবণ নার্জাবী ডাঙবীয়াই কোৱাব দবে বাজেট সম্পর্কত অন্যান্য দিশত আলোচনা কবাব প্রয়োজন নিশ্চয় নাথাকে। বাজেটখন সদনব অনুমোদনব কাবণে দাখিল কবাব কথাটো আচলতে বিয়াব দিনা হোমব গুৰিবলৈ অনা কন্যাব দবে হয়। হোমব গুৰিবলৈ উলিয়াই অনা কন্যাজনীব গালত পাউদাব কম হৈছেনে বেছি হৈছে, ফোটটো ডাঙব হৈছেনে নাই বা কপালব ঠিক মাজত আছেনে নাই বা কন্যাব কাপোব কানিবোব ঠিকমতে আছেনে নাই যেনেদবে চাবলগীয়া হয় ঠিক তেনেদবেই আমাব সদনত দাখিল কবা বাজেটখন ঠিক আছেনে নাই, ক'ববাত কিবা বেমেজালি আছেনেকি তাকে আমি ইয়াত আলোচনা কবিবলগা হয়। ভাল হৈছেনে বেয়া হৈছে তাব মন্তব্য দিবলগীয়া হয়। মই কব খোজো যে এই বাজেটখন অসমবাসী বাইজব মাজত এক আশাব বেঙণী আনিছে। সদনে অনুমোদন জনোৱাব আগতে বাজেটখন সদনত পাছ হব বুলি ধবি লৈ মই আগতীয়াকৈ মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন কবিছো। মই বাজেটখন পুংখানুপুংখ ভাবে ছোৱা নাই। কিন্তু বাজেটখনত কিবা এটা উল্লেখ নাথাকিলেই এইটো উল্লেখ নাই বুলি মোব আপত্তি কবাটো বব সমীচিন নহয়। এতিয়া এই বাজেট বাজহব কথা স্পষ্টভাবে উল্লেখ নাথাকিলেই অসমব বাইজে মাটিব খাজনা দিব নেলাগিব এইটো নহয়। বাজেটত নতুন কব নাথাকিলেই যে বজাবত বস্তুব দাম নেবাঢ়িম তেনে কথা হব নোৱাবে। বাজেটত এটা আনুমানিক হিচাপহে পববৰ্ত্তী বছবত খবচ কবিব কাবণে ডাঙি ধবা হয়। মোব এই ক্ষেত্রত বিশেষ কবলৈ নাছিল যদিও—মই পাৰ্বত্য অঞ্চলব পবা অহা কাবণে একো নজনা মানুহ বা মোব সমষ্টিব বাইজে ভাবিব আমি এটা মস্ত বেলবুং নির্বাচিত কবি পঠালো ই একো কব নেজানে সেই কাৰণেই কবলৈ উঠিছো। যোৱা ৩৮ বছবে আগব চবকাবে যি কাম কবিব পবা নাই গণ পবিষদ চবকাবে এই ক্ষেত্রত পাৰ্বত্য অঞ্চলব কাবণে প্রশংসনীয় দৃষ্টি ভঙ্গী লৈছে। গতিকে আমাব ফালব পবা বিশেষ ভাবে আপত্তি কবিবলৈ কোনো থল নাই। এইবাবব বিত্তীয় বছবত বিশেষভাবে এটা কথা চাব লাগিব যে এটা শকত ঋণাত্মক অংকব প্রায় চাবে সত্তব কোটি টকা হিচাব দেখুৱাইছে। তাব ভিতবত এইটো কথা যদিও স্পষ্ট নহয় যে কবপবা এইখিনি পূবণ কবা হব তথাপিতো মুখ্যমন্ত্রী মহোদয়ব ভাষণত উল্লেখ কবিছে যে পাৰ্বত্য অঞ্চলব কাবণে যথেষ্ট পবিমাণব টকা ধবা হৈছে। ভৈয়াম অঞ্চলব কাবণেও যথেষ্ট টকা ধার্য্য কবা হৈছে। মুঠ ৪৬৯ কোটি টকাব ভিতবত ৩১ কোটি নন-প্লেনব পবা পোৱাব আশা দেখুৱাইছে। এইটো খবচ পবিপূবণ কবিবলৈ কিছুমান কাম বিবেচনা কবিব লাগিব। বিশেষকৈ প্রতিস্থান, কপোবেচন বা পবিবহন ইত্যাদি অথবা এ, জি, চি, চিব লেখিয়া ভবন নিৰ্ম্মাণ আদি চবকাবী ব্যবসায়িক প্রতিস্থান আদিব পবা ইয়াব কিছু টকা পূবণ কবাব ব্যবস্থা লব লাগিব। বিশেষকৈ উল্লেখ কবিব পাবি যে অসমত কেন্দ্রীয় চবকাবব যিবোব ব্যবসায়িক প্রতিস্থান আছে সেইবোবব পবাও বহু টকা পূবণ কবিব পাবি। উদাহবণ স্বৰূপে বেলৱে কোম্পানীব বাবে শিলপাব যোগানব কাবণে অসম চবকাবে প্রতি বছবে শকত অংশ পাই আহিছে। কিন্তু আমাব কি বেমেজালি কব নোৱাবো অসমব কোটা কোনো দিনে সম্পূর্ণ কবিব পবা নাই। অথচ যোৱাবাব নগালেণ্ড, যি আগতে আমাব এখন জিলাহে আছিল, বেলৱে শিলপাব চাপ্লাই কবি ৫০ কোটি টকা উপার্জন কবিছে। অসমে মাত্র ৪ লাখহে দিব পাবিলে। অসম চবকাবে ধন হেৰুৱাব লগা হৈছে। মেনেজমেন্ট নোহোৱাব কাবণেই আমাব কাঠবোব অন্য বাজ্যলৈ গুচি গৈছে আবু তাব পবা ট্রেনজিট পাছ লৈ বেলৱে কোম্পানীলৈ পঠাইছে। ইয়াব ফলত অসম চবকাবে শতকবা ৭ ভাগ চেলটেক্স হেৰুৱাইহে। আবু এই টকা অন্য চুবুবীয়া বাজ্যই পাইছে। এইবছবো সদনব জ্ঞাতার্থে মই জনাব খুজিছো যে ইণ্ডিয়ান বেলৱে দবমহা বিভিউ কবিছে। বেলৱে শিলপাব সবু লাইনব কাবণে ১২০ টকা আবু ব্রডগজ লাইনব কাবণে ১৮০ টকা ধার্য্য কবিছে। ভালদবে বিষয়টো পয্যবেক্ষণ কবি কামত লাগিলে অসম চবকাবে ৫০—৬০ কোটি টকা লাভ কবিব পাবে।

সি যিয়েই নহওক অসম চৰকাৰৰ এইবাৰৰ বাজেটত পাৰ্বত্য অঞ্চলৰ কাৰণে তুলনামূলক ভাৱে বেছি টকা ধাৰ্য্য কৰিছে। কিন্তু কথা হল কেনে ভাৱে এই টকা খৰচ কৰিব লাগে তাৰ এটা স্পষ্ট নিৰ্দ্দেশ ইয়াৰ পৰা নেথাকিলে তাত টকাটো অপচয় হোৱাৰ আশংকা থাকে। মানুহে ভাৱে বেছি টকা দিলে মানুহৰ অৱস্থা ভাল হব কিন্তু আচলতে আমাৰ কাৰ্বি আংলংৰ বাইজৰ কাৰণে সেইটো নহয়। বাস্তৱক্ষেত্ৰত যিমানেই বেছি টকা দিয়া যায় সিমানেই আমাৰ বাইজ দুখীয়া হয়। জিলা পৰিষদৰ হাতত এই টকাটো অৰ্পণ কৰাৰ পিচত যধে-মধে খৰচ কৰা হয় আৰু বাইজে পাবলগীয়া মাটিখিনি নেপায়। ফলত কাৰ্বি বাইজৰ জিলা পৰিষদৰ ওপৰত আস্থা নোহোৱা হয়। জিলা পৰিষদক ডিষ্টিক কাউন্সিল বুলি কয় কিন্তু আমাৰ বাইজে ইয়াক চুচি মাজি খোৱা কাউন্সিল বুলিহে কয়। আমাৰ কাৰ্বি আংলংত দুটা শ্ৰেণীৰ লোক আছে— এটা শ্ৰেণী খায় জীয়াই থাকে আৰু আনটো শ্ৰণী খাবলৈ জীয়াই থাকে।

ভৈয়াম অঞ্চলত আমি দেখা পাইছো যত দুৰ্ব্বল দলং আছে তাত ডাঙৰকৈ গতিৰোধ দিয়ে। কিন্তু কাৰ্বি আংলঙৰ ক্ষেত্ৰত সেইটে নহয়, তাত দুৰ্ব্বল ঠাইৰ দুৰ্ব্বল কৰ্ম্মচাৰীহে নিযুক্তি হয়। চিত্ৰগুপ্তৰ খাটাত যি সকলৰ নাম আগবাঢ়ি আছে আৰু যি সকলে জীৱনৰ অধিক দিন ভৈয়ামতে কটালে সেই সকলকহে জীৱনৰ বাকী দিন কেইটা কটাবলৈ তালৈ পথায়। বেচেৰা হতভগা সেই কৰ্ম্মচাৰী সকলে ২০।৩০ কিঃ মিঃ খোজকাঢ়ি কি কাম চাবগৈ। ভৈয়ামৰ মানুহখিনি শিক্ষিত বাবে তেওঁলোক চতুৰ। সেই কাৰণে এই সকলৰ কাম ধৰা পৰে বাবেই ভৈয়ামলৈ পঠিয়ায় দিয়ে আৰু তেওঁলোকেই তালৈ গৈ হাঁহৰ ওপৰত শিয়াল বজা হয়গৈ। এইদৰে তেওঁলোক গৈ 'ডায়নেমিক' ভাৱে এলেহুৱা হৈ পৰেগৈ। বাজেটত ৬১ কোটি টকা ধৰিলে কি হব। সেই খিনি চিবা কল খাওতেই যাব। মই অৱশ্যে বাহাদুৰী কৰি কব পাৰো যে পৃথিৱীৰ ভিতৰতে মই আটাইতকৈ ধনী মানুহ, এই কাৰণে যে চিবাৰ কিলো যদি ২০ টকাও হয় তেনেহলে মই কিনি খাব পাৰিম।

দ্বিতীয় কথা হৈছে যে তাত যি বিলাক আৰ্চনি লোৱা হয় সেইবোৰ জিলা পৰিষদত লোৱা হয় কাৰণে কাম কৰাত এটা অসুবিধা পাও। আমাৰ পূৰ্ব্বতঃ চৰকাৰে অৱশ্যে সদায় সেইটো কৰি আহিছে। তাৰ ফলস্বৰূপে বাজেটত ৩১ কোটিয়ে হওক বা ৫ কোটিয়ে হওক সেই টকাটো সময় মতে দিয়া নহয়। আজি মাৰ্চ মাহৰ ১৫ তাৰিখ হৈ গল এতিয়া যদি ১০ বা ২০ কোটি টকা 'ৰিলিজ' কৰি দিয়ে কামত নাহিব। মই আশা কৰো আমাৰ গণ পৰিষদ চৰকাৰে অন্ততঃ সেইটো কেতিয়াও নকৰিব। মই মোৰ বক্তৃতাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে আমাৰ শিক্ষা বিভাগে যি ধৰণেৰে শৈক্ষিক বছৰটো আগোৱাই আনি এটা ভাল নতুনত্ব অসমক দিছে একেদৰে আমাৰ দ্বিতীয় বছৰটো নবেম্বৰ ডিচেম্বৰ নকৰি এপ্ৰিলৰ পৰা আৰম্ভ কৰি আৰ্চনি অনুসাৰে শতকৰা ৫০ ভাগ টকা যদি বিভিন্ন বিভাগলৈ প্ৰেৰণ কৰিব পাৰে তেতিয়াহলে বাজেটখন বাস্তৱ ৰূপায়নত আমি অসমক এটা নতুনত্ব দিব পাৰিম। মই আৰু বিশেষ কবলৈ বিচৰা নাই। বাজেট ভাষণত মাননীয় সদস্য গুলাম ওচমানী দেৱে কোৱা এটা কথা মোৰ মনত আছে যে কাৰ্বি আংলঙ জিলাত এটা ৰাজনৈতিক বাতাৱৰণ বলিছে বুলি তেখেতে কৈছে। তেখেত অৱশ্যে আগতে কংগ্ৰেছৰে মানুহ আছিল। এতিয়া ইউ এম এফ হল। অথাপি তেখেতে কংগ্ৰেছ আই মুখপাত্ৰ হিচাবে কাম কৰি আছে। মই সদনৰ অনুমতি সাপেক্ষে কব খোজিছো যে তেখেতে মাইনৰিটিৰ লাল পানৰ গুলাম হিচাবে কাম কৰিছে। কিন্তু প্ৰকৃতাৰ্থত তেখেতে যদি মিছা তথ্য দিব খোজে তেনেহলে তাক আমি প্ৰতিৰোধ কৰা বাঞ্চনীয়। কাৰ্বি আংলং কোনো দিনেই অসমৰ পৰা আতৰি যাবলৈ চিন্তা কৰা নাই। ১৯৬৯ চনতে যেতিয়া মেঘালয়ে নতুন ৰাজ্য হিচাবে স্বীকৃতি পাইছিল তেতিয়াই কাৰ্বি আংলং মেঘালয়ত থাকিবনে অসমত থাকিব এই প্ৰশ্ন উঠিছিল। কংগ্ৰেছৰ দিনত সুদীৰ্ঘ দিন শাসন ভাৰ খোৱা ভালে কেইজন লোক এতিয়াও আছে, অৱশ্যে তেওঁলোক আজি পৰাজিত সেনাপতি। শুনিছো তেওঁলোকে হেনো সুকিয়া ৰাজ্যৰ দাবি লৈ অলপতে দিল্লীলৈ যাব। ইয়াৰ দ্বাৰাই তেওঁলোকৰ নাম জীয়াই ৰাখিব বিছাৰিছে। যদিও ই এটা বিবাট চাল এই কথা আমি নুবুজা নহয়। এইখিনি কথাৰে মই পুনৰবাৰ মুখ্যমন্ত্ৰী মহোদয়লৈ মোৰ বিনম্ৰ শ্ৰদ্ধা জনাই বাজেটখন

অনুমোদনৰ কাৰণে আগবঢ়াই অনাত ধন্যবাদ জনাইছো আৰু আশা ৰাখিছো এই বাজেটে বৃহত্তৰ অসমৰ জনসাধাৰণৰ মঙ্গলৰ কাৰণে সফল ভাবে ৰূপায়িত হব।

শ্ৰীস্বৰূপ উপাধ্যায় :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই মুখ্য মন্ত্ৰী মহোদয়ক মোৰ আন্তৰিক ধন্যবাদ জনাই বাজেট বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ ওলাইছো। বাজেটখনত এটা বৰ সুন্দৰ বাক্য আছে-

The implementation of the Assam Accord will receive top priority of the Government. We shall strive hard for the all round development of Assam and for promotion of peace and unity among all sections of the people. It will be the Government's endeavour to bring about an atmosphere in which every ethnic, cultural, linguistic or religious groups will enjoy the unique experience of jointly participating in the common task of building this State economically, socially and culturally in a spirit of of harmony and mutual respect.

বাজেটখন এইটোয়ে মোৰ বোধেৰে আটাইতকৈ সুন্দৰ বাক্য যিটোৱে অসম চৰকাৰৰ নতুন মুখ্য মন্ত্ৰী জনাৰ বলিষ্ঠ পদক্ষেপৰ কথা আন্তৰিকতাৰে প্ৰকাশ কৰিছে আৰু এটা কথা মই কব খুজিছো তেখেতে সদনত কৈছে যে বিভিন্ন সময়ত যি সকল লোক অসমলৈ আহি স্থায়ি ভাবে বসবাস কৰিছে সেইসকল ভাৰতীয় নাগৰিক আৰু তেওঁলোক অসমীয়া। তেঁলোকক কেতিয়াও হাৰাশাস্তি কৰা নহয়। এনে বিশ্বাস ৰাখি তেখেতে কাম আৰম্ভ কৰিব খুজিছে।

বৰ্ত্তমান অসম চৰকাৰৰ দুটা কাম আছে। এটা হৈছে পৰিকল্পনাৰ উন্নয়নৰ কাৰণে বাস্তবিক সফল ৰূপায়ন কৰা আৰু আনটো হৈছে অসম চুক্তি কাৰ্য্যকৰী কৰা।

আজি বৰ্ত্তমান অসম চৰকাৰে বিশেষকৈ দুটা জৰুৰী কাম কৰিবলগীয়া আছে। তাৰে এটা হ'ল অসমৰ উন্নয়নৰ কাৰণে কৰা পৰিকল্পনা লোৱা আৰু সেই বিলাকক বাস্তবত ৰূপায়িত কৰা আৰু আনটো হ'ল অসম চুক্তিত কাৰ্য্যত পৰিণত কৰা। বিভিন্ন সময়ত বিভিন্ন আঁচনিৰ কাম বিলাক হাতত লোৱাৰ পাচত সেই বিলাক কাৰ্য্যত পৰিণত কৰিব নোৱাৰাৰ কাৰণে অসমৰ যুৱক সমাজ, ছাত্ৰ সমাজ বিতৃষ্ট হৈছে। গতিকে আজি কেৱল বিবৃতি দি থাকিলেই এই অসম চুক্তি কাৰ্য্যত পৰিণত নহয়। মোৰ দৃঢ় বিশ্বাস বৰ্ত্তমান চৰকাৰে অসম চুক্তি কাৰ্য্যত পৰিণত কৰিবলৈ বলিষ্ঠ পদক্ষেপ হাতত লব। কিন্তু আজি এনে এটা অৱস্থাত অসম চুক্তিখন কাৰ্য্যত পৰিণত কৰিবলৈ নিশ্চয় টকা পইচাৰ আৱশ্যক হব আৰু এই টকা পইচাৰ ব্যৱস্থা আছে নে নাই? নে কোনো ফাণ্ড নোহোৱাকৈয়ে এই আইনখন কাৰ্য্যত পৰিণত কৰিব পাৰিব নেকি? কিয়নো মাত্ৰ বিদেশী বিতাড়ণ কৰাটোৱেই হল অসম চুক্তিৰ মুখ্য উদ্দেশ্য নেকি? ট্ৰাইবেল বেল্টৰ পৰা নন ট্ৰাইবেল আতৰাবলৈ যাওতে তাত স্বদেশীও থাকিবও পাৰে, বিদেশীও থাকিবও পাৰে। মুখ্য মন্ত্ৰী মহোদয়ে আগতে কৈ গৈছে যে বিভিন্ন জনগোষ্ঠীৰ মানুহ অসমত আছে আৰু সকলোৰে প্ৰতি সুবিচাৰ কৰা হব। এনে ক্ষেত্ৰত এই মানুহ বিলাকক উচ্ছেদ কৰাৰ পাচত যি সকল মানুহ ওলাই আহিব তেওঁলোকৰ কাৰণে জানো পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নালাগিব। নহলে এই মানুহ বিলাক ক'ত থাকিব ? এইটোকেই যদি কৰিব পৰা নাযায় তেনেহলে এটা ভৈয়াবহ সমস্যাৰ সৃষ্টি হব। মাননীয় সদস্য চৰণ নাৰ্জাৰী ডাঙৰীয়াই এই বিষয়ে কৈ গৈছে।

তাৰোপৰি এইটোত হব নোৱাৰে যে যি সকল অসমীয়া মানুহ ট্ৰাইবেল্টবেল্টত আছে তাত থকা অসমীয়া মানুহখিনিক আতৰোৱা নহব নেকি? আৰু তাত যিবিলাক অইন মানুহ আছে সেই সকলক আতৰাব নেকি ? এতিয়া এই উচ্ছেদত মানুহখিনিক পুনৰ সংস্থাপন কৰাৰ ক্ষেত্ৰত নিশ্চয় কিছু খৰচ হব। সেই খৰচৰ ব্যৱস্থা জানো বাজেটত আছে ? গতিকে অসম চুক্তিখন কাৰ্য্যত ৰূপায়ণ কৰিবলৈ যাওতে সেই হিচাবেই চাব লাগিব। সমস্যা বিলাক আমি এনালাইচিচ নকৰাকৈ কাম আৰম্ভ কৰিলে ইয়াৰ এটা ভৈয়াবহ পৰিস্থিতিৰ উদ্ভৱ হব পাৰে। মই ভাবো এই কথা বৰ্ত্তমান চৰকাৰে নিশ্চয় উপলব্ধি কৰিব আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰিছো সেইটো হ'ল শিক্ষাৰ সংক্ৰান্তত, মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই কিছুমান প্ৰশ্ন কৰিছিল যে মেৰামতি কৰা বা নিৰ্মাণ কৰা ইত্যাদিত কিমান খৰচ কৰা হব ? ইয়াত এতিয়া প্ৰায়ৰিটিৰ কথা হব নোৱাৰে। এতিয়া প্ৰশ্ন হৈছে প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ নহলে শিক্ষাৰ মানদণ্ড উন্নত হব নোৱাৰে। এতিয়া প্ৰশ্ন হৈছে প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়াকৈ আহাৰ যোগান বা পোচাক ইত্যাদি দি বাহ বাছ লব নে-নে স্কুলঘৰ উন্নত কৰাৰ। স্কুল-ঘৰ মেৰামতি কৰা আৰু স্কুলৰ অত্যাৱশ্যকীয় সা-সামগ্ৰী ইত্যাদি যেনে— ডেস্ক, বেঞ্চ, ব্লেক বোৰ্ড, উপযুক্ত শিক্ষক ইত্যাদি ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব নে বিনামূলীয়া সাজ-পোচাক আৰু কিতাপ দিয়াৰ ওপৰত বেচি গুৰুত্ব দিব ? ক্ষন্তেক সময়ৰ কাৰণে বিনামূলীয়া সুবিধা দিয়াৰ বাবে সকলোৰে প্ৰশংসা কৰিব কিন্তু ইয়াৰ দ্বাৰা শৈক্ষিক পৰিবেশৰ কোনো আমূল পৰিবৰ্ত্তন নহয়। গতিকে কোনটো বিষয়ত অগ্ৰাধিকাৰ দিব লাগিব সেইটো এই চৰকাৰে ভালদৰে বিবেচনা কৰিব বুলি আশা কৰিলো। তাৰ পাচত পঞ্চায়ত মন্ত্ৰীয়ে কৈছে যে অহা মে মাহত পঞ্চায়তৰ নিৰ্বাচন হব আৰু লগতে কৈছে যে পুৰণা ভোটাৰ লিষ্ট আৰু এম, এল, এ সকলৰ যি ইলেকটৰেট আছে সেইমতে হব মই বিনম্ৰ ভাবে কব বিচাৰো এই চৰকাৰে অসম চুক্তি ভঙ্গ কৰিব বিচৰা নাই। কিন্তু এনে অনুমান হৈছে যেন অসম চুক্তিৰ প্ৰভিজন বিলাক লাহে লাহে দুৰ্বল হৈ গৈছে। যিহেতু ১৯৭১ চনৰ আগৰ মানুহেও ভোট দিব পাৰিব। আচলতে প্ৰভিজন আছিল ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈ যিখিনি লোক আহিছিল সেই খিনিয়ে কেৱল যোৱা নিৰ্বাচনতহে ভোট দিয়াৰ অধিকাৰ আছিল। কিয়নো অহা ১০ বছৰলৈ তেওঁলোকৰ চুক্তিমতে ভোট দিয়াৰ অধিকাৰ নাথাকিব। এই সময়তো যদি এবছৰ দুবছৰকৈ পাৰ হৈ গৈ থাকে তেতিয়াহলে এই মানুহখিনি দহ বছৰৰ পৰা ১১ বছৰ বা ১২ বছৰ ভোটাধিকাৰৰ পৰা বঞ্চিত হৈ থাকিব। যদি কৰিবলগীয়া হয় তেনেহলে এতিয়াই কৰিব লাগে। মাননীয় সদস্য শৰৎ সিংহ ডাঙৰীয়াই কোৱাৰ দৰে আমি এতিয়া আৰু পঞ্চায়ত মন্ত্ৰী মহোদয়ে নিশ্চয় এই পৰিবেশটো নিবিচাৰে। এই বিষয়ে এটা স্পষ্ট নীতি লব লাগে, নাজতে বিচাৰিলে এটা দুদুল্যমান অৱস্থাৰ সৃষ্টি হব। পিচুৱাই দিলে যিটো অন্যায় হব ইয়াৰ দ্বাৰা কেৱল খিলঞ্জীয়া অসমীয়াই নহয় নতুন নাগৰিক হবলগীয়া সকলোৰে অন্যায় কৰা হব। এই অন্যায় কৰাৰ অধিকাৰ চৰকাৰৰ নাই। এই বুলি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীভবেন নাৰ্জি :— শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মই পোন প্ৰথমতে আমাৰ নতুন চৰকাৰ আৰু মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত মহোদয়ে যিখন বাজেট উত্থাপন কৰিলে সেইখন মই পূৰ্ণ সমৰ্থন কৰিছো। আমি সকলোৱে জানো যে আমাৰ অসম খন এখন বাৰে বৰণীয়া সংস্কৃতি, বিভিন্ন জাতি গোষ্ঠীৰ মিলনভূমি। গতিকে এই বাজেট খনত যিটো সন্নিবিষ্ট কৰা হৈছে ই গোটেই জাতিটোৰ অৰ্থনৈতিক, শিক্ষা, আৰ্থ সামাজিক, ভাষা সাংস্কৃতিক আৰু মানবীয় দৃষ্টিকোণৰ পৰা দেশৰ যিখিন আৱশ্যক সেই সকলোখিনিয়েই ইয়াত সামৰি লোৱা হৈছে। কথা হৈছে বস্তুটো যিমানেই ভাল নহওক আমি তাক সদব্যৱহাৰ কৰিব লাগে আৰু সততাৰে কাৰ্য্য সম্পাদন কৰিব লাগে। এজন পণ্ডিতে কৈছিল যে দা খন যিমানেই তীখাৰ নহওক তাক ধাৰ নিদিলে চোকা নহয়। গতিকে বুদ্ধি যিমানেই নহওক সেইটো চিন্তা চৰ্চ্চা নকৰিলে প্ৰখৰ হব নোৱাৰে। আমি সন্দেহ ৰাখিব নালাগে যে ইয়াৰ দ্বাৰা আমাৰ কোনো সম্প্ৰ-দায় বঞ্চিত হব বা কোনো জাতি-উপজাতি, সংস্কৃতি বা অন্যান্য অনুষ্ঠান আদিত ব্যাঘাট জন্মিব। আমাৰ অসম গণ পৰিষদ চৰকাৰে শান্তি-সপ্ৰীতি, প্ৰগতি আৰু ঐক্যৰ প্ৰতি কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ। ইতিমধ্যে বহুতো মাননীয় সদস্যই বাজেট সম্পৰ্কত বিভিন্ন দিশত বিভিন্ন প্ৰক্ৰিয়া আদিৰ বিষয়ে আলোচনা কৰিছে, সমালোচনা কৰিছে। বিৰোধী পক্ষই বাজেটখন সমৰ্থন কৰা নাই, কাৰণ তেওঁলোকৰ সেইটো স্বভাৱেই। দোকানীয়ে কেতিয়াও নিজৰ বস্তু বেয়া বুলি নকয়, কিনোতাইহে

তাৰ গুণাগুণ নিৰ্ণয় কৰে। তেওঁলোকে ধৰি থাকিবই, আমি তালৈ বিশেষ চিন্তা নকৰি সকলোকে অনুৰোধ জনাও বিগত দিনৰ কথা বিলাক হৃদয়ঙ্গম কৰি আমাৰ ৰাজ্যখনত জাতিটোৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে সহায় সহযোগ আগবঢ়াই কামত আগবাঢ়ি যাব লাগিব। ভাস্কৰ্য্যই আমাৰ পুৰণা ইতিহাস আৰু ঐতিহ্য বহন কৰে। কিন্তু যোৱা বিগত দিন বিলাকত আমবাৰীত খনন কাৰ্য্য আৰম্ভ হৈছিল আৰু তেতিয়াই এটা নটৰাজৰ মূৰ্ত্তি উদ্ধাৰ কৰা হৈছিল। সেই মূৰ্ত্তি লণ্ডনত প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হৈছিল। এই পৃথিবীৰ ভিতৰতেই ভূয়সী প্ৰশংসা লাভ কৰিছিল। আমাৰ ৰাজ্যৰ কাৰণে সন্মান কঢ়িয়াই আনিছিল আৰু এই ভাস্কৰ্য্যই জাতিটোৰ পুৰণা ঐতিহ্যই সকলোকে চমক লগালে। সেইদৰে তেজপুৰ আৰু অন্যান্য ঠাইতো ভাস্কৰ্য্যৰ পৰিপূৰ্ণ হৈ আছে। কিন্তু আমবাৰী সেই ঠাইত প্ৰেছ ক্লাব থকাৰ কাৰণে খনন কাৰ্য্য স্থগিত কৰিলে আৰু তেতিয়াই সেই ঠাই ৰেষ্ট্ৰিকটেড্ এৰিয়া বুলি ঘোষণা কৰিছিল। ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়, ৰাজহ আৰু শিক্ষা মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰা হৈছে। সাংস্কৃতি আৰু ভাষাক ৰক্ষা কৰিলে আমাৰ ঐতিহ্য ৰৈ যাব। এতিয়া আমি খেতিপথাৰ, পৰিবহন, ঘৰ দুৱাৰ, শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত জধে-মধে শিক্ষক নিযুক্তি দিয়া ইত্যাদি কাম নকৰি সকলো ক্ষেত্ৰতেই চিন্তা কৰিহে কামত আগবাঢ়িব লাগে। নহলে এতিয়াও কৈ থকাৰ নিচিনাকৈ আমাকো জাতি-দ্ৰোহী, দেশদ্ৰোহী বুলি ভৱিষ্যতে নতুন পুৰুষ সকলে আক্ষেপ কৰিব। আমি অমুকটো কৰা নাই, তমুকটো কৰা নাই বুলি যাতে মন্তব্য দিব নোৱাৰে তেনে দৃষ্টি ভঙ্গী লৈ দেশখন তথা ৰাজ্যখনৰ উন্নতিৰ কাৰণে কাম কৰি যাব বুলি অনুৰোধ জনাই সামৰণি মাৰিলো।

শ্ৰীগনেশ কুটুম :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে ১৯৮৬-৮৭ চনৰ কাৰণে যিখন বছৰেকীয়া বাজেট ডাঙি ধৰিছে সেই খনৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো। এই বাজেটখন হৈছে গাওঁমুখী বাজেট আৰু আমাৰ চৰকাৰে গাদীলৈ অহাৰ আগতে যিবিলাক প্ৰতিশ্ৰুতি ৰাইজৰ আগত ডাঙি ধৰিছিল সেই প্ৰতিশ্ৰুতি সমূহৰেই প্ৰতিফলন মাথোন। বাজেটখন সাধাৰণতে বছৰেকীয়া আয়ব্যয়ৰ মোটামুটি হিচাব বুলি কব পাৰি। কিন্তু আয়-ব্যয়ৰ মাজেদি আমাৰ ৰাজ্যখনৰ নতুন সোপান আৰু উন্নতি বাজেটখনত সন্নিবিষ্ট কৰিবলৈ যাওতে আমাৰ যিখিনি সময়, শক্তি উদ্যোগ সেই গোটেইখিনিয়েই থাকিব লাগিব। বিৰোধী পক্ষৰ এগৰাকী মাননীয় সদস্যই ৰসাল ভাষাৰে আৰম্ভ কৰি বৰ্ত্তমান চৰকাৰক ভালে কেইটামান পৰামৰ্শ আগবঢ়ায় আৰু কিছুমান ক্ষেত্ৰত সতৰ্ক কৰি দিয়ে। এঠাইত কৈছে যে— আমি সৰ্প সহ বাকচটো আপোনালোকক গটাই দিলো, কিন্তু তেখেতে নকলে সৰ্প বিষাক্ত নে বিষ নোহোৱা সৰ্প।

গতিকে আমাৰ নতুনকৈ বহা এই চৰকাৰে বা চৰকাৰৰ নেতৃবৃন্দই সেই সকল সাপক নচুৱাবৰ কাৰণে যিখিনি সুৰৰ প্ৰয়োজন সেইখিনি আছে বুলি মই ভাবো। এইখিনিতে আমি তেখেত সকলৰ পৰা কিছুমান কথা সিকিবলৈ পাই সন্তুষ্টি প্ৰকাশ কৰিছো কিয়নো বিৰোধী পক্ষৰ প্ৰায়বোৰ সদস্যই অভিজ্ঞতা সম্পন্ন। তেওঁলোকৰ কেইজনমানে এই বিধান সভালৈ ৪ বাৰকৈ আৰু কেইজনমানে ২ বাৰকৈ এই বিধান সভালৈ নিৰ্বাচিত হৈ অহাৰ কাৰণে আৰু তেওঁলোকে 'হিৰ' আৰু 'ভিলেইন' দুয়োটা ৰূপতে অংশ গ্ৰহণ কৰাৰ কাৰণে অতি অভিজ্ঞতা সম্পন্ন হোৱাৰ কাৰণে আমি ধন্যবাদ জনাইছো। গাদীত থাকোতে তেওঁলোকে আমাক কি অভিনয় অৰু এতিয়া বিৰোধী পক্ষত বহোতে কি অভিনয় প্ৰদৰ্শন কৰিছে, সেই আটাইবোৰ কাৰ্য্য আমি দেখিবলৈ পায় নিজে ধন্য হৈছো। এই সদনত যিখন বাজেট ডাঙি ধৰা হৈছে, সেইখন এখন কৰ মুক্ত বাজেট কৰমুক্ত বাজেট যে এই বাৰেই সদনত উত্থাপন কৰা হৈছিল। আজি অসমৰ এ, জি, পি চৰকাৰেই যে এখন কৰ মুক্ত বাজেট উত্থাপন কৰিছে তেনে নহয়, কেইদিনমান আগতে আমাৰ ওচৰৰে নাগালেণ্ডত কংগ্ৰেছ (আই) চৰকাৰেও এখন কৰ মুক্ত বাজেট উত্থাপন কৰিছে। সেই কাৰণে মই কওঁ যে এখন কৰ মুক্ত বাজেটৰ দ্বাৰা যে এখন ৰাজ্যৰ উন্নতি মূলক কাম কৰিব নোৱাৰি তেনে নহয়। আজি আমি এখন কৰ মুক্ত বাজেট তৈয়াৰ কৰিবলৈ যাওতে, দেশখনক শক্তিশালি কৰিবৰ কাৰণে যিখিনি সম্বলৰ প্ৰয়োজন হয় সেইখিনি আছে নে নাই সেইটো চাব লাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত পৰিস্কাৰ ভাবে এটা কথা ডাঙি ধৰিছে যে আমাৰ ৰাজ্যখনৰ মূলধনৰ অভাৱ। এই মূলধন উৎপাদনৰ ঘৰ কি ধৰণে আমি শক্তিশালী কৰিব পাৰো বা আমাৰ মাননীয় সদস্য বৃন্দই যি খিনি উন্নয়ন মূলক আচনি লব লাগে বুলি কৈছে সেইখিনি এই চৰকাৰে কৰিবলৈ সক্ষম হব বুলি মই ভাবো। সেইকাৰণে মই আয়ৰ ঘৰ বৃদ্ধি কৰিবলৈ

মাত্ৰ এটা বিষয়ত চৰকাৰক পৰামৰ্শ দিব বিচাৰিছো। অৱশ্যে বহুতে হয়তো এই পৰামৰ্শটো অমূলক বুলিও কব পাৰে।

অধ্যক্ষ মহোদয়, আমাৰ এক্সচাইজৰ পৰা যিখিনি ৰেভিনিউ আমাৰ ৰাজ্যখনে পাব লাগিছিল সেইখিনি নোপোৱাৰ একমাত্ৰ কাৰণ হল আমাৰ বহুতো ঠাই ড্ৰাই এৰিয়া হিচাবে ৰখাৰ কাৰণে তাৰ পৰা এই শিতানত যিখিনি ৰেভিনিউ পাব লাগিছিল সেইখিনিৰ পৰা বঞ্চিত হৈছো। কিন্তু এই ঠাই-বোৰত অসমৰ বাহিৰৰ পৰা অহা বহুতো বিদেশী লোকে অবাধ গতিত কিছুমান বেয়া মদ বিক্ৰি কৰি প্ৰচুৰ ধন আৰ্জিছে আৰু সেইবোৰ অসমৰ পৰা বাহিৰলৈ উলিয়াই লৈ গৈছে। ইয়াৰ লগে লগে অসমৰ মানুহক বেয়া মদ পাণ কৰাই ৰোগাগ্ৰস্ত কৰি তুলিছে। মই জনামতে টামিল নাড়ু চৰকাৰে ১১০ কোটি টকা ৰাজহ পায় কেৱল এক্সাইজৰ পৰা। ইয়াৰোপৰি ভাৰতবৰ্ষৰ আটাইকেইখন প্ৰদেশৰ ভিতৰতে অন্ধ্ৰপ্ৰদেশতেই আটাইতকৈ বেচি এই শিতানৰ পৰাই ৰাজহ সংগ্ৰহ কৰা হয়। কিন্তু আমাৰ বাজেটত দেখিবলৈ পাইছো যে আমি বহুতো ঠাই ড্ৰাই এৰিয়া হিচাবে ৰখাৰ কাৰণে এই শিতানৰ পৰা দুই কোটিতকৈও অধিক ধন হেৰুৱাইছো। গতিকে আমি এই শিতানৰ পৰা কেনেকৈ ৰাজহ সংগ্ৰহ কৰিব পাৰ সেই কথা চিন্তা কৰিব লাগে। কিয়নো চৰকাৰে যদিও কিছুমান অঞ্চলত ড্ৰাই এৰিয়া হিচাবে ঘোষণা কৰিছে কিন্তু তাত অবাধে মদৰ প্ৰচলন চলিয়েই আছে। গতিকে এই ঠাই বোৰতো মদ বিক্ৰি কৰিবলৈ অনুমতি দি নিকা ব্যৱস্থাৰ মাজেৰে আমাৰ উঠি অহা কিছুমান যুৱকক বেহা-বেপাৰ কৰিবলৈ সুবিধা দিব লাগে। আৰু তাৰ পৰা সংগ্ৰহ হোৱা ধনেৰে আমাৰ ঘাটি বাজেট আৰু ব্যয়ৰ শিতানত সেইবোৰ লগাব লাগে।

অধ্যক্ষ মহোদয়, অসমৰ কাৰণে আজি আটাইতকৈ দুৰ্ভাগ্যজনক কথা হৈছে যে আমাৰ যি সকল জনজাতিৰ লোক আছে তেওঁলোকৰ যিবোৰ সমস্যা সেই সমস্যাবোৰৰ লগত তেওঁলোকৰ জীৱন নিৰ্বাহৰ প্ৰশ্ন জড়িত হৈ আছে। এই সমস্যাটো আজিৰ সমস্যা নহয়, ইয়াক পূৰ্বৰে পৰা এটা পুহি ৰখা সমস্যা। এই সমস্যাটো এটা টাইম বোম হিচাবে আগৰ চৰকাৰে পুহি ৰাখিছিল আৰু যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ইয়াক ব্যৱহাৰ কৰা হৈছিল। এই ক্ষেত্ৰত বিগত চৰকাৰৰ দিনত জনজাতিয় লোক সকল কি ৰূপৰ পৰা কি ৰূপলৈ আহিছিল সেই বিষয়ে মই দুটামান কথা আপোনালোকৰ আগত ডাঙি ধৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলো। আপোনালোকে গহপুৰলৈ গলে দেখিবলৈ পাব যে তাত এতিয়া বনাঞ্চল বুলিবলৈ অলপো ঠাই নাই। ১৯৭৩ চনত গহপুৰৰ ওচৰত ৫ হাজাৰ বিঘা মাটিৰ বনাঞ্চল খালি কৰি তাত এখন কৃষিপাম খুলিবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছিল। কিন্তু পিচত সেই মাটিখিনি কৃষিৰ বাবে অনুপযোগি বুলি সেই পামখন বেলেগ এঠাইলৈ স্থানান্তৰ কৰা হল। দ্বিতীয়খন ঠাইলৈ যেতিয়া এই পামখন স্থানান্তৰ কৰা হল তেতিয়া পূৰ্বৰ ঠাইডোখৰ 'ৰি ফৰেষ্ট্ৰেচন' কৰা নহল। ইয়াৰ পিচত দ্বিতীয়খন ঠাইতো মাটি পৰীক্ষা কৰা বিভাগে জনালে যে এই ঠাইডোখৰৰ মাটিও কৃষিৰ কাৰণে অনুপযোগী। তেতিয়া আকৌ তৃতীয়খন ঠাইলৈ এই পামখন স্থানান্তৰ কৰাব লগা হল। তৃতীয়খন ঠাইতো আকৌ আগৰ দৰে ৫ হেজাৰ বিঘা মাটি খালি কৰিব লগীয়া হল একমাত্ৰ জনজাতি লোক সকলক তাৰ পৰা উচ্ছেদ কৰাইহে। এই ঠাইডোখৰত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত বলি হোৱা ২৭১ টা পৰিয়ালক জিলাৰ উপায়ুক্তই নিজে এচ, ডি, চি আৰু মণ্ডল লগ তলৈ পূৰ্বজ্যোতি কৃষিপামৰ নামত তেওঁলোকৰ ঘৰ দুৱাৰ হাতীৰে গচকাই সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। এই ক্ষেত্ৰত চৰকাৰে নিজেই বনাঞ্চল ধ্বংস কৰিছে আৰু ভূমিহীন লোকৰ সৃষ্টি কৰিছে বুলি মই ভাবো। আজি সেই লোক সকলে অসমৰ চাৰিও দিছে বনাঞ্চল বা চৰকাৰী মাটিত বসবাস কৰিব লগা হৈছে।

এই লোক সকল অতি দুখীয়া। এই সকল লোকক আজিলৈকে পুনৰসংস্থাপন দিয়া নহল। আমাৰ বনাঞ্চল আৰু ভূমিহীনৰ সমস্যা সমাধান কৰিবৰ কাৰণে যদি উপযুক্ত কাৰ্য্যকৰী ব্যৱস্থা লোৱা নহয়, তেনেহলে ই সদায় কিছু ৰাজনৈতিক দলৰ কাৰণে পলিটিকেল টাইম বম্ব হৈ থাকিব। ইয়াৰ পৰা উদ্ধাৰ নহব। বন বিভাগৰ ফালৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰিছিল যে হিউমেন লাইফ ডাঙৰ। বনৰীয়া জন্তু ধ্বংস কৰাৰ ক্ষতিপূৰণ দিবলৈ ইতিমধ্যে নতুন চৰকাৰে নতুন এটা আচনি লোৱাত আদৰণি জনাইছো। যদি বনৰীয়া জন্তুৰ আঘাতত মানুহৰ

জীৱন হানি হয় বা আঘাট হয় তেনেহলে চৰকাৰে ক্ষতিপূৰণ দিব। খাদ্য শস্যৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিব নালাগে বুলি পৰামৰ্শ দিছো। মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে গড়া খহনীয়া, বানপানী, শিলাবৃষ্টি, খৰাং বতৰ আৰু এন্দুৰ আদি জীৱ জন্তুৰে মুৰকাল পথাৰত কৃষি কাৰ্য্য ধ্বংস কৰে তেতিয়াহলে পাহাৰতেই হওক বা জংঘলতেই হওক সাহায্য আৰু পুনৰসংস্থাপন বিভাগে সাহায্য দি থকাৰ কাৰণে সদ্যহতে নতুন আচঁনি হাতত লব লাগে বুলি প্ৰয়োজন বোধ কৰা নাই।

শিক্ষাৰ দিশত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা আমাৰ চৰকাৰে লৈছে। এটা ডাঙৰ কথা যোৱা কালি শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি থাকোতে কৈছে যে গুৱাহাটী চহৰত পানবজাৰত তাহানিত স্থাপন কৰা প্ৰাইমাৰী স্কুলখন যোৱা বছৰ চৰকাৰীকৰণ হৈছে। গতিকে আমাৰ ডেকা শিক্ষামন্ত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত থকা কেৰোণ বিলাক নিকা কৰিব কাৰণে অগ্ৰসৰ হৈছে। ইয়াৰ বাবে শিক্ষামন্ত্ৰী অসম বাসী বাইজৰ সমাদৰৰ পাত্ৰ। অলপমান আগতে এগৰাকী মাননীয় সদস্যই কৈ গল কাপোৰ কাণি দিয়াতকৈ স্কুলৰ অন্যান্য উন্নতিৰ কথা বিলাক চিন্তা কৰিব লাগে। অসমৰ লৰা-ছোৱালী নাঙঠ হৈ বিদ্যালয়লৈ গৈছিল, এই কথাটোত তেখেতৰ দলে লাজ পাইছে। নিম্ন প্ৰাথমিক বিদ্যালয়লৈ গাঁৱৰ লৰা-ছোৱালী পেন্ট-চাৰ্ট নোহোৱাকৈ নাঙঠা হৈ গৈছিল। এই কথাটো ঢাকি ৰাখিবৰ কাৰণে তেখেতে তে ধৰণে কোৱা যেন লাগে। যোৱা ৩৮ টা বছৰৰ নাঙঠা ছবিখন আতৰাবৰ কাৰণে কাপোৰ দিয়াৰ পেন্ট চাৰ্ট দিয়াৰ দায়িত্ব লৈছে। এই নঙঠা সত্যটো ঢাকি ৰাখিবৰ কাৰণে চেষ্টা কৰা যেন অনুমান হয়। শিক্ষাৰ ক্ষেত্ৰত স্মৰণীয় কথা বাজেটত দাঙি ধৰা হৈছে— সেইটো হল যে খেলা-ধূলাৰ কথাটোত শিক্ষা বিভাগে নতুনকৈ সা-সুবিধাৰ কথা ঘোষণা কৰিছে। অসমৰ দুই এক লৰা-ছোৱালীয়ে এচিয়াৰ আৰু ভাৰতৰ খেল পথাৰত নাম কৰিছে, ই অতি গৌৰৱৰ কথা। অসমৰ বহুতো গাৱলীয়া ঠাইৰ জনজাতীয় লৰা-ছোৱালী স্বাস্থ্যবান, শাৰীৰিক ভাবে সক্ষম, তেওঁলোক চহৰলৈ আহি খেলা-ধূলাত সুনাম অৰ্জন কৰিছে। সেই লৰা-ছোৱালী বিলাকে যত জন্ম গ্ৰহণ কৰে তাত সেই দিশত সজাই পৰাই তুলিবৰ কাৰণে ব্যৱস্থা নকৰিলে। এই স্বাস্থ্যবান যুৱক-যুৱতী সকল বহু বছৰৰ পাছত চহৰলৈ আহি যেতিয়া উন্নত সমাজৰ লগত মিক্সিং হয় তেতিয়া খেলা ধূলাত নাম কৰে। এই সুবিধা আৰম্ভণীৰ পৰা পালে তেওঁলোক এই ক্ষেত্ৰত বহুত আগবাঢ়ি যাব পাৰিব আৰু ৰাজ্যখনৰো নাম হব। আজি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এখন স্পৰ্টচ ষ্টেডিয়াম দিয়াৰ কথা ঘোষণা কৰিছে। তাৰ পিছত বালিকা বিদ্যালয়ত এশটা টেবুল টেনিচৰ সা-সুবিধা দিয়াৰ কথা ঘোষণা কৰিছে। বোধকৰো এই বছৰ আমাৰ অসমৰ এগৰাকী সুযোগ্য কন্যাই ভাৰতত টেবুল টেনিচত শ্ৰেষ্ঠতাৰ গৌৰৱ অৰ্জন কৰাৰ কাৰণে এইটো লৈছে। মইও ওলগ জনাইছো আৰু এই গৰাকী অসমীয়া জীয়াৰীলৈ আমি গৌৰৱ অনুভৱ কৰিছো। মই ওলগ জনাইছো যাতে আৰু এই ধৰণে অধিক খেলুৱৈক স্বীকৃতি দিব পাৰো। অসমত যাতে আৰু অধিক সংখ্যক খেলুৱৈৰ জন্ম দিব পাৰো এই কথাটো আমি চিন্তা চৰ্চা কৰিব লাগে। মই ডিৰেক্টৰ অব স্পৰ্টচৰ অফিচলৈ গৈছিলো আৰু তাত এটা কথা গম পাইছিলো যে অসমত এটাফাইং কাব আছে য'ত ডেকা গাভৰু প্ৰশিক্ষণ প্ৰাপ্ত হয়। এই ক্লাবৰ দুখন বিমান আছিল আৰু এই বিমনা দুখন ধ্বংসপ্ৰাপ্ত হৈছে। মেৰামতিৰ বাবে কেইটামান টকাৰ প্ৰয়োজন হৈছে।

এই সাধাৰণ টকাখিনিও আমাৰ চৰকাৰৰ তলৰ খাপৰ কিছুমান কৰ্মচাৰীৰ গাফিলতিৰ কাৰণে এই ফ্লায়িং ক্লাবৰ বিমান দুখন মাটিত এনেয়ে পৰি আছে। এই বিষয় আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা প্ৰয়োজন। লগতে অধিকতৰভাবে এই দিশত অসমৰ যুৱক যুৱতীয়ে যাতে কমাৰ্চিয়েল ফাইটত চাৰ্কাৰৰ সুবিধা পায় সেই ধৰণে প্ৰস্তুত কৰিব পৰাকৈ ট্ৰেইনিংৰ সুবিধা দিব পৰা ব্যৱস্থাৰ কথা চিন্তা কৰিব লাগে। আমাৰ জনজাতীয় উপ-পৰিকল্পনাৰ নামত উপযুক্ত আঁচনি আদি কৰিব লাগে। "মনি ইজ নট দি প্ৰবলেম", আঁচনি কৰক, কাম কৰক। কিন্তু এই টকাটো কত কি ধৰণে আছে, কি ধৰণে উপ-যুক্তভাৱে খৰছ হৈছে নে নাই সেই সম্পৰ্কে পিচত আলোচনা কৰিম। এই খিনিতে মই এটা পৰামৰ্শ দিব বিচাৰো যে শিক্ষাৰ ক্ষেত্ৰত আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যসমূহৰ কি ধৰণৰ অগ্ৰগতি হৈছে তাক চাব লাগিব। ট্ৰাইবেল চাব প্লেনৰ নামত অসমত অন্ততঃ ৫-১০ খন মান ৰেচিডেন্চিয়েল স্কুল খোলাৰ ব্যৱস্থা কৰক। কাৰণ এই অনুষ্ঠান বিলাকৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ যিহেতু টকা দিবলৈ আগ্ৰহী, তেনে ক্ষেত্ৰত এনে ধৰণৰ সা-সুবিধা আনি অসমৰ ভৈয়ামৰ জনজাতি লোক সকলৰ লগতে সকলো লোকৰ

উন্নতিৰ চেষ্টা কৰক। যিহেতু অসমৰ ভৈয়ামৰ জনজাতিৰ বসতিঅঞ্চল সংমিশ্ৰিত গতিকে তেনে বৰ্ডচেন্‌ড্ৰিয়েল স্কুল খুলিলে অসমৰ সকলো শ্ৰেণীৰ লৰা-ছোৱালীয়ে তেনে শিক্ষানুষ্ঠানত শিক্ষা লাভ কৰাৰ সুবিধা পাব। গতিকে তেনে অনুষ্ঠান খোলাৰ বাবে মই চৰকাৰক আগভাগ লবলৈ অনুৰোধ কৰিছো। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে নিয়োগৰ ক্ষেত্ৰত এটা মন্তব্য দাঙি ধৰিছে সেইটো মোৰ অলপ আশংকাজনক যেন লাগিছে। আনফালে আমাৰ নতুন চৰকাৰে ইয়াৰ হাত সাৰিবৰ কাৰণে কিছুমান কাম হাতত লোৱা যেন অনুমান হৈছে। উদ্যোগৰ ক্ষেত্ৰত ১৯৮৬-৮৭ চনত ৭ হাজাৰ ৫০০ ওপৰঞ্চি পদ ওলাব আৰু অসমৰ ১২০০ টা ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ লোৱা হৈছে। সেই হিচাপে অহা ৫ বছৰত ৩৭ হাজাৰ ৫০০ জন ওপৰঞ্চি যুৱকৰ নিয়োগৰ বাট মুকলিছে। লগতে ৬ হাজাৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন হোৱাৰ বাট ওলাব। কিন্তু পৰৱৰ্তী বছৰ বিলাকত অধিকভাবে উদ্যোগ স্থাপন হব গতিকে অধিকতৰ ভাৱে আমাৰ নিবনুৱা যুৱক যুৱতী সকলক নিয়োগ কৰাৰ বাট মুকলিছে।

কৃষৰ ক্ষেত্ৰত মই আমাৰ মুখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কাৰণ আমাৰ বিশ্বনাথ চাৰিআলিত কৃষি বিশ্ববিদ্যালয়খন স্থাপন কৰাৰ কথা তেখেতে ঘোষণা কৰিছে আৰু ইতিমধ্যে তাৰ কাম হাতত লৈছেই। এই বিশ্ববিদ্যালয়খনৰ জৰিয়তে সমগ্ৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এটা নতুন উন্নয়নৰ দিশ ওলাল। বহু বছৰৰ পিচত বিশ্বনাথৰ বাইজে এটা নতুন আশাৰ বেঙনি দেখিছে। ইমান দিনে তাত এখনো টেকনিকেল স্কুল বা সেই ধৰণৰ ইন্‌ষ্টিটিউচন হোৱা নাই। চৰকাৰে প্ৰথমবাৰৰ কাৰণে বিশ্বনাথ চাৰিআলিত কৃষি বিশ্ববিদ্যালয় স্থাপন হোৱাত বাইজ উপকৃত হব আৰু কৃষিৰ ক্ষেত্ৰত নতুন 'ৰিৰ্চাছ' আদি কৰাৰ সুৰুঙা ওলাব। মই ভাবো কৃষিৰ শিতানত আৰু অধিক মনোযোগ দিব লাগে। সম্পৰ্কীয় আঁচনি ৰূপায়ন কৰাৰ সম্পৰ্কত বিশেষকৈ অসমৰ নিবনুৱা যুৱক যুৱতী সকলক আকৰ্ষণ কৰিব পৰাকৈ আঁচনি প্ৰস্তুত কৰিব লাগে। আমাৰ অসমৰ বেছিভাগেই কৃষক নিবনুৱা যুৱক-যুৱতী। তেওঁলোকে কেকোঁৱা নাঙল লবলৈ বেয়া পায়। তাহানি মোৰ মনত আছে অসম বিধান সভাৰ এজন সদস্যই কৈছিল যে আমাৰ অসমীয়া লৰাই বিক্সা চলাবলৈ বেয়া পায় কিন্তু অট'-বিক্সা চলাবলৈ বেয়া নাপায়, গতিকে অট'বিকচা দিয়ক। সেই দৰে মই কব খুজিছো যে আমাৰ লৰাই কেকোৱা নাৱল বেয়া পায় কিন্তু তেওঁলোকক যদি ট্ৰেক্টৰ আদিৰ সুবিধা দিব পাৰি তেনেহলে তেওঁ-লোকেও নিশ্চয় কৃষিৰ প্ৰতি আগ্ৰহী হব।

আমাক চৰকাৰৰ আটাইতকৈ চিন্তাৰ বিষয় হৈছে গৰাখহনীয়াৰ বিষয়টো। অসমৰ মাজুলীয়েই হওক, পশ্চিমে গহপুৰ, লক্ষীমপুৰ, গোৱালপাৰাই হওক বা অন্যান্য জিলাই হওক গৰাখহনীয়াৰ সমস্যা সকলোতেই আছে।

অধ্যক্ষ মহোদয়, মই বান নিয়ন্ত্ৰণ বিভাগৰ বিসয়ে দুটামান কথা কৈ অলপ পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিম। আমাৰ বাননিয়ন্ত্ৰণ বিভাগে সচৰাচৰ গৰাখহনীয়া হলে নতুনকৈ বান্ধ নিৰ্মাণ কৰে। কিন্তু খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে কোনো প্ৰচেষ্টা হাতত নলয়। আৰু লবলৈ দিয়া হলে আমাজান মিছিছিপি আদি বিষয়ে অসমৰ বাহিৰলৈ গৈ অধ্যয়ন কৰি আহি গুৱাহাটীৰ চান্দমাৰীৰ ভৱনত চিলিং ফেনৰ তলত বহি অসমৰ স্থানীয় নদী সমূহৰ চৰিত্ৰ অধ্যয়ন নকৰাকৈ বাননিয়ন্ত্ৰণ বিভাগে গৰাখহনীয়াৰ বাবে বান্ধ আদি বন্ধাৰ নিৰ্দ্দেশ দিয়ে। নদীয়ে গাওঁ খহাই গৈ আছে, ৰাস্তা খহাই গৈ আছে হাজাৰ হাজাৰ মানুহ গৃহহীন হৈ গৈ আছে। আনহাতে নতুন নতুন বান্ধ বন্ধাৰ কাৰণে হাজাৰ হাজাৰ কৃষকৰ মাটি বান্ধৰ নামত লৈ গৈ আছে। গৰাখহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰিলে বান্ধ বন্ধাৰ পৰা ৰাইজৰ একো উপকাৰ হব নোৱাৰে। এখন বনাঞ্চলৰ পৰা মানুহ খহনীয়াত পৰি আন এখন বনাঞ্চলত জাঁপিয়াই পৰে। এনেদৰে মানুহ ইঠাইৰ পৰা সিঠাইলৈ উঠি যাবলৈ বাধ্য হয় গৰাখহনীয়াৰ কাৰণে। আকৌ নতুন ৰাস্তা বনাবলৈ হলে কাষৰ পাজৰৰ মানুহৰ মাটি লোৱা হয়, এইদৰে ৰাস্তাৰ বাবে, বান্ধৰ বাবে মাটি অধিগ্ৰহণ কৰোতে কৰোতে কৃষক ভূমিহীন হৈ পৰে। এই সমস্যাবোৰ বান নিয়ন্ত্ৰণ বিভাগে ভালদৰে অধ্যয়ন কৰিব লাগে। এইখিনিকে কৈ মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই সামৰণি মাৰিছো।

শ্বেখ আব্দুল হামিদ ঃ— মাননীয় অধ্যক্ষ মহোদয়, আজি এই বাজেট অধিবেশনত বাজেটৰ ওপৰত চলা বিতৰ্কত অংশ গ্ৰহণ কৰি মই দুষাৰ কব বিচাৰিছো। আমাৰ বিত্ত দপ্তৰৰ দায়িত্বত থকা মূখ্য মন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে সেই বাজেটৰ ওপৰত বক্তব্য ৰাখি মই কব বিচাৰিছো যে ওপৰৰ পৰা চালে দেখাত ই যথেষ্ট ধুনীয়া হৈছে।

It is like a doldrum.

কিয়নো আজি বাজেটৰ প্ৰথম অধিবেশনতে আমাৰ মাননীয় সদস্যশ্ৰীশান্তি ৰঞ্জন দাসগুপ্তই যিটো কথা কৈছে যে ৪১ কোটি ৩৯ লাখ টকা ৰাহি হিচাপ দেখুৱা হৈছে তাত কোনো ব্যয়ৰ পিতান দেখুউৱা হোৱা নাই।

This is a complete inefficiency of the Government
এই টকাখিনি চৰকাৰে কি কৰিব কত কেনেকৈ খৰছ কৰিব তাৰ একো ইংগিত চৰকাৰে দিয়া নাই।

গতিকে চৰকাৰে আমাৰ সদন তথা অসমবাসীক এটা অন্ধকাৰৰ মাজত পেলাবলৈ বিচাৰিছে। মই কব খুজিছো যে আমাৰ মূখ্যমন্ত্ৰীয়ে বাজেট বক্তৃতাত যিটো কথা উত্থাপন কৰিছে

Our first effort will be to provide a clean, strong, stabtl and efficient Government.
এই ৪১ কোটি টকাটো বাজেটত সম্পূৰ্ণ ভাৱে গোলমাল দেখা গৈছে। এই অংশটোৰ সম্পূৰ্ণ ভাৱে এটা মিছা কথাৰ প্ৰমান কৰিলে। লগতে মই কব খোজিছো যে বাজেট বক্তৃতাত মূখ্যমন্ত্ৰী মহোদয়ে কৈছে

We shall strive hard for all round development of Assam and for promotion of peace and unity among all sections of the people
অসমৰ সকলো শ্ৰেণীৰ নাগৰিকৰ মাজত শান্তি সম্প্ৰীতি ৰক্ষা কৰা হব। কিন্তু দেখা গৈছে যে অসমৰ সকলো জাতি-উপজাতিৰ মাজত অসম চৰকাৰে শান্তি-সম্প্ৰীতি ৰক্ষা কৰিব পৰা নাই। ইয়াৰ প্ৰমান টংকেশ্বৰ দিহিঙিয়াৰ মৃত্যুৱে কৰে। তাৰোপৰি যোৱা ৬ মাৰ্চ তাৰিখে ভেটেনাৰী কলেজত ৰাতিৰ অন্ধকাৰত মনিৰুল হক নামৰ এজন লৰাক অত্যাচাৰ কৰা হল। এই কথাটো ছাত্ৰবাসৰ অধীক্ষকে জনোৱা স্বত্বেও অধ্যক্ষই কোনো ব্যৱস্থা নললে। মূখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ এটা স্পষ্টীকৰণ দিব লাগে।

বাজেট বক্তৃতাত কোৱা হৈছে যে অসমৰ ১০০ খন উচ্চতৰ স্কুলত টেবুল টেনিচ খেলা হব। কিন্তু ইমান সময়ে বাজেটৰ ওপৰত যিখিনি বক্তৃতা চলিল তাৰ ওপৰত এটা কথা মন কৰিছো যে ভাৰত চৰকাৰে নতুন শিক্ষা নীতি গ্ৰহণ কৰিছে সেই কথা কোনেও উল্লেখ কৰা নাই। এই কথাৰ উল্লেখ নকৰাৰ কোনো কাৰণ বুজিব পৰা নাই। লগতে এটা কথা স্পষ্ট যে নতুন শিক্ষা নীতি।

Now education policy, completely it was state subject but now it is going to the Central list
গতিকে দেখা গৈছে যে শিক্ষা বিভাগটো দুটা ভাগে ভগোৱা হব এটা হৈছে ৰুৰেল আৰু আনটো আৰবান। কিন্তু শতকৰা ৯ ভাগ মানুহো ইয়াৰ পৰা উপকৃত নহয়। হায়াৰ এডুকেচনৰ কথা ইয়াত উল্লেখ কৰা হোৱা নাই। মই ভাবো যে অসমৰ প্ৰত্যেক জন লৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত সুবিধা পাব লাগে। কিন্তু আগৰ চৰকাৰে এম চি ইউ এম বা এল আই জি বন্ধ কৰাৰ যিটো কথা আছিল সেইটো বৰ্ত্তমান চৰকাৰে উল্লেখ কৰা নাই। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা মই কব পাৰো যে হাইস্কুলত নহলেও কলেজ কেইটাত এই বৃত্তি নাপালে ছাত্ৰ-ছাত্ৰীৰ বহুত অসুবিধা হয়।

শিল্পৰ ক্ষেত্ৰত যি খিনি কথা কোৱা হৈছে তাৰ দ্বাৰা কোনো উন্নয়ন মূলক শিল্পৰ কাম হব বুলি মই আশা নকৰো। কিয়নো শিল্পৰ ক্ষেত্ৰত অসমত যিখিনি নিবনুৱা আছে সেই খিনি নিয়োগ কৰিব খুজিলে শিল্প উদ্যোগৰ মাজলৈ আমি যাব লাগিব। এই বিষয়ে ইয়াত উল্লেখ কৰা হোৱা নাই। গতিকে এই বাজেটত উত্থাপন কৰা ৪১ কোটি ২৯ লাখ টকা আমি এতিয়াই গ্ৰহণ কৰিব নোৱাৰো আৰু অসম বসীয়েও গ্ৰহণ কৰা উচিত নহব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰিছো।

শ্ৰীবল ভদ্ৰ তামুলী ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বাজেট উত্থাপন কৰি যে ব্যাখ্যা ডাঙি ধৰিছে সেইখিনিৰ প্ৰতি মই স্বাগত জনাইছো আৰু এই বাজেটৰ যোগেদি আমাৰ অসম গণপৰিষদ চৰকাৰে ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সক্ষম হৈছে। আমি এখন নিকা, সবল, সুস্থিৰ চৰকাৰৰ কথা উল্লেখ কৰিছো। নিশ্চয় এই বাজেটৰ যোগেদি আমি এই ক্ষেত্ৰত উপনিত হব পাৰিম। এজন মাননীয় সদস্যাই এখন নিকা, সবল, সুস্থিৰ আৰু সুদক্ষ চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত যি ব্যৱস্হা লোৱা হৈছে সেই ব্যৱস্হাই কামত নাহে বুলি সংশয় প্ৰকাশ কৰিছে। কিন্তু আমি সচাকৈয়ে এখন নিকা প্ৰশাসন দিব পাৰিম বুলি মোৰ বিশ্বাস আছে। আমাৰ কৰ্ম্মচাৰী সকলেও এই ক্ষেত্ৰত অনেক অৰিহণা যোগাই আহিছে। যদিও আগৰ চৰকাৰৰ দিনত তেখেত সকলে অনেক সময়ত চৰকাৰৰ সমক্ষে কাম কৰিবলৈ বাধ্য হৈছিল তথাপি এতিয়া নিজৰ ভুল উপলব্ধি কৰি এটা নিকা প্ৰশাসন দিবলৈ চৰকাৰৰ লগত সহযোগ কৰিছে। আমাৰ চৰকাৰ খন জনগণৰ চৰকাৰ আৰু জনগণৰ মঙ্গলৰ কাৰণে চৰকাৰে কাম কৰিছে। বাজেট ভাষণত যি খিনি কথা আমাৰ মুখ্যমন্ত্ৰী দেৱে সামৰি লৈছে তাৰ দ্বাৰাই এটা নিকা প্ৰশাসন দিব পাৰিম, বুলি আমাৰ দৃঢ় বিশ্বাস হৈছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি এই শিতানত ২৬০ কোটি টকা খৰচ কৰাৰ সিদ্ধান্ত তেখেতে লৈছে। এইটো আটাইতকৈ প্ৰশংসনীয় কাম হৈছে। কাৰণ শিক্ষা নহলে ভবিষ্যত নাগৰিক সকল শিক্ষিত হব নোৱাৰে। শিক্ষাই হল এটা জাতিৰ মেৰুদন্দ। সেই কাৰণে শিক্ষাকে অগ্ৰাধিকাৰ দিয়া হৈছে। ইয়াৰ পিচতে আমাৰ দেশৰ ঔদ্যোগীক বিকাশৰ দ্বাৰা অৰ্থনৈতিক উন্নয়নৰ কথা চিন্তা কৰা হৈছে। অৰ্থনৈতিক উন্নয়নৰ কাৰণে ঔদ্যোগিক প্ৰতিষ্ঠা কৰিব লাগিব। উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে উদ্যোগৰ মূল উত্স যি শক্তি, সেই শক্তি আহৰণ কৰিব লাগিব। অৱশ্য ইয়াৰ কাৰণে ১১২ কোটি টকা ধৰা হৈছে। আমাৰ শক্তি উৎপাদন কৰি কৃষি আৰু উদ্যোগৰ মাজত সমন্বয় ঘটাব লাগিব। আমাৰ দেশৰ অৰ্থনৈতিক বিকাশৰ কাৰণে এই বিলাক দিশত চিন্তা কৰিব লাগিব।

মই এতিয়া কেইটামান বিষয়ত আলোচনা আগবঢ়াব বিচাৰিছো। বিশেষকৈ কৃষিৰ শিতানত কবলৈ বিছাৰিছো যে আমাৰ অসমখন কৃষি প্ৰধান দেশ। কৃষিৰ ক্ষেত্ৰত আমাৰ অতি দুখৰ কথা হৈছে যে আমাৰ কৃষি প্ৰধান দেশ হোৱা স্বত্বেও আমাৰ খাদ্য শষ্য বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। ইয়াৰ কাৰণ হৈছে কৃষিৰ ক্ষেত্ৰত আগতে যি বিলাক আঁচনি লোৱা হৈছিল সেই বিলাক কৃতকাৰ্য্য হোৱা নাছিল। কিন্তু এতিয়া কৃতকাৰ্য্য হোৱাকৈ আঁচনি লোৱা হৈছে। তাৰ ভিতৰত এটা হৈছে প্ৰমানিত বীজৰ আঁচনি। সঁচ ভাল নহলে খেতি কেতিয়াও ভাল হব নোৱাৰে। ইমান দিনে দেখা গৈছিল যে যি বিলাক বীজ অনা হৈছিল সেই বিলাক সময় মতে আহি নাপায়, যাৰ ফলত ভাল খেতি কৰিব নোৱাৰি। সেই কাৰণে এতিয়া এনে ধৰণৰ বীজ অসমতেই উৎপাদন কৰাৰ বিষয়ে চিন্তা কৰা হৈছে। ইয়াৰ ওপৰিও মেকানাইজ কালটিভেচত কৃষিৰ ক্ষেত্ৰত সামৰি লোৱা হৈছে। আগৰ দৰে লেৰেলা গৰুৰ লৈ কেকুৰা নাঙল এতিয়া আৰু কোনেও চচুৰাব নালাগে, ইয়াৰ ঠাইত পাৱাৰ টিলাৰ, টেক্টৰ দিয়া হব। এই বিষয়ত চৰকাৰে গুৰুত্ব আৰোপ কৰিব।

উদ্যোগৰ ক্ষেত্ৰত এটা কথা কব বিছাৰিছো যে অসমত বিজুলি শক্তি উৎপাদন কৰিবলৈ বহুতো থল আছে। আমাৰ যি বিলাক সম্পদ আছে সেই বিলাক কামত নলগোৱাৰ কাৰণেই আমাৰ ইয়াত শক্তিৰ অভাৱ হৈছে। আমাৰ গ্যেচ বিলাক এনয়েই পুৰি পেলোৱা হৈছে। এই বিলাক কোনো কামত লগোৱা হোৱা নাই। আমাৰ ব্ৰহ্মপুত্ৰক বাদ দিও যি বিলাক সৰু সৰু খৰশ্ৰুতা নৈ আছে সেই বিলাক নৈত বিজুলি শক্তিৰ প্ৰকল্প কৰিব পাৰিলে শক্তিৰ অভাৱ আমাৰ পূৰণ হব। আমাৰ চৰকাৰে এই বিলাক দিশলৈ লক্ষ্য কৰিব লাগে।

মই শিক্ষাৰ ক্ষেত্ৰত কব বিচাৰিছো। মই এজন শিক্ষক আছিলো। শিক্ষকৰ অভিজ্ঞতাৰে মই কওঁ যে আমাৰ শিক্ষা ব্যৱস্হাত হতাশ হবলগীয়া হৈছো। বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমি বিশেষ ভাবে গুৰুত্ব দিব লাগে। যিহেতুকে ই জাতিৰ মেৰুদন্ড। ১৯৮৩ চনৰে পৰা, এই সময় ছোৱাত আমাৰ শিক্ষক সকলক, আৰু শিক্ষানুষ্ঠান বিলাকত ৰাজনীতি কৰা হৈছিল। বহুত যুৱকৰ পৰা টকা পইচা ললে, বহুতে অবৈতনিক হিচাবে কাম কৰিলে। এনে আখৰৰ শিক্ষকক নিযুক্তি দিয়া হল যে যাৰ হাতৰ আখৰ কোনেও পঢ়িব নোৱাৰে। ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ পঢ়িব? বিশেষকৈ শিক্ষক

নিয়োগৰ ক্ষেত্ৰত মই সকলো বিধায়কলৈকে অনুৰোধ কৰো যাতে যি বিলাকক প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তি দিয়া হয় সেই বিলাকক যাতে চাই চিতি দিয়া হয় তাৰ বাবে মই সকলো বিধায়কলৈকে আহবান জনাইছো। আমি এম এল এ হৈ অহাৰ পিচত বহুতো শিক্ষকৰ চাকৰি বিচাৰি আহিছে, আমি পাইছো। এই দৰে বোধহয় সকলোৰে ওচৰলৈ গৈছে। সেই কাৰণেই মই আহবান জনাইছো প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কোনো ধৰণৰ হস্তক্ষেপ নকৰি ভাল শিক্ষক নিয়োগ কৰিবলৈ দিব লাগে।

শিক্ষাৰ লগতে খেলা-ধূলাও সাঙুৰি লোৱাৰ কাৰণে মই খেলা-ধূলাৰ ক্ষেত্ৰত কব বিচাৰিছো যে আমাৰ দেশত বহুতো সুস্থ, শক্তিশালী ডেকা লৰা আছে, যি ভাৰতৰ ভিতৰতেই নহয় পৃথিবীৰ ভিতৰতেই পাৰদৰ্শিতা দেখুৱাব পাৰে। কিন্তু আমাৰ দেশখন অৱহেলিত হোৱাৰ কাৰণেই আমি বহুতো পিচ পৰি আছো। এতিয়া গ্ৰাম্য ক্ৰিয়াকে ধৰি স্কুলত টেবুল টেনিচ দিয়াৰ ব্যৱস্থাও কৰা হৈছে। কিন্তু মই কওঁ যে অকল বৰ্ড খন দিলেই নহব, ভাল শিক্ষা দান দিবলৈ ভাল প্ৰশিক্ষক দিব লাগিব। বিশেষকৈ ব্লক লেভেলত একোজনকৈ প্ৰশিক্ষক দিব লাগিব, যাতে বিজ্ঞান সন্মত ভাৱে খেলা-ধূলাৰ নমুনা পাব পাৰে।

পুৰাতাত্বিক সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ অসম তেনেই পিচ পৰা। এবাৰ মোৰ দক্ষিণ ভাৰতলৈ যোৱাৰ সুবিধা হৈছিল। তেতিয়া আমি তাত দেখিবলৈ পাইছিলো যে তাৰ সংৰক্ষণৰ ব্যৱস্থা কিমান ভাল। খুব ভাল ভাৱে সেই বিলাক সংৰক্ষণ কৰা হৈছে। কিন্তু আমাৰ ইয়াত কি হৈছে? বংঘৰৰ অৱস্থা চাব নোৱাৰা, কাৰেংঘৰৰ অৱস্থা নাই। এই বিলাকে কেতিয়াও পৰ্যটকক আকৰ্ষণ কৰিব নোৱাৰে। এই বিলাক এনে ধৰণেৰে ৰখাৰ ব্যৱস্থা কৰিব যাতে পৰ্যটকক আকৰ্ষণ কৰিব পাৰে। মোৰ সমষ্টি নুমলিগড় ওচৰত দেউপাৰা নামৰ এটা পাহাৰ আছে। এই পাহাৰত বহুতো শিলত কটা মূৰ্ত্তি আছে। এই বিলাক এতিয়ালৈকে সংৰক্ষণ কৰা দূৰৰ কথা তালৈ যাবলৈ বাস্তাই নাই। গতিকে এই বিলাক সংৰক্ষণ কৰিব পাৰিলে কাজিৰঙালৈ যোৱা পৰ্যটকক আকৰ্ষণ কৰিব পাৰিব।

অধ্যক্ষ মহোদয়, বিশেষকৈ পৰিকল্পনাৰ ৰূপায়ণৰ বিকেন্দ্ৰীকৰণ কৰিবলৈ এই চৰকাৰৰ দ্বাৰা যি ভাৱে বিছৰা হৈছে সেইটো সঁচাকৈয়ে প্ৰশংসনীয়. কিন্তু আমি এই ক্ষেত্ৰত ধীৰে সুস্থিৰে কাম নকৰিলে নভৰা নিচিন্তাকৈ (হেফহেজাৰ্ডলি) কাম কৰিবলৈ বিচাৰিলে তাৰ ফল ভাল হিচাবে পাব নোৱাৰো। মহকুমা বিলাকলৈ পৰিকল্পনাৰ ভাগ পঠিয়াই দিয়া হৈছে ৰূপায়ণৰ কাৰণে তাৰ কাৰণে নতুন মুখ্য মন্ত্ৰী মহোদয়ক কৃতজ্ঞতা জনাইছো আৰু এই পদ্ধতিৰ কাৰণে ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, আৰু এটা বিষয়ৰ ওপৰত বিশেষকৈ দুষাৰ কথা কব বিচাৰিছো। সেইটো হৈছে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (এন-আৰ-ই-পি) আৰু গৃহ্য মাটিহীন নিয়োগ নিশ্চিতকৰণ আঁচনি (আৰ-এল-ই-জি-পি) ৰ অধীনত গ্ৰাম্য উন্নয়নৰ যি সমূহ কাম লোৱা হৈছিল সেই পৰিমিত যি টকা ধাৰ্য্য কৰা হৈছিল তাৰ দ্বাৰা বিগত সময় ছোৱাত বাইজক খৰচ হোৱা অনুপাতে উপকৃত কৰিব পৰা নাই। টকা বিলাক যি ভাৱে খৰচ কৰা হৈছিল সেইটো লাজলগা আৰু ঘৃনণীয়। উদাহৰণ স্বৰূপে স্কুল বিলাকৰ কাৰণে পঞ্চল্লিশ হাজাৰকৈ টকা দিয়া হৈছিল ঘৰ সজোৱাৰ কাৰণে। কিন্তু মই নিজে এখন স্কুলত সোমাই চাইছো। বেৰ বিলাক যি কোনো সময়তে খহি পৰি যোৱাৰ সম্ভাৱনা, খুটা বিলাক ভাঙি পৰো পৰো হৈ আছে আৰু বেৰত চিমেন্ট প্লাষ্টাৰ যদিও কৰা হৈছে আচলতে হাত দিলেই বেৰ বিলাক খহি পৰি যায়। এয়েই হৈছে পঞ্চল্লিশ হাজাৰ টকীয়া অনুদানৰ কামৰ নমুনা। ইয়াৰ উপৰিও গৃহ্য মাটিহীন নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত যিবিলাক বাস্তা তৈয়াৰ কৰা হৈছে সেই বাস্তা বিলাকৰ ওপৰত দলং বিলাক সম্পূৰ্ণ কৰা নাই। ক'ৰবাত হয়তো দলঙৰ কাঠ দুডাল দি থৈ দিছে আৰু ক'ৰবাত হয়তো দলঙৰ কাঠ দিছে কিন্তু দলঙৰ দুয়োফালৰ ঢিপা বান্ধি নিদিয়াৰ ফলত সম্পূৰ্ণ বাস্তাটোৱেই অব্যৱহৃত হৈ পৰি আছে। দুখীয়া বাইজৰ নামত টকা খৰচ কৰা হৈছে যদিও আচলতে তেওঁ বিলাকৰ কান্ধত বন্দুক থৈ দালাল এশ্ৰেণীয়ে এই টকা বিলাক ভোগ কৰিছে। সেই কাৰণে আমাৰ বৰ্ত্তমান চৰকাৰে এনে বিলাক কামৰ ক্ষেত্ৰত বিশেষ সাৱধান হব লাগিব।

অধ্যক্ষ মহোদয়, মই বোকাখাট সমষ্টিৰ বিধায়ক। আমাৰ সমষ্টিত তিনি চাৰি খন নদী আছে। ধনশিৰী আৰু গেলাবিল খহনীয়াৰ কাৰণে সকলোৱে জনাজাত। তাত মথাউৰি বান্ধিব লাগে বুলি মই বিধায়ক হোৱাৰে আগতে বাজহুৱা ভাবে আলোচনা কৰি বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যৱস্থা লব লাগে বুলি দাবী কৰিছিলো। এই বান নিয়ন্ত্ৰণ বিভাগটো কেন্দ্ৰীয় চৰকাৰৰ লগত সঙ্গতি ৰাখি চলিব লগীয়া হোৱা বাবে আমাৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যথেষ্ট বাধা হৈছে। কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে আমাক আগুৰা ভাবি আছে। ব্ৰহ্মপুত্ৰৰ খহনীয়া হৈছে অথচ কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা নাপালে বাননিয়ন্ত্ৰণ বিভাগে ইয়াত বিশেষ কাম কৰিব নোৱাৰে। মোৰ বোকাখাট সমষ্টিতে বান নিয়ন্ত্ৰণৰ কাৰণে কম পক্ষেও দুশ আঠৈশ কোটি টকাৰ কাম কৰিব লাগিব। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা নাপালে ইমান খিনি টকা একোটাহঁত সমষ্টিত খৰচ কৰা সম্ভৱপৰ নহবগৈ। আমি বাননিয়ন্ত্ৰণ আৰু গড়াখহনীয়া এই দুয়োটা অঙ্গাঙ্গী বিভাগৰ কাৰণে যথেষ্ট পৰিমাণৰ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা নাপালে অসুবিধা হয়। সেই কাৰণে মই নতুন চৰকাৰক এই বিষয়ে চিন্তা কৰিবলৈ আহবান ৰাখিছো। সদৌ শেষত জলসিঞ্চনৰ ক্ষেত্ৰত দুষাৰ কথা কব খুজিছো। অসমত জলসিঞ্চনৰ কাম খৰতকীয়া কৰিব লাগিব কিয়নো আমি খাৰিফ শস্যৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্যই তেখেতৰ বক্তৃতা অলপ চমু কৰক।

শ্ৰীবলভদ্ৰ তামুলি :— অধ্যক্ষ মহোদয়, আমি ৰবিশস্যৰ ওপৰত জোৰ দিব লাগিব। আমাৰ নদী বিলাক বাম হোৱা কাৰণে বানপানী হলে নদীৰ বালি আহি খেতি পথাৰ পোত নিয়ায় আৰু তাৰ ফলত খেতি পথাৰৰ উৰ্বৰা শক্তি কমি যায়। আমাৰ ইয়াত জলসিঞ্চন কৰিবলৈ হলে টেটাবেজ পদ্ধতি কৰিব লাগে। পানী আনি জমা কৰি ৰাখিলে পানীত থকা বালি বিলাক তলত পৰি যাব আৰু ওপৰে ওপৰে পানী গৈ খেতি পথাৰত পৰিব আৰু তাৰ ফলত খেতি ভাল হব। এনে ধৰণৰ কৃষক ৰাইজৰ উপকাৰত অহা আঁচনিৰ কথা চিন্তা কৰিবলৈ নতুন চৰকাৰী আহবান ৰাখি মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই এই বাজেট খন সৰ্বাঙ্গসুন্দৰ বাজেট হৈছে বুলি মোৰ বক্তব্য ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ধন্যবাদ।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীকিৰণ কুমাৰ গগৈয়ে বাজেট বক্তৃতা দিব।

শ্ৰীকিৰণ কুমাৰ গগৈ :— পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়, সম্মানিত সদনত যোৱা ১২ মাৰ্চ তাৰিখে আমাৰ অসমৰ মুখ্যমন্ত্ৰী মহোদয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তদেৱে যি বাজেট উত্থাপন কৰিছে তাৰ প্ৰতি মই আদৰণি জনাইছো আৰু তেখেতৰ প্ৰতি মোৰ ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেটৰ যোগেদি অসমৰ ৰাইজৰ সৰ্বাঙ্গীণ উন্নতিৰ কাৰণে অসমৰ ৰাইজৰ জাতি ধৰ্ম ভাষা নিৰ্বিশেষে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত এক উমৈহতীয়া প্ৰচেষ্টা লোৱাতো বিশেষকৈ প্ৰশংসনীয়। বাজেট খনৰ আটাইতকৈ উল্লেখযোগ্য দিশ হৈছে যে বৰ্ত্তমান আমাৰ চৰকাৰে সদৌ অসম ছাত্ৰ সন্থাৰ লগত অসমৰ ৰাইজে যি আন্দোলন যোৱা ছয় বছৰে চলাই নিয়াৰ ক্ষেত্ৰত যি বিলাক সমস্যাৰ সন্মুখীন হৈছিল, যি নিৰ্য্যাতনৰ বলি হৈছিল সেই সমূহ কথা আগত ৰাখি এই বাজেট ৰূপায়ণৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাতো আনন্দৰ কথা। এই নতুন চৰকাৰৰ ওপৰত অসম চুক্তি ৰূপায়ণৰ কাৰণে দায়িত্ব অৰ্পণ কৰিছে আৰু নতুন চৰকাৰেও সেই দায়িত্ব বহন কৰি আজি ইয়াত অসমৰ ৰাইজৰ হকে বাজেট উত্থাপন কৰিছে। যোৱা ছয় বছৰে আন্দোলন জৰ্জৰিত অসমীয়া ৰাইজৰ কাৰণে চৰকাৰে মুক্ত ভাবে বাজেট উত্থাপন কৰিছে; ই অসমৰ ৰাইজৰ কাৰণে অতি সুখৰ কথা।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিনামূলীয়া পাঠ্যপুথি আৰু পোচাক দিয়াৰ ব্যৱস্থা কৰিছে। এইটো পোচাকৰ অভাৱত স্কুললৈ যাব নোৱাৰা দুখীয়া অভাৱী পৰিয়ালৰ লৰা-ছোৱালীয়ে বৰ্ত্তমানৰ চৰকাৰৰ এই শিক্ষানীতিৰ কাৰণে শিক্ষা লবলৈ সুবিধা পাব বুলি আশা কৰা হৈছে। এই শিক্ষানীতিৰ কাৰণে মই চৰকাৰক আদৰণি জনাইছো। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে আৰু কিছুমান কথা উল্লেখ কৰিছে যে আগৰ চৰকাৰে বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ যাওঁতে কেৱল শিক্ষক জনকহে প্ৰাদেশিকীকৰণ কৰিছে কিন্তু বিদ্যালয় ঘৰটো কৰা নাই। ইয়াৰ ফলত

আৰম্ভণীৰে পৰা একেলগে কাম কৰি থকা দুই তিনিজন শিক্ষকৰ মাত্ৰ এজনকহে দৰমহা আদি দিয়াৰ ব্যৱস্থা কৰিছে আৰু বাকী কেইজনক হাত চাপৰি বজাবলৈ দিছে। মই আশা কৰিছো নতুন শিক্ষানীতিৰ ফলত শিক্ষক সকলৰ লগতে অভিভাৱক সকলেও উপকৃত হব পাৰিব। বিৰোধী দলৰ পৰা কেইগৰাকী মান মাননীয় সদস্যই উচ্চ ইংৰাজী বিদ্যালয় খোলাৰ ক্ষেত্ৰত চৰকাৰে নীতি নোলোৱা বুলি দোষাৰোপ কৰা হৈছে, তেনে শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে কিন্তু আচলতে প্ৰাথমিক পৰ্য্যায়ৰ বিদ্যালয়লৈ যোৱাৰ কাৰণে পাঠ্যপুথিৰ অভাৱ বা পোচাকৰ অভাৱ থকা সময়ত কেনেকৈ উচ্চ পৰ্য্যায়ৰ শিক্ষা পোৱাৰ কাৰণে ওলাই যাব পাৰিব। গতিকে মই শিক্ষানীতি সৰ্বাঙ্গ সুন্দৰ বুলি আদৰণি জনাইছো।

অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰত আমাৰ সমস্যা অধিক। কিন্তু উদ্যোগৰ অবিয়তে ১৯৮৬—৮৭ চনৰ ভিতৰত সাত হাজাৰ পাচশ নিবনুৱা যুৱক-যুৱতীক নিয়োগ কৰিবলৈ বিচৰা নীতি সচাঁকৈয়ে প্ৰশংসনীয় হৈছে। ইয়াৰ আগতে চৰকাৰৰ অধীনত কিছুমান দালালে অবৈধ ভাবে টকা ঘটাৰ কাৰণে ঠিকাদাৰ আদি শ্ৰেণীৰ লোকৰ দ্বাৰা গন সম্পদ ধ্বংস কৰিছিল। বৰ্ত্তমানৰ বন নীতিৰ কাৰণে মই নতুন চৰকাৰক আদৰণি জনাইছো। বননীতিৰ ক্ষেত্ৰত ইমান দিনে ৰাইজে কবৰ দৰে ‘কেকেটুৱাই তামোল কাটে নেউলক বান্ধি কিলাই’ নীতি চলি আছিল। কিয়নো ঠিকাদাৰ বিলাকে গছ কাটি লণ্ড-ভণ্ড কৰি আছিল আৰু তাৰ ঠাইত দুবেলা দুমুঠি ভাত জোগাৰ কৰাৰ কাৰণে বনাঞ্চলৰ পৰা খৰি কাটি জীৱিকা নিৰ্বাহ কৰা খৰিকটিয়া কিছুমানক ধৰি আনি হাৰাশাস্তি কৰা জানিবলৈ পাইছো। সেই বিলাক কথা কৈ ওৰ পেলাব নোৱাৰি। গতিকে মই মাত্ৰ এইখিনিকে কব খুজিছো যে বৰ্ত্তমান চৰকাৰৰ বনাঞ্চলনীতিয়ে অসমৰ বনজ সম্পদ ৰক্ষা কৰিবলৈ সহায়ক হব।

অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ বলিষ্ঠ পদক্ষেপ লোৱা বুলি ভালে কেইজন মাননীয় সদস্যই ইতিমধ্যে কৈছেই। প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত বাননিয়ন্ত্ৰৰ লগতে আৰু ভালেমান বিষয় আহিব পাৰে। এই ক্ষেত্ৰত এগৰাকী মাননীয় সদস্যই কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা আঁচনিৰ টকা দিয়াত হেমাহি হৈছে। বিশেষকৈ বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত অৱহেলা কৰা হৈছে। এই ক্ষেত্ৰত মই উল্লেখ কৰিব খুজিছো যে আমাৰ ডিব্ৰুগড় জিলাৰ লবুৱা মৌজাক চৰকাৰৰ ফালৰ পৰা অৱহেলা কৰা হৈছে। মই কবলৈ হলে আচলতে ৰাজনৈতিক ভাবে অৱহেলা কৰা হৈছে। ব্ৰহ্মপুত্ৰ, দিহিং চেচাঁ এই আটাইবিলা কনদীয়ে খহনীয়াৰ দ্বাৰা এই মৌজাৰ ক্ষতি সাধন কৰে অথচ তাৰ প্ৰতিকাৰৰ কোনো ব্যৱস্থা নাই। এনে ধ্বংসৰ ব্যৱস্থা চলিয়েই আছে। লবুৱা মৌজাক আজিৰ পৰা সাত বছৰৰ আগতে ধেমাজি সমষ্টিৰ লগত জৰিত কৰি দিয়া হৈছে। ৰাজনৈতিক ভাবে অৱহেলিত এই মৌজা এতিয়া পৰ্য্যন্ত তেনে ভাৱেই আছে। ৰাস্তা পদুলি নাই। যোগাযোগ বিচ্ছিন্ন হৈ থাকে। মই আশা কৰিছো এই অঞ্চলৰ কাৰণে আমাৰ উন্নয়ণৰ ব্যৱস্হা লব। বাননিয়ন্ত্ৰণ বিভাগৰ কিছু কাম ভূমি সংৰক্ষণ বিভাগৰ হাতত দিব পাৰি। ভূমি সংৰক্ষণৰ দ্বাৰাও পৰোক্ষ ভাবে বান নিয়ন্ত্ৰণ কাৰ্য্যসূচী সফল ভাবে ৰূপায়ণ কৰাৰ কাৰণে সহজ হৈ পৰিব। সেইটো নকৰাৰ ফলত বাননিয়ন্ত্ৰণ বিষয়টো জটিল ৰূপ ধাৰণ কৰিছে। আৰু এটা কথা বিৰোধী দলৰ মাননীয় সদস্যই উল্লেখ কৰিছে যে বাজেটত এষষ্টি কোটি টকাৰ এটা ভুল আছে। সেইটো হিচাব নাই বুলি কৈছে। কিন্তু আচলতে সেইটো নহয়। এই এষষ্টি কোটি টকাৰ হিচাব :

This is nothing new. It is an accepted procedure of voting the total amount of Rs. 41.29 crores in the different heads and it is shown in pages 62—82 of the statement of memorandum of Budget.

গতিকে তেখেতে এইটো কথা নিশ্চয় বুজিব চাব যে বাজেটত বহুজন পৰিমাণৰ টকা ভুল কৰি ধৰা হোৱা নাই। বাজেট সম্পৰ্কত বিৰোধী দলৰ সদস্য সকলে আৰু বহুত অভিযোগ উত্থাপন কৰিছে কিন্তু মই কব বিচাৰিছো যে এই বাজেটত হতাশ হবলগীয়া একো দিশ নাই। অসমৰ প্ৰত্যেক ধৰ্ম্ম

সম্প্ৰদায়, প্ৰত্যেক জনগোষ্ঠী, প্ৰত্যেক অঞ্চলৰ, প্ৰত্যেক সমাজৰ কাৰণে এইটো এটা আনন্দৰ কথা যে এই বাজেটত সমূহকে সাৰ্মাৰি সকলোৰে উন্নয়নৰ কাৰণে ব্যৱস্হা ৰখা হৈছে। সকলোৰে লগত জড়িত এই বাজেট সৰ্বাঙ্গসুন্দৰ বুলি কবই লাগিব। ইয়াৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আদৰণি জনাই সৰ্বশেষত এই সৰ্বাঙ্গসুন্দৰ বাজেটৰ প্ৰতি আদৰণি জনাই মোৰ চমু বক্তৃতাৰ সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীঅৰ্ধেন্দু কুমাৰ দেই ভাষণ ৰাখিব।

শ্ৰীঅৰ্ধেন্দু কুমার দে :— মাননীয় অধক্ষ্য মহোদয়, ১৯৮৬—৮৭ সনের বাজেটে কোন নতুনত্ব নাই এবং ইহাকে আমরা গ্রহণ করতে পারি না। যে বাজেটে উন্নতির কথা বলা হয়েছে, তাত অনেক গড়মিল রয়েছে, যে গড়মিলে দেখা গেছে যে কোটি কোটি টাকার কোন হিসাব নেই।

শ্ৰীদেৱ কুমাৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, এইটো সাধাৰণ আলোচনা। ইয়াত বিস্তাৰিত ভাবে আলোচনা কৰিব পাৰিবনে নোৱাৰি সেইটো মাননীয় অধ্যক্ষই জনাব লাগে।

Mr. SPEAKER,—In Rule 143(1) it is laid down that "On a day or days to be appointed by the Speaker subsequent to the day on which the Budget is presented and for such time as the Speaker may allot for this purpose, the Assembly shall be at liberty to discuss the Budget as a whole or any question of principle involved therein, but no mention shall be moved at this stage, nor shall the Budget be submitted to the vote of the Assembly"

Only the basic principle can be discussed as per provision of the Rule 143.

শ্ৰীঅৰ্ধেন্দু কুমার দে :— অধ্যক্ষ মহোদয়, আমি ১৪১ নং অনুচ্ছেদের ৪ নং ধারায় আছে, সেটা থেকে পড়ে শুনাচ্ছি।

"When a demand or any part of it relates to any new scheme or revision of scales of pay or allowences or creation of a new appointment, all materials details of such scheme or revision or appointment shall as far as practicable be supplied to all members at least five clear days before the demand is made."

সার্টিফিক সার্ভিস ও রিছার্চ সম্বন্ধে আলোচনা করতে যাচ্ছি। এমারকার বাজেটে কোন নতুনত্ব নাই, শুধু পুরানো মদ নতুন বোতলে ঢালা হয়েছে। তফাৎ শুধু রয়েছে গতবারের বাজেটর সংগে। গতবৎসর বাজেট পেশ করা হয়েছিল ১১ ইং মার্চ আর এইবার পেশ করা হয়েছে ১২ ইং মার্চ। গতবার ছিল নয় পৃষ্টার, এইবার হয়েছে দশ পৃষ্টার।

মাননীয় অধক্ষ্য মহোদয়, আই সি ডি এস সম্বন্ধে অনেক মাননীয় সদস্য বা বিভাগীয় মন্ত্রী ওয়াকিবহাল নন এবং কত লক্ষ লক্ষ টাকার নয়-ছয় হয় তাহারা জানেন না। লংকা ব্লকে অনেক টাকার বুট কেনা হয়েছিল আই সি ডি এসর মাধ্যমে, সেটা সম্পূর্ণরূপে খাদ্যের অযোগ্য। যে পরিমাণ বুট কেনা দেখানো হয়, কিন্তু আসলে তার চেয়ে অনেক কম কেনা হয়। অনেক সময় বুটের সংগে চিড়া

ও গুড় দেওয়া হয়। লংকা ব্লকের খাতে প্রায় ১৭ লক্ষ্য টাকার খরচ দেখানো হয়, কিন্তু আসলে খরচ এর চেয়ে অনেক অনেক কম। এই স্কীম কিছুটা ওয়েলফেয়ার ডির্পাটমেন্টর এবং মেডিকেল ডির্পাটমেন্টের। এই জগা খিচুড়ীর জন্যই এখানে নয়-ছয় এর সুবিধা। আমি ভাবি যে এই ডির্পাটমেন্ট সম্পূর্ণরূপে মেডিকেল ডিপার্টমেন্টর অধীনে নিয়ে আসা উচিত। কিউ কি আগে থেকে বলতে পারেণ যে বি১ বি৬ বি১২ ইনজেকশন দেওয়ার পর কে মারা যাবে? যদি বলতেই পারেন না তবে কমলপুরের প্রার্থমিক চিকিৎসালয়ে এই ইনজেকশন দেওয়ার পর যখন একটি রোগী মারা গেল, তখন সেই চিকিৎসালয়ের চিকিৎসকের কি দোষছিল? কেন সেই চিকিৎসককে মারধর করা হয়েছিল? কেন ওনার আসাবপত্র টিভি ভেঙ্গে চুরমার করা হয়েছিল? কি দোষ ছিল মঙ্গলদৈ সিভিল হাসপাতালের মেডিকেল অফিসারের এবং নগাওঁ সিভিল হাসপাতালের মেডিকেল অফিসারের? যে কারণে ওনাদেরকে নিগৃহীত হতে হয়েছিল? আমার মনে হয় এই সরকারের অক্ষমতার জন্যই এ ধরণের পরিস্হিতির সৃষ্টি হয়েছে। হাস্পাতালের মধ্যে ডাক্তারের, ঔষধ যা দেওয়া হয় তা অতি নিম্নমানের যে তাদ্বারা কোন রোগী ভাল হয় না। ফলে সম্পূর্ণ দোষ ডাক্তারের উপরে পড়ে। উদাহরণ স্বরূপ বলতে পারি, লামডিং সিভিল হাস্পাতালে দুইজন প্রয়োজন, সেখানে আজ পর্য্যন্ত একজনো ডাক্তার দেওয়া হয় নাই। হোজাই হাস্পাতালে মাত্র একজন ডাক্তার দিয়ে চালানো হচ্ছে-উনি আবার ডেপুটেশনে। হাস্পাতালের যে ইনচারজ-উনি ইনফেকটিভ হিফাটাইটিস এ ভোগছেন।

চেয়ার ম্যান মহোদয়, আপনি হয়তো জানেন যে এ এম্ এস্ এ কিছুদিন আগে তাদের বিভিন্ন অভাবের কথা জানানোর উদ্দেশ্যে একটা 'আপীল' করেছেন। তাদের কেন নানা ভাবে হয়রানী করা হচ্ছে এবং তাদের মূল দাবীই বা কি? এসব কথা তারা তাদের আপীলে উল্লেখ করেছেন। আমি মাননীয় মন্ত্রী মহোদয়কে অনুরোধ করছি তিনি যেন অতিশীঘ্র ডাক্তারদের উপর এই ধরনের নির্যাতন বন্ধ করার ব্যবস্হা নেন।

চেয়ারম্যান মহোদয়, আমি পরিশেষে আর একটি গুরুত্বপূর্ণ কথা উল্লেখ করেই আমার বক্তব্য শেষ করছি। গত বিধানসভা অধিবেশনে রাজ্যপালের ভাষনের উপর বিতর্কে অংশ গ্রহণ করে আমাদের কোন একজন মাননীয় সদস্য বলেছিলেন যে সিলেটি ভাষ্য নাকি একটা জঘন্য ভাষা। চেয়ারম্যান মহোদয়, আমি একজন সিলেটি এবং এই ভাষায় কথা বলার জন্য আমি নিজে গর্বিত। আমি এর আগে নানা বিষয় উৎথাপন করতে গিয়ে এই সদনে ইংরাজী এবং অসমীয়া ভাষায় আমার বক্তব্য রেখেছিলাম। কিন্তু যেহেতু অমাদের এই সরকার অসমীয়া ভাষাকে বাধ্যতামূলক করার নীতি গ্রহণ করেছেন—আমি এই নীতির বিরোধীতা করে বাংলা ভাষায় আজ আমার বক্তব্য রাখলাম।

শ্রীৰছিদুল হক:— মাননীয় চেয়াৰমেন মহোদয়, যোৱা ১২ মার্চ তাৰিখে আমাৰ মধ্য্য ও বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট বক্তব্য বিধান সভাত দাঙি ধৰিছে তাত আমি সম্পূৰ্ণ ৰূপে ফলপ্ৰসূ হব পাৰিম বুলি আশা প্ৰকাশ কৰিব নোৱাৰিলো। সাধাৰণতে বাজেট বক্তব্যৰ মাধ্যমত ৰাজ্যৰ সামাজিক, অৰ্থনৈতিক ও ৰাজনৈতিক চিত্ৰ স্পষ্ট ভাবে ওলায়। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই যে উক্ত বক্তব্যত এই চিত্ৰ মুঠেই ফুটি ওলোৱা নাই। আমি জানো যে বিত্ত বিভাগৰ সচিবে বিভিন্ন দপ্তৰৰ পৰা তথ্য সংগ্ৰহ কৰি বাজেট তৈয়াৰ কৰে আৰু সেই বাজেট মন্ত্ৰী সভাত গৃহীত আৰু পঠিত হোৱাৰ পিচত বিধান সভাত উথাপিত হয়। কিন্তু মই ভাবো যে যি সকলৰ ওপৰত ইয়াক প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হৈছিল তেওঁলোকে কেৱল কৰ্ত্তব্যৰ খাতিৰত এৰাধৰা মনোভাবেৰেহে উক্ত কাম সমাধা কৰিলে।

মাননীয় চেয়াৰমেন মহোদয়, বাজেট বক্তব্যৰ মুঠ ১০ পৃষ্ঠাৰ ভিতৰত বান নিয়ন্ত্ৰণ, পৰিবহন, আইন শৃংখলা, যোগান, গড়কাপ্তানী, প্ৰশাসন, জলসিঞ্চন কুটিৰ শিল্প, সংস্কাৰ মীন, অনুসূচীত জাতি আৰু জনজাতি, জনস্বাস্থ্য, নতুন ৰাজধানী স্হাপন ইত্যাদি সম্পৰ্কে কোনো গুৰুত্বপূৰ্ণ বক্তব্য উথাপিত হোৱা নাই।

মাননীয় চেয়াৰমেন মহোদয়, কৃষি, উদ্যোগ, বিজুলী, শিক্ষা, বন মূল্য পৰিস্থিতি, নিয়োগ, দৰিদ্ৰ দূৰীকৰণ ইত্যাদি বিষয়ে সাম্যক বিৱৰণ থাকিলেও ইয়াৰ বিশদ ও স্পষ্ট আলোচনা নাই।

মাননীয় চেয়াৰমেন মহোদয়, লাখ লাখ লোকৰ আশা আকাংখ্যা সমূহক বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব এই সদনৰ। দেশৰ জনসাধাৰণেও সেই আশাতেই পূৰণাক ত্যাগ কৰি যুৱ শক্তিৰ ওচৰত দেশৰ শাসনৰ ভাৰ ন্যস্ত কৰিছে। কিন্তু বৰ পৰিতাপৰ কথা বৰ্ত্তমান বাজেটত ভৱিষ্যতৰ কোনো উন্নয়নমূলক কথা আছে বুলি আমি প্ৰকাশ কৰিব নোৱাৰো। আনহাতে এই অসম দেশ খনিজ, বনজ ও নানা বৈচিত্ৰময় সম্পদৰে ভৰপূৰ। আমি যদি নতুন দৃষ্টি ভঙ্গীৰে ন, ন, পৰিকল্পনাৰ মাধ্যমত এই-বোৰক কামত লগাবলৈ ইচ্ছা কৰা হলে আজি অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকে বহুৰূপী সূতাৰে গথা একেদাল মালাৰ দৰে এক সুন্দৰ ও সুস্থ জীৱন যাপন কৰিবলৈ সক্ষম হলহেতেন। অন্যথা তথাকথিত বিদেশীৰ নামত ভাৰতীয় নাগৰিক সকলৰ উচ্ছেদ ও বিতাড়ণ কৰিবলগীয়া নহলহেতেন।

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তব্যত জনসাধাৰণক আশ্বাস দি কৈছে আমি "এক নিকা, সবল, সুস্থিৰ আৰু সুদক্ষ চৰকাৰ গঢ়ি তোলাটোৱেই আমাৰ প্ৰথম প্ৰয়াস"। কিন্তু অসম চুক্তিৰ ফলত লাখ লাখ লোকক উচ্ছেদ ও নাগৰিকত্ব বিহীন কৰি কোনো নিকা, সবল, সুস্থিৰ আৰু সুদক্ষ চৰকাৰ গঢ়ি তোলা সম্ভৱ নহয়।

মাননীয় চেয়াৰমেন মহোদয়, মই নগাঁও জিলাৰ এটা অত্যন্ত পিচপৰা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ এই খন সদনত প্ৰবেশ কৰাৰ অধিকাৰ পাইছো, অৱশ্যে মোৰ আগত এই সমষ্টিৰ পৰা অসমৰ বিখ্যাত ৰাজনীতিবিদ শ্ৰীমহম্মদ ইদ্ৰিছ নিৰ্বাচিত হৈও ৰাইজৰ হকে একো কৰিব নোৱাৰিলে। এই অঞ্চলতে এখন কলেজ, বহু স্কুল, চিকিৎসালয়, থানা, আজিও অবহেলিত অৱস্থাত পৰি আছে। এই সমষ্টিতেই অৱস্থিত অসমৰ প্ৰাচীন, নগাঁও জিলাৰ সুবৃহৎ বজাৰ 'ৰূপহী হাট' ৰ ৰাস্তা-ঘাট দোকান-পোহাৰ, আজিও মানবতাৰ আমোলৰ দৰেই অৱহেলিত হৈ আছে। এই সমষ্টিৰ মাৰ্জেদ সোনাই ছাইদৰীয়া পথ ও নগাঁও জিলাৰ সদৰ কাৰ্য্যালয়ৰ পৰা লাউখোৱা অভয়াৰণ্যলৈ যোৱা পথ, কলীয়া ভোমোৰা দলং পাৰহৈ শোনিতপুৰ, উত্তৰ লক্ষীমপুৰ ও অৰুনাচল প্ৰদেশলৈ সংলগ্ন কৰি পকী বা পিচ কৰি ৰাষ্ট্ৰীয় পথ তৈয়াৰ কৰিব পাৰিলে ৰাজ্যৰ অধিক সংখ্যক লোকৰ উন্নতি হলহেতেন।

মাননীয় চেয়াৰমেন মহোদয়, মুখ্যমন্ত্ৰীৰ বাজেট বক্তব্য যে পৰস্পৰ বিৰোধী অগ্ৰাধিকাৰ দি অসম চুক্তি ৰূপায়ন কৰ আৰু ৰাজ্যৰ সকলো জনগোষ্ঠীৰ মাজত ঐক্য, সম্প্ৰীতি স্থাপনৰ প্ৰতিশ্ৰুতি তাৰ প্ৰমান তথা কথিত অসম চুক্তি ৰূপায়ন কৰোতে বিদেশীৰ নামত লাখ লাখ ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিলে অসমৰ বঙ্গ ভাষাৰ, ভিন ভিন ধৰ্ম্মৰ বিশ্বাসী মানুহৰ মনত অশান্তিৰ জুই জুলি নুঠিবনে? এই অশান্তি শান্তি-সম্প্ৰীতিৰ সহায় হবনে?

মাননীয় চেয়াৰমেন মহোদয়, মোৰ কবলগীয়া যথেষ্ট আছিল। কিন্তু বিধান সভাৰ সীমাবদ্ধ সময়ত সম্পূৰ্ণ ব্যক্ত কৰা সম্ভৱ নহয়। গতিকে মোৰ বক্তব্য ইমানতেই শেষ কৰিবলৈ বাধ্য হৈছো। মোৰ আবেদন এই যে অসমত ঐক্য, সম্প্ৰীতি, ভাতৃত্ব চিৰদিন জীয়াই থাকক।

Shri GOLAK RAJBANSHI.—Sir, reference to an absent member cannot be made because he is no longer here. (voices) I am stating the Rule.

শ্ৰীআব্দুল জেলিল ৰাৰ্জিব :— শ্ৰদ্ধেয় চেয়াৰমেন মহোদয়, বিত্ত বিভাগত থকা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰা বাজেট খনৰ ওপৰত পক্ষ আৰু বিপক্ষ বহুতো আলোচনা ইতিমধ্যে সদনত হৈছে। বিস্তাৰিত ভাবে আলোচনা কৰাৰ সময় নাই গতিকে মই মাত্ৰ দুটা বিষয়ে মোৰ বক্তব্য সদনৰ আগত আপোনাৰ জৰিয়তে ডাঙি ধৰিব বিছাৰিছো।

প্ৰথম বিষয়টো হৈছে শিক্ষা। ইতিমধ্যে এই সম্পৰ্কত আমাৰ সদনত শিক্ষাৰ দুৰ্নীতি, শিক্ষা ব্যৱস্হাৰ দুৰ্বলতা ক্ৰুটি-বিচ্যুতি ইত্যাদি সম্পৰ্কে চৰকাৰী পক্ষৰ আৰু বিৰোধী পক্ষৰ উভয় মাননীয় সদস্য সকলে বিতং ভাবে আলোচনা কৰিছে। দুৰ্নীতি কথাটো অতি ব্যাপক ভাবে আলোচিত হৈছে। যোৱা বাৰ অধিবেশনটো এই বিষয়ে আলোচনা হৈ গৈছে। এই ক্ষেত্ৰত এনে এটা বিভাগ নাই যত অতি ব্যাপক ভাবে দুৰ্নীতিয়ে গা কৰি উঠা নাই। মুঠতে কবলৈ গলে এই বিভাগটো সকলো ফালে গ্ৰাস কৰি পেলাইছে। কিন্তু আমি হয়টো এটা কথা লক্ষ্য কৰা নাই সেইটো হৈছে দুৰ্নীতিৰ মূল উৎস কত। অলপ গভীৰ ভাবে চালে আমি সকলোৱে এই কথা উপলব্ধি কৰিব পাৰিম। ইয়াৰ মূল উৎস হৈছে আমাৰ শিক্ষা ব্যৱস্হা। আমি শিক্ষা লাভ কৰি কোনোৱা এম এল এ কোনোৱা এম পি আৰু কোনোৱা মন্ত্ৰী হৈছে আৰু কোনোৱা চৰকাৰৰ বিভিন্ন দায়িত্বত নিযুক্ত হৈছে। এই শিক্ষা যদি আমি নিকা ভাবে গ্ৰহণ কৰিব পাৰিলোহেতেন আমি নিশ্চয় দুৰ্নীতি মুক্ত হব পাৰিলোহেতেন লগতে আমি সকলো চৰিত্ৰবান হব পাৰিলোহেতেন। আমাৰ শিক্ষা ব্যৱস্হাটো দুৰ্নীতিৰে পৰিপূৰ্ণ বুলি সকলোৱে আলোচনা কৰিছে। এই কথা আমি সকলোৱে জানো যে চাকৰিৰ কাৰণে যোগ্যতাৰ প্ৰয়োজনিয়তাৰ কথা অসমৰ বাইজে পাহৰি গৈছে। কোনোমতে প্ৰৱেশিকা পাছৰ চাৰ্টিফিকেট এখন গোটাব পাৰিলে চাকৰি এটা হৈ যায়। আজি আমাৰ দেশত পৰীক্ষাত বহিব নালাগে আৰু পাছো কৰিব নেলাগে। লোকে লোকৰ হৈ পৰীক্ষাত বহিব পাৰে আৰু চাৰ্টিফিকেট লব পাৰে। এনেকোৱা প্ৰমান পত্ৰৰে যদি আমি কোনো স্কুলৰ মাষ্টৰ হওঁ তাৰ পৰা কি শিক্ষা দিব পাৰো সেই কথা আমি নিজে উপলব্ধি কৰিব পাৰো। এনেকুৱা প্ৰমান পত্ৰ লৈ প্ৰাইমাৰী স্কুলৰ মাষ্টৰৰ চাকৰি কৰিছৰ সংখ্যাই বেছি। অন্যান্য বিভাগত বিচাৰিলে হয়টো কিবাকিবি লিখিব লাগিব। কিন্তু এল পি স্কুলৰ মাষ্টৰ হলে অ আ কেইটা শিকাই নিজৰ কামত লাগিব পাৰিব। এনে ধৰণেৰে কাৰবাৰ আমাৰ চলি আছে। এইবোৰ সত্য কথাই মই কৈছো আপোনালোকে বেয়া নাপাব। কেইজনমান মাননীয় সদস্য লগত লৈ মই সিদিনা মুখ্যমন্ত্ৰীৰ লগত শিক্ষা বিভাগৰ দুৰ্নীতিৰ বিষয়ে আলোচনা কৰিছো। লগতে ইয়াকো কৈছো যে পূৰ্বণা দুৰ্নীতি ধৰা পৰা ভয়ত এতিয়া এ জিপি বেনাৰত আহি অনেক লোক সোমাই পৰিছে। আমাৰ শিক্ষা অনুস্হান বিলাকত বছৰি লাখ লাখ টকা চৰকাৰে দিছে ঘৰ সজাৰ বাবে যাতে মেঘ বৰষুণ আতৰাই লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিব পাৰে। শিক্ষা বিভাগৰ এনে লাখ লাখ টকাও আত্মসাৎ কৰিলে আমাৰ লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিব ক'ৰ পৰা আৰু চৰিত্ৰ হব ক'ৰ পৰা ? শিক্ষা সম্পৰ্কত বাজেট বক্তৃতাত আৰু দুটা বাক্য উল্লেখ কৰা আছে। প্ৰাথমিক স্কুলৰ লৰা-ছোৱালীৰ কাৰণে বিনামূলীয়া পোচাক আৰু পাঠ্য-পুথিৰ যোগান ধৰাৰ ব্যৱস্হা কৰা হৈছে।

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Tuesday, the 18th March, 1986.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

Dispur :
The 15th March, 1986.

AGP. (Mini)—160/88—1,500—8-2-89